● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

যেতিয়া আপুনি সেই বিশেষ ব্যক্তিজন সুখী হোৱাটো বিচাৰে অথচ আপুনি সেই সুখৰ অংশ নহয়, তেতিয়াই বুজিব সেয়াই প্ৰেম।

জুলিয়া ৰবাৰ্টছ
হলিউডৰ অভিনেত্ৰী



৭ ৰাছিয়াৰ বাবে প্ৰাকৃতিক গেছো অস্ত্ৰতকৈ কম গুৰুত্বপূৰ্ণ নহয়
১৫ ন ৰাণত অগ্ৰগতি ল'লে উত্তৰ প্ৰদেশে
৪ সত্যোত্তৰ যুগৰ এচেৰেঙা পোহৰত বিশ্ব-ৰাজনীতি
কানাডাৰ হিন্দুবিদ্বেষ আৰু অন্যান্য

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৯তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৩ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৬ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 26 February 2022 মূল্য ঃ ৯.০০ টকা

■ বীৰ লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্ম জয়ন্তী বৰ্ষৰ অনুষ্ঠান মুকলি ৰাষ্ট্ৰপতিৰ

# ৰাষ্ট্ৰনায়কৰূপে জিলিকি থাকিব লাচিত




■ ভূপেন হাজৰিকাৰ গীতেৰে ভাষণ আৰম্ভ কৰিলে ৰাষ্ট্ৰপতিয়ে ■ ৰাষ্ট্ৰপতি ভৱনত লাচিত বৰফুকনৰ প্ৰতিচ্ছবি সংৰক্ষণ-প্ৰদৰ্শন কৰিব ক'ৱিন্দে ■ সপৰিয়ালে কামাখ্যা মন্দিৰ দৰ্শন

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দৰ অংশগ্ৰহণেৰে আজি মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বীৰ লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্ম জয়ন্তীৰ বৰ্ষজোৰা অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। আহোম ৰাজ শাসনৰ বীৰযোদ্ধা লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্ম জয়ন্তী বৰ্ষ অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতি ক'ৱিন্দে কয় যে শৰাইঘাটৰ ৰণত লাচিত বৰফুকনে কেৱল আক্ৰমণকাৰী মোগলক পৰাস্ত



কৰাতে ক্ষান্ত নাছিল, বীৰ যোদ্ধাগৰাকীয়ে আগ্ৰাসী মোগলৰ সাম্ৰাজ্যবাদী নীতিতো শেষ গজাল মাৰিবলৈ সক্ষম হৈছিল। ৰাষ্ট্ৰপতি ক'ৱিন্দে কয়, 'লাচিত বৰফুকনৰ পৰাক্ৰমী, আৰু অতুলনীয় ৰণনীতিক দেশৰ প্ৰতিগৰাকী যোদ্ধাই আজিও অনুসৰণ কৰি আহিছে আৰু তেওঁ পৰাক্ৰমৰ বাবেই অসম ভূমি আজিও ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ ৰ'ল।' দেশবাসীৰ হৃদয়ত লাচিত বৰফুকন চিৰদিন এজন ৰাষ্ট্ৰনায়কৰ ৰূপত জীয়াই ১৩ পৃষ্ঠাত চাওক

## সন্ধানহীন কমেও ১০ যুৱক-যুৱতী-মহিলাৰ আলফা (স্বাধীন)ত যোগদানৰ সম্ভাৱনা

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** শেহতীয়াভাৱে গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন স্থানৰ কমেও ১০ গৰাকী যুৱক-যুৱতী ৰহস্যজনকভাৱে সন্ধানহীন হোৱাৰ তথ্য উদ্ধাৰ হৈছে। এই সকলোৱেই আলফা (স্বাধীন)ত যোগদানৰ আশংকা কৰিছে আৰক্ষীয়ে। সন্ধানহীনসকলৰ পৰিয়ালৰ পৰা লাভ কৰা তথ্য, সন্ধানহীনতাক লৈ চলা অনুসন্ধানত এই তথ্য পোহৰলৈ ১০ পৃষ্ঠাত চাওক

## আদালতৰ সময় অপব্যয় ঃ মুখ্যমন্ত্ৰীক দুহেজাৰ টকাৰ জৰিমনা বিহিলে

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** পত্নীসহ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কামৰূপ মহানগৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে আজি নিৰ্বাচনী বিধি উলংঘা সংক্ৰান্তীয় এটা গোচৰত দুহেজাৰ টকাকৈ জৰিমনা বিহাৰ লগতে অহা ২১ মাৰ্চত সোঁশৰীৰে উপস্থিত হ'বলৈ নিৰ্দেশ জাৰি কৰে। বিগত ২০১৯ত নিৰ্বাচনী বিধি উলংঘাৰে শৰ্মাই এটা ব্যক্তিগত টিভি চেনেলত ১০ পৃষ্ঠাত চাওক

■ ৰকেট-ক্ষেপণাস্ত্ৰ-বন্দুকৰ আঘাতত বিধ্বস্ত নগৰ-চহৰ ■ কোনো পৰিস্থিতিতে আত্মসমৰ্পণ নকৰো, তাতকৈ মৃত্যুৱে শ্ৰেয় ■ সামৰিক ঘাটিয়ে নহয়, জনজীৱনতো ধ্বংসলীলা চলালে

# ৰুছ আক্ৰমণত ক্ষত-বিক্ষত ইউক্ৰেইন


■ কোলাত কেঁচুৱা লৈ স্বদেশ এৰি পলায়ন ■ কিয়েভত জলসংকট ঃ অবৰ্ণনীয় দৃশ্য

■ নিউজ ব্যুৰ'
**কিয়েভ, ২৩ ফেব্ৰুৱাৰী ঃ** ধাৰাবাহিক ক্ষেপণাস্ত্ৰ আৰু বোমাৰ আঘাতত ক্ষত-বিক্ষত ইউক্ৰেইন। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে দাবী কৰিছিল যে সামৰিক অভিযান আৰম্ভ কৰা হৈছে, যুদ্ধ নহয়। ইউক্ৰেইনৰ সামৰিক ঘাটিবোৰেই ৰুছ বাহিনীৰ লক্ষ্য বুলিও পুটিনে কৈছিল। লগতে ইউক্ৰেইনৰ সাধাৰণ জনতাৰ কোনো ক্ষয়-ক্ষতি নহয় আৰু নাগৰিকসকলে ৰাজধানী কিয়েভকে ধৰি নগৰ-চহৰ পৰিত্যাগ কৰিব নালাগে বুলিও আশ্বস্ত কৰিছিল যদিও তাক বিশ্বাসত হোৱা নাছিল ইউক্ৰেইনবাসীয়ে। অৱশেষত এনে আশংকাতে সত্য প্ৰমাণিত কৰি আজি পুৱাৰ পৰা ১০ পৃষ্ঠাত চাওক



■ ইউক্ৰেইন যুদ্ধৰ পৰিণতিত আন্তৰ্জাতিক বজাৰত প্ৰতি বেৰেল তেলৰ মূল্য ১০৫ ডলাৰলৈ বৃদ্ধি ঃ মূল্যবৃদ্ধি সোণসহ অন্যান্যৰো

## সাত মাৰ্চত নিৰ্বাচনৰ পাছতে ইন্ধনৰ মূল্যবৃদ্ধিৰ বোমা ফুটিব ভাৰতত



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইন যুদ্ধৰ পৰিণাম ভুগিব লাগিব ভাৰতেও। এই যুদ্ধৰ ফলত ভাৰতত পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্য অভাৱনীয় হাৰত বৃদ্ধি হোৱাটো নিশ্চিত হৈছে। ইতিমধ্যে বিশ্বৰ বজাৰত খাৰুৱা তেলৰ প্ৰতি বেৰেলৰ মূল্য আকাশলংঘী হৈছে। ভাৰত সৰ্বাধিক পৰিমাণৰ খাৰুৱা তেল আমদানি কৰা বিশ্বৰ দ্বিতীয়খন ৰাষ্ট্ৰ। ১০ পৃষ্ঠাত চাওক

## পুটিনৰ 'অপাৰেছন জেড'ক লৈ কৌতুহল

■ নিউজ ব্যুৰ'
**কিয়েভ, ২৫ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইন সেনাৰ প্ৰতিৰোধ ভাঙি ৰাজধানী কিয়েভলৈ অগ্ৰসৰ হৈছে ৰুছ সমৰবাহিনী। যুদ্ধক্ষেত্ৰৰ পৰা সংগৃহীত বিভিন্ন ভিডিঅ' ফুটেজে পশ্চিমীয়া দেশৰো কৌতূহল বৃদ্ধি কৰিছে। কিয়নো ৰুছ বাহিনীৰ প্ৰতিখন সামৰিক বাহনত বগা ৰঙেৰে ইংৰাজীতে সৰুকৈ লিখা আছিল 'জেড' ১৩ পৃষ্ঠাত চাওক

## ঘাতকৰ স'তে যোগাযোগ ৰক্ষা? নিহত ব্যৱসায়ীৰ কৰ্মীক গ্ৰেপ্তাৰ

### বিহাৰত অভিযান মহানগৰ আৰক্ষীৰ

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** ফাঁচীবজাৰৰ ব্যৱসায়ী অৱদেশ যাদৱ (৪৫)ক যোৱা ২১ ফেব্ৰুৱাৰীৰ নিশা ৮-৩০ বজাত ঘাতকে নিজা বাসগৃহৰ সন্মুখত গুলীয়াই হত্যা কৰাৰ চাৰিদিনৰ অন্তত এই হত্যাকাণ্ডৰ স'তে জড়িত থকাৰ অভিযোগত প্ৰথমজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে পল্টনবজাৰ আৰক্ষীয়ে। ধৃত লোকজন নিহত ব্যৱসায়ীজনৰ বহিঃৰাজ্যৰ ব্যৱসায় চোৱাচিতা কৰা ৰাজকুমাৰ যাদৱ বুলি আৰক্ষীয়ে সদৰী কৰিছে। মহানগৰীৰ পৰাই কালি তেওঁক গ্ৰেপ্তাৰ কৰি সম্প্ৰতি সাত দিনৰ জিম্মাত লৈ ১০ পৃষ্ঠাত চাওক

■ বিশ্বৰ সৰ্বশক্তিমান শক্তিবোৰে দূৰৈৰ পৰা চাই আছে ■ পুটিনক আলোচনাৰ মেজলৈ আহ্বান জনায়ো ক'লে ঃ ময়েই সিহঁতৰ লক্ষ্য

## আমাক অকলশৰে এৰি দিয়া হৈছে, ওচৰত কোনো নাই ঃ জেলেন'স্কী


■ নিউজ ব্যুৰ'
**কিয়েভ, ২৫ ফেব্ৰুৱাৰী ঃ** যুদ্ধ, আক্ৰমণ-প্ৰত্যাক্ৰমণ, হতাহতৰ দুই পক্ষৰ দাবীৰ মাজতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীয়ে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক মুখামুখি আলোচনাত বহিবলৈ আহ্বান জনালে। আজি এক নতুন ভিডিঅ'



বাৰ্তাত এই আহ্বান জনাই ৰুছ ভাষাতে তেওঁ কয়, 'মই ৰাছিয়ান ফেডাৰেছনৰ ৰাষ্ট্ৰপতি স'তে কথা পাতিব বিচাৰো। এতিয়া সমগ্ৰ ইউক্ৰেইনজুৰি যুদ্ধ চলিছে। মানুহৰ মৃত্যু বন্ধ কৰিবলৈ আহক আলোচনাৰ টেবুলত বহো।' ইয়াৰ পূৰ্বে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ১০ পৃষ্ঠাত চাওক

জেলেন'স্কীক সন্ত্ৰাসবাদী-ড্ৰাগছ আসক্তৰ দল-নতুন নাজি বাহিনী আখ্যা

## ক্ষমতা হস্তগত কৰক ঃ ইউক্ৰেইনৰ সেনাবাহিনীক অভ্যুত্থানৰ আহ্বান পুটিনৰ



■ নিউজ ব্যুৰ'
**কিয়েভ, ২৫ ফেব্ৰুৱাৰী ঃ** যুদ্ধৰ দ্বিতীয় দিনা ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ দুৱাৰডলিত আক্ৰমণকাৰী ৰুছ সৈন্য উপস্থিত হোৱাৰ সময়তে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইউক্ৰেইনৰ সেনাবাহিনীক কিয়েভত নেতৃত্বক ওফৰাই পেলাবলৈ আহ্বান জনায়। ইউক্ৰেইনৰ সেনাই ৰুছ বাহিনীৰ স'তে কিয়েভত যুঁজ দি থকাৰ সময়ত পুটিনে দেশখনৰ নেতৃত্বক 'সন্ত্ৰাসবাদী, ড্ৰাগছ আসক্তৰ ১০ পৃষ্ঠাত চাওক

## অণু হাজৰিকাৰ হত্যা ঃ দুজনক ন্যায়িক জিম্মালৈ

## ঘটনাৰ ২০ দিনৰ পাছতো আন দুই ঘাতক নপৰিল জালত

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** যোৱা ছয় ফেব্ৰুৱাৰীত মহানগৰীৰ ফটাশিল আমবাৰী আৰক্ষী থানাৰ অন্তৰ্গত কালাপাহাৰস্থিত বিখ্যাত তাৰাহীৰা কমপ্লেক্সৰ স্বত্বাধিকাৰী ড° অণু হাজৰিকাৰ হত্যাকাণ্ডৰ আজি ২০ দিন উকলি যোৱাৰ পাছতো পলাতক দুই অভিযুক্তক জালত পেলাবলৈ সক্ষম নহ'ল মহানগৰ আৰক্ষী। তাৰ মাজতে মহিলাগৰাকীক হত্যা কৰি প্ৰায় ১০ লাখ টকা লুটি ১৩ পৃষ্ঠাত চাওক

পৌৰ নিৰ্বাচন ঃ নগৰৰ দুখীয়াক চৰকাৰী ঘৰ প্ৰদানৰ পুনৰ আশ্বাস

## ছবছৰত অসমত ২৫ শতাংশও নিৰ্মাণ নহ'ল পিএমএৱাই (নগৰ)ৰ গৃহ

■ মাৰ্চত শেষ হ'ব সময়সীমা ■ এটাও ঘৰ নিৰ্মাণ নহ'ল গোলকগঞ্জ-জাগীৰোড বৈঠালাংছ'-লাংহিনত ■ মাত্ৰ এটাহে ঘৰ সম্পূৰ্ণ ডুমডুমাত

স্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজে তদাৰক কৰা কেন্দ্ৰীয় চৰকাৰৰ এখন ধ্বজাবাহী আঁচনি— প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)। ২০২২ৰ মাৰ্চৰ ভিতৰত দেশৰ নগৰ অঞ্চলৰ কোনো লোক যাতে গৃহহীন হৈ থাকিব নালাগে সেই লক্ষ্যৰে বিগত ২০১৪ৰ জুনত আঁচনিখনৰ ৰূপায়ণ আৰম্ভ হৈছিল। সেই সময়সীমা স্পৰ্শ কৰিবলৈ মাজত এমাহহে আছে। অসমত এই আঁচনিখন অতি শামুকীয়া গতিত ৰূপায়ণ হোৱাই নহয়, চাৰিখন নগৰত আজিলৈকে এটা ঘৰো সম্পূৰ্ণ নহ'ল। নগৰকেইখন হ'ল গোলকগঞ্জ, জাগীৰোড, বৈঠালাংছ আৰু লাংহিন। এই তথ্যৰে একপ্ৰকাৰ অভিলেখ গঢ়া অসমত মাত্ৰ এটা ঘৰৰ নিৰ্মাণ ১০ পৃষ্ঠাত চাওক



ৰুছ আক্ৰমণত ধ্বংসপ্ৰাপ্ত হোৱা এটি গৃহ, ইউক্ৰেইনৰ খাৰখিভত শুকুৰবাৰে।



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৫° |
| ডিব্ৰুগড় | ২৪° | ১৩° |
| দিল্লী | ২৭° | ১৪° |
| কলকাতা | ২৮° | ১৯° |
| মুম্বাই | ৩৩° | ২৩° |
| চেন্নাই | ৩১° | ২৩° |
| বাংগালুৰু | ৩০° | ১৪° |
| শ্বিলং | ১৭° | ০৯° |

২৫ জানুৱাৰী, ২০২২

■ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল অধিৱেশন আৰম্ভ ঃ ভক্তপ্ৰাণ ৰাইজৰ সোঁত সমন্বয় ক্ষেত্ৰলৈ

## প্ৰথমদিনাই স্মৃতিগ্ৰন্থসহ ২০খন গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা
**নাহৰকটীয়া/নামৰূপ/টিংখাং, ২৫ ফেব্ৰুৱাৰী ঃ** আৰম্ভ হ'ল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক মূল অধিৱেশন। চাহ আৰু খাৰুৱা তেলৰ বাবে খ্যাত নাহৰকটীয়া নগৰৰ সমীপৱৰ্তী ৰাঙলীপথাৰ-কলিয়াপানী অঞ্চলত বাগ্মীবৰ নীলমণি ফুকন ক্ষেত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা অধিৱেশনৰ প্ৰথমদিনাই ভক্তপ্ৰাণ আৰু দৰ্শনাৰ্থীৰে লোকে লোকাৰণ্য হৈ পৰে অধিৱেশনস্থলী। আদৰণি সমিতিৰ কাৰ্যকৰী সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক তৰংগ গগৈয়ে অধিৱেশনস্থলীৰ মূল তোৰণ উন্মোচন কৰাৰ পূৰ্বে ৰূপায়ণ হয় পৰিৱেশ নিকাকৰণৰ লগতে প্ৰাতঃপ্ৰসংগৰ কাৰ্যসূচী। পুৱাৰ আন এক মনোৰম কাৰ্যসূচী আছিল ৯১ সংখ্যক অধিৱেশন ১০ পৃষ্ঠাত চাওক



■ জনসমুদ্ৰত পৰিণত জুৰীয়া ■ জুম্মাৰ নামাজৰ নামত প্ৰতাৰণা অখ্যাত ধৰ্মীয় সংগঠনৰ ■ ক্ষুব্ধ ৰাইজে লণ্ডভণ্ড কৰিলে মঞ্চ-আচবাব

পৰিস্থিতি বিষম দেখি বিধায়ক হুদাসহ আয়োজক গোষ্ঠীৰ পলায়ন

## পবিত্ৰ মদিনাৰ ইমাম নাহিল, নামাজ পঢ়িবলৈ আহি প্ৰতাৰিত দুই লক্ষাধিক

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নগাঁও/জুৰীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়াত আজি বিশ্ব শান্তিৰ বাবে আয়োজন কৰা শুকুৰবৰীয়া জুম্মাৰ নামাজক লৈ এটা অখ্যাত ধৰ্মীয় সংগঠনে কৰা প্ৰতাৰণাই লংকাকাণ্ডৰ সৃষ্টি কৰে। একাংশ ক্ষুব্ধ লোকে এফালৰ পৰা মণ্ডপৰ লগতে চকী, মেজ, লাইট, শব্দযন্ত্ৰ আদি ভাঙি লণ্ডভণ্ড কৰে। জুৰীয়াৰ বগৰীগুৰি উচ্চতৰ মাধ্যমিক ১০ পৃষ্ঠাত চাওক



## চেঙা তেল






এইবোৰ নাটকৰ অংকহে! প্ৰথমটো অংকত যি দেখিবা, পাছৰটোত তাৰ আকৌ ওলোটাটো!

ইউক্ৰেইনত আবদ্ধ অসমৰ শ শ ছাত্ৰ-ছাত্ৰী ঃ সুৰক্ষিতভাৱে ঘূৰাই আনিবলৈ কেন্দ্ৰক আহ্বান

## সমীপত বোমা বিস্ফোৰণ, বাংকাৰত কটাইছে নিশা

স্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/নগাঁও/ডিগবৈ/লাহদৈগড়/দেৰগাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** সুদূৰ হ'লেও ইউক্ৰেইনত চিকিৎসা বিজ্ঞানক মুখ্য কৰি বিভিন্ন পাঠ্যক্ৰম অধ্যয়ন কৰি থকা অসমৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল প্ৰায় তিনি হেজাৰ। দেশখনৰ ওপৰত

ৰাছিয়াই চলোৱা আক্ৰমণৰ ফলত নামমাত্ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীহে উভতি আহিবলৈ সক্ষম হৈছে। তাৰ বিপৰীতে আবদ্ধ হৈ পৰিছে শ শ ছাত্ৰ-ছাত্ৰী। উভতি আহিবলৈ সক্ষম হোৱাসকল সেয়েহে এতিয়াও আবদ্ধ হৈ থকাসকলক লৈ গভীৰভাৱে উদ্বিগ্ন। একেদৰে উদ্বিগ্নতাত ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৪ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৬ ফেব্ৰুৱাৰী ২০২২

## স্বচ্ছতাৰ চমক

অসমৰ প্ৰতিখন চহৰকে আৱৰ্জনামুক্ত কৰি তুলিবলৈ বিজেপিয়ে পৌৰ প্ৰশাসনৰ জৰিয়তে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি পৌৰ নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছে। ৰাজ্যত পৌৰ নিৰ্বাচন উপলক্ষে বিজেপিয়ে এইদৰে দলৰ সংকল্পপত্ৰত উল্লেখ কৰি কৈছে যে ৰাজ্যৰ প্ৰতিখন চহৰক আৱৰ্জনামুক্ত কৰিবলৈ দৈনিক জমা হোৱা আৱৰ্জনা নিষ্কাসনৰ ব্যৱস্থা কৰা হ'ব, যাতে সকলো চহৰ-নগৰ নিকা হৈ থাকে। পৌৰ নিৰ্বাচনত বিজেপিয়ে এনে প্ৰতিশ্ৰুতি দিয়াটো আদৰণীয়, কিন্তু বাস্তৱত পৌৰ প্ৰশাসন দখলৰ পাছত এই দিশত কেনে পদক্ষেপ গ্ৰহণ কৰে, সেয়াহে লক্ষ্যণীয় হ'ব। গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰায় প্ৰতিখন চহৰ-নগৰৰে অন্যতম এটি সমস্যা হৈছে বৰ্ধিত আৱৰ্জনা আৰু প্ৰদূষণ। প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰৰ লগে লগে আৱৰ্জনাৰ সমস্যাটোৱে অতি গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ক্ষেত্ৰত গুৱাহাটীৰ কথাকে ক'ব পাৰি। গুৱাহাটীত আৱৰ্জনাৰ এই সমস্যাটো কিমান ভয়াৱহ, সেয়া প্ৰতিজন মহানগৰবাসীয়ে অনুভৱ কৰি আহিছে। পৌৰ প্ৰশাসনে কিন্তু আজিলৈকে গুৱাহাটীক আৱৰ্জনামুক্ত নিকা চহৰত পৰিণত কৰিবলৈ সফল নহ'ল। এইটো নহয় যে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীক আৱৰ্জনামুক্ত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা নাই। সময়ে সময়ে নিগমে নানা নিয়ম-নীতি তথা ব্যৱস্থা প্ৰৱৰ্তনৰে আৱৰ্জনাৰ কৱলৰ পৰা মহানগৰখনক মুক্ত কৰাবলৈ উদ্যোগ গ্ৰহণ কৰিছে ঠিকেই, কিন্তু আজিও প্ৰকৃতাৰ্থত গুৱাহাটী এখন নিকা-পৰিচ্ছন্ন চহৰ হিচাপে স্বীকৃত হ'ব নোৱাৰিলে।

দৰাচলতে এখন চহৰ-নগৰ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ হ'লে প্ৰথমে পৌৰ প্ৰশাসন সক্ৰিয়-কঠোৰ হ'ব লাগিব আৰু একে সময়তে বাসিন্দাসকলো পৰিচ্ছন্নতাৰ সন্দৰ্ভত সজাগ তথা আগ্ৰহী হ'ব লাগিব। আমাৰ ৰাজ্যত এই দুয়োটাৰে অভাৱ প্ৰত্যক্ষ হৈ আহিছে। যিদৰে পৌৰ প্ৰশাসনে এই ক্ষেত্ৰত গা এৰা মনোভাৱ প্ৰদৰ্শন কৰি আহিছে, একেদৰে চহৰ-নগৰৰ বাসিন্দাসকলেও আৱৰ্জনা আৰু অপৰিচ্ছন্নতাক আওকান কৰি আহিছে। গুৱাহাটীক নিকা-পৰিচ্ছন্ন কৰিবলৈ পৌৰ নিগমে ৰাজহুৱা স্থান, ৰাজপথৰ দাঁতিত আৱৰ্জনা পেলোৱা নিষিদ্ধ কৰি ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহৰ ব্যৱস্থা কৰিছিল; কিন্তু এতিয়া এই ব্যৱস্থাৰ কি হ'ল? মহানগৰীৰ প্ৰায়বোৰ অঞ্চলতে এতিয়া ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহৰ এই আঁচনি ভেঁকোভাওনাত পৰিণত হ'ল। কোনো অঞ্চলত আৱৰ্জনা সংগ্ৰহ কৰা হ'লেও সেয়া নিয়মীয়া নহয়। ফলত পথৰ কাষৰ পৰা ডাষ্টবিন আঁতৰাই নিলেও তেনেবোৰ স্থানতে আৱৰ্জনা পেলাবলৈ গুৱাহাটীবাসী বাধ্য হৈছে। বহু অঞ্চলত এইটোও প্ৰত্যক্ষ হৈ আহিছে যে ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহ কৰা নিগমৰ বাহনে পূৰ্বৰ ডাষ্টবিন ৰখা স্থানতে পথৰ ওপৰতে আৱৰ্জনাবোৰ দ'মাই থয়। এইদৰেই গুৱাহাটীখন আৱৰ্জনাৰে কদৰ্য হৈ আছে। অৱশ্যে গুৱাহাটীক এইদৰে আৱৰ্জনাৰে ভৰাই তোলাত একাংশ মহানগৰবাসীও জগৰীয়া। অসচেতন নাগৰিকে য'তে-ত'তে প্লাষ্টিকৰ পেকেট, বটল, অন্য আৱৰ্জনা, থুই-পিক্ পেলোৱা গুৱাহাটীক কদৰ্যময় কৰি তুলিছে। একোখন চহৰৰ বাসিন্দাসকল যদি স্বচ্ছতা তথা পৰিচ্ছন্নতা ৰখাৰ প্ৰতি সচেতন আৰু আগ্ৰহী নহয়, তেন্তে সেই চহৰক নিকা-সুন্দৰ কৰি তোলা পৌৰ প্ৰশাসনৰ বাবে কম প্ৰত্যাহ্বানমূলক নহ'ব। গুৱাহাটীৰ ক্ষেত্ৰতো আজি এই সমস্যাটোৱে হৈছে।

চৰকাৰ তথা প্ৰশাসনে সময়ে সময়ে এনেবোৰ সমস্যাৰ সমাধানত গুৰুত্ব দি সক্ৰিয়তা প্ৰদৰ্শন কৰে, কিন্তু অসুবিধাটো হ'ল প্ৰশাসনে ধাৰাবাহিকতা ৰক্ষা নকৰে। দুদিনমান ব্যৱস্থা গ্ৰহণ কৰিয়ে পুনৰ মূৰ পোলোকা দিয়াৰ ফলত গুৱাহাটীখন জাকত-জিলিকা কৰাটো বাস্তৱত সম্ভৱ হৈ উঠে। মাত্ৰ এবছৰমান পূৰ্বে গুৱাহাটীত অত্যাধুনিক ৰূপত কে'বাখনো 'ফুট ব্ৰীজ'ৰ নিৰ্মাণ কৰা হৈছিল; কিন্তু এতিয়া প্ৰয়োজনীয় চোৱাচিতাৰ অভাৱত 'ফুটব্ৰীজ' অৱস্থা প্ৰায় অচল হৈছে। গণেশগুৰিত থকা 'ফুট-ব্ৰীজ'খন বহুদিন ধৰি বিকল হৈ আছে আৰু পৰিষ্কাৰ নকৰাৰ ফলত ধূলিৰে কদৰ্য হৈছে যদিও প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাই। সাধাৰণ 'ফুট- ব্ৰীজকেইখনকে সচল-পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰিলে সমগ্ৰ গুৱাহাটীক স্বচ্ছ চহৰত প্ৰশাসনে পৰিণত কৰিব কেনেকৈ? ৰাষ্ট্ৰপতিৰ ভ্ৰমণ উপলক্ষে গুৱাহাটীৰ বাট-পথ ৰং কৰি নানাৰঙী আলোকৰে সজ্জিত কৰি তোলা হৈছে, কিন্তু প্ৰশ্ন হ'ল কেৱল দেশৰ শীৰ্ষ পদবীধাৰীৰ আগমনতহে চহৰখন চাফা কৰা হয় কিয়? পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ এনে পদক্ষেপৰ ধাৰাবাহিকতা কিয় আমাৰ পৌৰ প্ৰশাসনে ৰক্ষা কৰিব নোৱাৰে? পৌৰ নিৰ্বাচনত ৰাজ্যৰ চহৰক আৱৰ্জনামুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পৰিৱৰ্তে প্ৰশাসনে এই দিশত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেহে আমাৰ চহৰ-নগৰসমূহ স্বচ্ছ-নিকা হৈ উঠিব। অন্যথা স্বচ্ছতা আমাৰ ৰাজ্যত এক চমক হৈয়ে ৰ'ব।

### খোলা মঞ্চ

## সীমা সমস্যাৰ বাবে কেৱল অসমেই দায়ীনে?



**দীপ্তি ঠাকুৰ গোস্বামী,** *লেখিকা*

**সীমান্ত** বিবাদৰ সঁচা চিত্ৰখনে যেতিয়া দোলা দিয়ে, তেতিয়া অসমৰ নিৰীহ সীমামূৰীয়া গাঁওবাসীক সীমা লৈ অত্যাচাৰ কৰা দুৰ্দশাৰ বাতৰিয়ে আমাৰ হৃদয় স্পৰ্শ কৰে। বৰ অসমখন যেতিয়া সাত ভনীত বিভক্ত হোৱাৰ ফলতে যি সীমা সমস্যা সৃষ্টি হ'ল, সেয়া হয়তো ৰাজ্যবোৰ ভাগ হওঁতেই কিছু আঁসোৱাহ থাকি গ'ল; যাৰ ফলত সময়ে সময়ে এই বিবাদবোৰে মূৰ দাঙি সীমাক লৈ বিবাদৰ সৃষ্টি হয়। নিজৰ নিজৰ জাতি-জনগোষ্ঠীৰ লোকসকল একত্ৰিত হৈ থকাৰ মানসিকতাৰ ফলত এখন ৰাজ্যৰ সৃষ্টি হ'লেও আমি যদি অতীতলৈ ঘূৰি যাওঁ তেতিয়া ১৮৭১ লৈকে অসমৰ দাঁতি কাষৰীয়া পাৰ্বত্য অঞ্চলবোৰৰ লগত যাতায়াতৰ কোনো বাধা-নিষেধ নাছিল। ব্ৰিটিছ চৰকাৰে পৰ্বত-ভৈয়ামৰ মাজত ১৮৭৩ত 'ইনাৰ লাইন ৰেগুলেছন' নামৰ এক ব্যৱস্থাৰ যোগেদি পাৰ্বত্য অঞ্চলত প্ৰৱেশ নিষেধ কৰিছিল। তেওঁলোকে সীমান্ত নিৰাপত্তাৰ কাৰণেই এই ব্যৱস্থা অৱলম্বন কৰিছিল। তদুপৰি বিশ্বৰ প্ৰায়বোৰ দেশতেই কম-বেছি পৰিমাণে সীমা সমস্যা আছে। সীমাবোৰ সাধাৰণতে দুখন দেশৰ মাজত পৰ্বত, পাহাৰ, নদী, সাগৰ, মহাসাগৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। কিছুমান দেশে সেই সীমা অতিক্ৰম কৰি বিবাদৰ সৃষ্টি কৰে।

অসমৰ ওচৰ চুবুৰীয়া বাংলাদেশ বা চীনৰ সীমা সমস্যাই আমাৰ দেশত প্ৰায়েই অশান্তিৰ সৃষ্টি কৰা দেখা যায়। ভাৰত-বাংলাদেশ সীমান্তত কাঁটা তাঁৰৰ বেৰা থাকিলেও অবৈধভাৱে বাংলাদেশৰ নাগৰিকসকলে সীমা পাৰ হৈ আহি অসমত প্ৰৱেশ কৰি অসমৰ স্থায়ী বাসিন্দাসকলৰ মাজত অশান্তিৰ সৃষ্টি কৰে। অবৈধ বাংলাদেশী নাগৰিকসকল যাতে সীমা পাৰ হৈ অসমত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ কাৰণে সীমান্তৰ পৰাই তেওঁলোকক ঘূৰাই পঠাব লাগিব। সীমা সমস্যা দূৰ কৰিবলৈ হ'লে দুয়োখন ৰাজ্য বা দেশৰ মাজত মন্ত্ৰীসকলে আলোচনা কৰি এটা শৃংখলপূৰ্ণ মীমাংসাত উপনীত হ'ব পাৰিলে দুয়োখন ৰাজ্য বা দেশৰ মাজত শান্তিয়ে বিৰাজ কৰিব। সীমা সমস্যাৰ বাবে অকল অসমকেই দোষ দিব নোৱাৰি।

অসম চৰকাৰে যথেষ্ট যোগাত্মক দিশেৰে কামবোৰ কৰি উন্নতিৰ দিশেৰে আগবাঢ়ি যোৱাটো পৰিলক্ষিত হৈছে। আশা কৰো আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ সীমা সমস্যা হস্তক্ষেপ কৰি শান্তিৰ বাতাবৰণ সৃষ্টি কৰিব আৰু সীমান্তৱৰ্তী গাঁৱৰ লোকসকলেও এই ক্ষেত্ৰত সহযোগ কৰিব।

*ফোন: ৮৩৫৬০৭৯৪৪২*

### সত্যোত্তৰ যুগৰ এচেৰেঙা পোহৰত বিশ্ব-ৰাজনীতি

# কানাডাৰ হিন্দুবিদ্বেষ আৰু অন্যান্য

**অৱলোকন**

**ড° জয়কান্ত শৰ্মা**





**এক**

অৱশেষত কানাডা চৰকাৰে 'বাধ্যতামূলক টিকাকৰণ আইন'ৰ বিৰুদ্ধে আন্দোলনৰত ট্ৰাকচালকসকলক দমন কৰিবলৈ জৰুৰীকালীন শাসন বলবৎ কৰিবলগীয়াত পৰিল। উল্লেখযোগ্য যে এয়া কানাডাৰ ইতিহাসত দ্বিতীয়বাৰৰ জৰুৰী শাসন; প্ৰথমবাৰৰ জৰুৰী শাসন প্ৰৱৰ্তিত হৈছিল বৰ্তমানৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৰ পিতৃৰ শাসনকালত। পিছে জাষ্টিন ট্ৰুডোৰ বাবে জৰুৰী শাসনৰ কোনো বিকল্পও নাছিল। নৈৰাজ্যবাদী ট্ৰাক চালকসকলে অটোৱাৰ 'কেপিটেল হিল' দিনৰ পাছত দিন অৱৰোধ কৰি ৰখাৰ পৰিপ্ৰেক্ষিতত খোদ প্ৰধানমন্ত্ৰী গৰাকীয়েই বাসভৱনৰ পৰা পলাই গৈ গোপন স্থানত আশ্ৰয় ল'বলগীয়াত পৰিছিল। আনহাতে, চাৰিসপ্তাহতকৈও অধিক কাল ধৰি 'Freedom Convoy' (মুক্তি বাহিনী) নামৰ উক্ত আন্দোলনটোৱে চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থাটো সম্পূৰ্ণৰূপে ভাঙি পেলাইছিল। এতেকে কানাডাৰ ইতিহাসত সৰ্ববৃহৎ আৰক্ষী সঞ্চালনৰ অভিলেখ ৰচি চৰকাৰে ৰাজধানীখন অৱৰোধমুক্ত কৰাৰ সিদ্ধান্ত ল'লে। পৰিহাসৰ কথা এয়ে যে 'বালীলৈ যিপাট, সুগ্ৰীৱলৈও সিপাট' আপ্তবাক্যফাকি জাষ্টিন ট্ৰুডোৰ ক্ষেত্ৰত আখৰে আখৰে ফলিয়ালে। ভাৰতত ৰাজধানী চহৰ চৌদিশৰ পৰা অৱৰোধ কৰি ৰখা নৈৰাজ্যবাদী কৃষক আন্দোলনক তেওঁ গণতান্ত্ৰিক অধিকাৰ বুলি কৈছিল; আনকি একাংশ আন্দোলনৰত কৃষকে দুৰ্বৃত্তৰ ৰূপ ধৰি গণতন্ত্ৰ দিৱসৰ দিনা দিল্লীৰ ৰাজপথত আৰু লালকিল্লাত চলোৱা সন্ত্ৰাসমূলক কাণ্ড-কাৰখানাবোৰো আছিল তেওঁৰ মতে কৃষকৰ ন্যায্য অধিকাৰ। লক্ষ্যণীয় যে বিশ্ব বাণিজ্য সংস্থাৰ সভাত ভাৰতৰ কৃষকক শস্যৰ ন্যূনতম সমৰ্থনমূল্য প্ৰদান নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাইছিল জাষ্টিন ট্ৰুডোৱে; কিন্তু ভাৰতৰ নৈৰাজ্যবাদী কৃষকসকলে ন্যূনতম সমৰ্থন মূল্য নীতিক সাংবিধানিক অধিকাৰৰূপে স্বীকৃতি দিবলৈ জনোৱা দাবীলৈ তেওঁ সমৰ্থন দিছিল।

এনে দুমুখীয়া নীতিৰ পৰিণাম ভোগ কৰিবলগীয়াত পৰিল জাষ্টিন ট্ৰুডো। দিল্লীৰ একাংশ নৈৰাজ্যবাদী কৃষকে খালিস্তানী শিখৰ সহযোগিতা গ্ৰহণ কৰিছিল; একেদৰে কানাডাৰ 'ফ্ৰিডম কনভয়'ত ট্ৰাকচালকে ব্যৱহাৰ কৰিছিল স্বৈৰাচাৰী নাজীবাদৰ প্ৰতীকস্বৰূপ তাহানিৰ হিটলাৰে গ্ৰহণ কৰা জাৰ্মানীৰ পতাকাখন। পিছে তাকে লৈ সৃষ্টি হৈছে তুমুল বিতৰ্কৰ। কানাডাৰ সংসদত হিন্দুৰ পৱিত্ৰ প্ৰতীক 'স্বস্তিক' ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰাৰ দাবী উত্থাপিত হ'ল; প্ৰকাৰান্তৰে সেয়া আছিল প্ৰতীকটোক 'ফ্ৰিডম কনভয়'ৰ সন্ত্ৰাসবাদ তথা নৈৰাজ্যবাদক হিন্দুত্বৰ স'তে সংযুক্ত কৰাৰ ষড়যন্ত্ৰ। তাকে লৈ কানাডাত ঠায়ে ঠায়ে হিন্দুবিদ্বেষ গঢ়ি উঠাটো মনকৰিবলগীয়া। ভালেমান হিন্দু মন্দিৰত লুটপাট চলোৱা হৈছে, একাধিক মন্দিৰ বিনষ্ট হৈছে; কিন্তু ট্ৰুডো নিৰ্বিকাৰ।

পিছে 'ফ্ৰিডম কনভয়'ৰ পতাকাত যিটো প্ৰতীক ব্যৱহাৰ কৰা হৈছিল, সেইটো 'স্বস্তিক' নাছিল; ১৯৩৩ ত এডলফ্ হিটলাৰে গ্ৰহণ কৰা জাৰ্মানীৰ ৰাষ্ট্ৰীয় পতাকাখনত ব্যৱহৃত 'HAKEN KREUZ' নামৰ প্ৰতীকহে আছিল। আপাতদৃষ্টিত দুয়োটাৰ মাজত কিছু সাদৃশ্য থাকিলেও দুয়োটাৰ জ্যামিতিক প্ৰকৃতি বেলেগ বেলেগ। অথচ আগ-পিছ নুগুণি কানাডাৰ সংসদত নৈৰাজ্যবাদী আন্দোলনটোক হিন্দুৰ 'স্বস্তিক'ৰ স'তে সাঙুৰি দিয়াত দেশখনত হিন্দু-বিদ্বেষে গা কৰি উঠিল।

হওঁতে এনেয়েও কানাডাত খালিস্তানী সংগঠনৰ আৰু ইছলামীয় সন্ত্ৰাসবাদৰ প্ৰভাৱ দিনক দিনে বৃদ্ধি পাব লাগিছে; সময়ত তাৰ পৰিণাম দেশখনে নিশ্চয় ভোগ কৰিব। জাষ্টিন ট্ৰুডোৱেও নুবুজা নহয়, বিশ্বৰ ক'তোৱেই হিন্দু বিদ্বেষ নাই; নৈৰাজ্যবাদী 'ফ্ৰিডম কনভয়'ৰ স'তেও হিন্দুত্বৰ সম্বন্ধ নাই। তথাপি তেওঁ সংসদত 'HAKEN KREUZ' আৰু স্বস্তিক সম্পৰ্কে স্পষ্টীকৰণ দিয়াৰ পৰা বিৰত থাকিল। অৱশ্যে গুলি-লাঠি-দাণ্ডা লগাই 'Freedom Convoy' নিশ্চিহ্ন কৰিবলৈ সক্ষম হৈছে। পিছে তাতেই আছে ভাৰতীয় গণতন্ত্ৰৰ স'তে পাৰ্থক্যও। প্ৰধানমন্ত্ৰী মোদীয়ে নৈৰাজ্যবাদী কৃষক আন্দোলনটো গণতান্ত্ৰিক পদ্ধতিৰে সমাধানৰ পথ বিচাৰিলে। তাৰ বিপৰীতে গণতন্ত্ৰৰ স্বয়ম্ভূ অভিভাৱক জাষ্টিন ট্ৰুডোৱে স্বৈৰাচাৰী মানসিকতা উদঙাই দি সাব্যস্ত কৰিলে, 'হাতীৰ ধুনীয়া দাঁত দুটা দেখুৱাবলৈহে; চোবাবলৈ বেলেগ দাঁত আছে।'

**দুই**

অবিশ্বাস্য যেন লাগিলেও সঁচা যে পৰাধীন ভাৰতৰ অন্তিম ভাইচৰয় তথা স্বাধীন ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল লুই মাউণ্টবেটেন আৰু তেওঁৰ পত্নী এডুইনাৰ ডায়েৰীৰ কিয়দংশ অত্যন্ত গোপনীয় বুলি সংৰক্ষণ কৰি থৈছে ব্ৰিটিছ চৰকাৰে। তাকে লৈ আদালতত এটা গোচৰ চলি আছে আৰু ব্ৰিটিছ চৰকাৰে গোপনীয়তাৰ সমৰ্থনত এইবুলি যুক্তি দিছে যে মাউণ্টবেটেন দম্পতীৰ ১৯৪৬-১৯৪৮ৰ কালছোৱাৰ ডায়েৰী প্ৰকাশ পালে কে'বাখনো বন্ধু ৰাষ্ট্ৰৰ স'তে ব্ৰিটেইনৰ সম্পৰ্কৰ অৱনতি ঘটিব। অৱশ্যে আদালতে এতিয়াও চৰকাৰৰ যুক্তি মানি লোৱা নাই। প্ৰশ্ন উঠিছে, ৭৫ বছৰ পাৰ হোৱাৰ পাছতো কেতবোৰ নথি-পত্ৰ গোপনীয়কৈ ৰখাৰ যুক্তি ক'ত? লক্ষ্যণীয় যে ভাৰতৰ সাম্প্ৰদায়িক বিভাজন ঘটিছিল আৰু নেহৰুৱে প্ৰধানমন্ত্ৰিত্ব লাভ কৰিছিল মাউণ্টবেটেনৰ কাৰ্যকালতে। এতেকে লুই মাউণ্টবেটেন আৰু এডুইনাৰ স'তে নেহৰুৰ সু-সম্পৰ্কৰ জৰিয়তে কেতবোৰ অভিসন্ধিমূলক কাৰ্যকলাপ সিদ্ধি কৰা হৈছিল নেকি, যিবোৰে ভাৰতৰ আভ্যন্তৰীণ তথা বিদেশ নীতিৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছিল?

অৱশ্যে ডায়েৰী আৰু চিঠি-পত্ৰ প্ৰকাশ নাপালেও বিভিন্ন মাধ্যমত কেতবোৰ নিৰ্ভৰযোগ্য তথ্য প্ৰকাশ নোপোৱাকৈ থকা নাই। তাৰে ভিতৰত কেইটামান বেচ গুৰুত্বপূৰ্ণ। যেনে: (১) গৌৰীশংকৰ ভট্টাচাৰ্যৰ আত্মজীৱনী 'সবিনয় নিবেদন'ত উল্লেখ আছে যে নেহৰু ছিংগাপুৰলৈ অৱসৰ বিনোদনৰ বাবে যাওঁতে মাউণ্টবেটেন দম্পতীৰ আলহী হৈছিল আৰু তেতিয়াই এডুইনাৰ স'তে নেহৰুৰ সু-সম্পৰ্ক গঢ়ি উঠিছিল। ছিংগাপুৰত নেতাজীৰ প্ৰতিমূৰ্তি এটাৰ আধাৰশিলা স্থাপন অনুষ্ঠানলৈ নেহৰু নগ'ল মাউণ্টবেটেন দম্পতীৰ হকা-বধাৰ বাবে। নেহৰুক বুজনি দিছিল— এজন ভাবী প্ৰধানমন্ত্ৰীয়ে বিদ্ৰোহী নেতাৰ প্ৰতিমূৰ্তি স্থাপনত অংশীদাৰ হোৱাটো শোভা নাপায়।

**৭৫ বছৰ পাৰ হোৱাৰ পাছতো কেতবোৰ নথি-পত্ৰ গোপনীয়কৈ ৰখাৰ যুক্তি ক'ত? লক্ষ্যণীয় যে ভাৰতৰ সাম্প্ৰদায়িক বিভাজন ঘটিছিল আৰু নেহৰুৱে প্ৰধানমন্ত্ৰিত্ব লাভ কৰিছিল মাউণ্টবেটেনৰ কাৰ্যকালতে। এতেকে লুই মাউণ্টবেটেন আৰু এডুইনাৰ স'তে নেহৰুৰ সু-সম্পৰ্কৰ জৰিয়তে কেতবোৰ অভিসন্ধিমূলক কাৰ্যকলাপ সিদ্ধি কৰা হৈছিল নেকি, যিবোৰে ভাৰতৰ আভ্যন্তৰীণ তথা বিদেশ নীতিৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছিল।**

(২) 'The Freedom At Midnight' গ্ৰন্থত উল্লেখ আছে— নেহৰুৰ ঘনিষ্ঠ বন্ধু কৃষ্ণ মেননে ছাৰ ক্ৰীপছৰ জৰিয়তে প্ৰধানমন্ত্ৰী এটলীৰ কাণ চোৱাইছিল যে ভাৰতক স্বাধীনতা প্ৰদানৰ প্ৰস্তাৱটো কাৰ্যকৰী কৰিবলৈ হ'লে লৰ্ড মাউণ্টবেটেনক ভাইচৰয় ৰূপে নিযুক্তি দিব লাগিব। তদানীন্তন ভাইচৰয় ওৱাভেলক নজনোৱাকৈয়ে এটলী চৰকাৰে এই পৰামৰ্শ মানি লৈছিল। অৰ্থাৎ ভাৰতৰ সাম্প্ৰদায়িক বিভাজন আৰু নেহৰুৰ প্ৰধানমন্ত্ৰিত্ব, দুয়োটাই পূৰ্ব নিৰ্ধাৰিত হৈ আছিল নেকি? আনকি সেই জটিল সন্ধিক্ষণত মহাত্মা গান্ধীও অসহায় হৈ পৰিছিল। তাৰ আঁৰতো মাউণ্টবেটেন দম্পতীয়ে মুখ্য ভূমিকা লৈছিল নেকি?

অৱশ্যে দুটা দশক পূৰ্বেই কেতবোৰ প্ৰশ্নৰ উত্তৰ স্পষ্ট কৰি দিছিল মাউণ্টবেটেনৰ দুহিতা পামেলাই। ভাৰত ভ্ৰমণ কালত দিয়া এটা সাক্ষাৎকাৰত তেওঁ স্বীকাৰ কৰিছিল যে নেহৰুৰ স'তে তেওঁৰ মাতৃৰ গভীৰ প্ৰেমৰ সম্বন্ধ আছিল আৰু তেওঁ সততে প্ৰধানমন্ত্ৰী গৰাকীক পৰামৰ্শও দিছিল; আনকি কাশ্মীৰৰ সমস্যাটো ৰাষ্ট্ৰসংঘৰ মজিয়াত উত্থাপন কৰিবলৈ নেহৰুক সন্মত কৰোৱাইছিল মাতৃ এডুইনাহে। CNN-IBN ত প্ৰচাৰিত সাক্ষাৎকাৰটো 'The Hindu' কাকততো সবিস্তাৰে প্ৰকাশ পাইছিল। এতিয়া অনুমান কৰা হৈছে উল্লিখিত গোপনীয় ডায়েৰীত অধিক গুৰুত্বপূৰ্ণ ৰাজনৈতিক ঘটনাৰ সূত্ৰ নিহিত থাকিব পাৰে। নহ'লে ডায়েৰীখনৰ পৃষ্ঠা কেইখনমানৰ গোপনীয়তা ৰক্ষা কৰিবলৈ ব্ৰিটিছ চৰকাৰে আদালতত কে'বা নিযুত পাউণ্ড এনেয়ে ব্যয় কৰিছেনে?

**তিনি**

সাধাৰণতে এখন দেশৰ সদনত আন দেশৰ সংসদীয় ব্যৱস্থা সন্দৰ্ভত কটু মন্তব্য দিয়া নহয়; গণতন্ত্ৰত সেই অধিকাৰ আছে মাথোন সংশ্লিষ্ট দেশখনৰ জনগণৰ। পিছে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লিচি লুঙে সদনত নেহৰুৰ গণতান্ত্ৰিক প্ৰমূল্যৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে আজিৰ বিশ্বক মোদীৰ লেখীয়া নেতাৰ প্ৰয়োজন নাই বুলিও ক'লে। তেওঁ কৈছে—

আজি ভাৰতৰ অধিকাংশ সাংসদৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে, যদিও সেইবোৰৰ বেছিভাগেই ৰাজনৈতিক উদ্দেশ্যত পঞ্জীকৃত। লি চি লুঙে সম্ভৱতঃ নাজানে, ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ প্ৰথমটো বিত্তীয় কেলেংকাৰি সংঘটিত হৈছিল (১৯৪৮) নেহৰুৰ কাৰ্যকালতে; আৰু ৮৪ কোটি টকীয়া জীপ ক্ৰয় কেলেংকাৰিটোত জড়িত আছিল নেহৰুৰ ঘনিষ্ঠ বন্ধু কৃষ্ণমেনন। সংসদীয় সমিতিয়ে এই সন্দৰ্ভত বিতং প্ৰতিবেদন দাখিল কৰা সত্ত্বেও নেহৰু চৰকাৰে কিবা ব্যৱস্থা লোৱাটো দূৰৰে কথা, কৃষ্ণ মেননক প্ৰতিৰক্ষা মন্ত্ৰীৰূপে নিযুক্তহে কৰিছিল। 'উদক ভোটাৰখীয়া পতা' ৰাজনীতিত নেহৰু সিদ্ধহস্ত আছিল। বেচেৰা লি চি লুং। তেওঁৰ ক্ষোভ হ'ল, মোদী চৰকাৰে ছিংগাপুৰ কেন্দ্ৰিক এপ এটা নিষিদ্ধ কৰাৰ ফলত দেশখনে কে'বা বিলিয়ন ডলাৰৰ ক্ষতি স্বীকাৰ কৰিবলগীয়াত পৰিছে।

**(চাৰি)**

অৱশেষত কে'বাবছৰ ধৰি বিশ্ববাসীয়ে আশংকা কৰি থকাৰ দৰেই তৃতীয় বিশ্বযুদ্ধৰ ডংকা বাজিল ইউৰোপত। ইমান দিনে স্বৈৰাচাৰী ভ্লাডিমিৰ পুটিনে 'এডেও দুডেও লোটা নিয়াৰ ছেও' ধৰি চুবুৰীয়া ৰাষ্ট্ৰ ইউক্ৰেইন দখল কৰিবলৈ পাং পাতি আছিল। ২০১৪ত দেশখনৰ এটা অংশ (ক্ৰিমিয়া) দখল কৰি লোৱাৰ পাছত সমগ্ৰ ইউক্ৰেইন হৈ পৰিছিল অসুৰক্ষিত। ইউক্ৰেইনৰ গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰে ৰাছিয়াৰ আগ্ৰাসনৰ পৰা পৰিত্ৰাণ পাবলৈ 'নাটো' শক্তিৰ সদস্যভুক্তি বিচাৰিছিল।

কিন্তু প্ৰক্ৰিয়াটো সম্পন্ন নৌ হওঁতেই যোৱা মঙলবাৰে ইউক্ৰেইনৰ বিদ্ৰোহী সংগঠনৰ নিয়ন্ত্ৰণত থকা দুটা অঞ্চললৈ স্বতন্ত্ৰ ৰাষ্ট্ৰৰ স্বীকৃতি দি পুটিনে ৰাষ্ট্ৰসংঘকে ধৰি গণতান্ত্ৰিক ৰাষ্ট্ৰমণ্ডলীক হতবাক কৰি তুলিছিল। পিছে 'সাৰ্বভৌম গণতান্ত্ৰিক দেশ এখনৰ অখণ্ডতা কোনো অজুহাততে উলংঘন কৰিব পৰা নাযায়;' এই নীতি সোঁৰৰাই দি ৰাছিয়াক সাৱধানবাণী শুনাই থকাৰ মাজতে পুটিনে বিদ্ৰোহী সংগঠনৰ নিয়ন্ত্ৰণত থকা অঞ্চল দুটালৈ (ডোনেট্স্ক আৰু লুহান্স্ক) সুৰক্ষা দিয়াৰ অজুহাতত লক্ষাধিক সৈন্য প্ৰেৰণ কৰিছিল। আকৌ দুদিন পাছতে ৰাছিয়াই নিজৰ উলংগ স্বৰূপ উদঙাই দি আৰম্ভ কৰিলে ইউক্ৰেইনৰ বিৰুদ্ধে পূৰ্ণপৰ্যায়ৰ আক্ৰমণ; যুদ্ধত ব্যৱহাৰ কৰা হৈছে বিধ্বংসী মিছাইল আৰু টেংক।

ভ্লাডিমিৰ পুটিন কোনো ৰাজনীতিজ্ঞ নহয়; তেওঁ আছিল পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ কুখ্যাত চোৰাংচোৱা সংস্থা কে জি বিৰ এজন চালাক বিষয়া। ১৯৯১ত ৰাষ্ট্ৰপতি গৰ্বাচেভে পদত্যাগ কৰাৰ পাছত ছোভিয়েট ৰাছিয়া খণ্ড-বিখণ্ড হৈছিল; তেতিয়াৰে পৰা কাৰ্যতঃ ভ্লাডিমিৰ পুটিনেই ৰাছিয়াৰ হৰ্তা-কৰ্তা-বিধাতা। বিগত তিনিটা দশক ধৰি তেওঁ সকলো গণতান্ত্ৰিক প্ৰমূল্য বিসৰ্জন দি দেশত কমিউনিষ্ট শাসনৰ আখৰা চলাই আছে; পূৰ্বৰ ছোভিয়েট ৰাছিয়া পুনৰ গঠনৰ লক্ষ্যও তেওঁৰ নিশ্চয়কৈ আছে। এতিয়া ৰাছিয়াৰ সমৰ্থনত থিয় দিছে কমিউনিষ্ট চীন। দুয়োখনেই ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ স্থায়ী সদস্য। সম্ভৱতঃ এনে পৰিস্থিতিৰ সুযোগ লৈ চীনেও টাৱাইন দখল কৰি লোৱাৰ পাং পাতিছে।

এনে পৰিস্থিতিত বিশ্বৰ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে কি ব্যৱস্থা লয়, সেইটো এতিয়াও স্পষ্ট হোৱা নাই। হওঁতে আমেৰিকা যুক্তৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া, জাপান, ব্ৰিটেইন আৰু ইউৰোপীয় দেশসমূহে ৰাছিয়া আৰু অধিকৃত অঞ্চল দুটাৰ বিৰুদ্ধে আৰ্থিক প্ৰতিবন্ধকতা আৰোপ কৰিছে; কিন্তু পুটিনে তালৈ কেৰেপ কৰা নাই। এই জটিল সন্ধিক্ষণত এখন ক্ষুদ্ৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ ইউক্ৰেইনৰ সাৰ্বভৌমত্ব ৰক্ষা কৰিবলৈ 'নাটো' বাহিনীয়ে সামৰিক হস্তক্ষেপ কৰিবনে? সেই প্ৰশ্নৰ ওপৰতে নিৰ্ভৰ কৰিছে সম্ভাব্য তৃতীয় বিশ্বযুদ্ধৰ পৰিণতি। হওঁতে ভাৰতে এই জটিল পৰিস্থিতিত উভয় পক্ষৰ মাজত কূটনৈতিক সম্পৰ্কৰ জৰিয়তে সমস্যাৰ সমাধান হোৱাটোকে বিচাৰিছে। পিছে নিঃসন্দেহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উভয় সংকটত পৰিছে; এফালে গণতান্ত্ৰিক শক্তিসমূহৰ স'তে ভাৰতৰ ঘনিষ্ঠতা, আনফালে ৰাছিয়াৰ স'তে আঠ দশকজোৰা বন্ধুত্ব; আকৌ আছে সীমান্তত চীনক প্ৰতিহত কৰাৰ প্ৰত্যাহ্বান। বাস্তৱতে এইটো ভাৰতৰ কূটনৈতিক পৰীক্ষা।

*ফোন: ৯৪৩৫৫-৫৪২০৫*

# ন্যায় ব্যৱস্থা, মানৱ অধিকাৰ আৰু এনকাউণ্টাৰ

**দৃষ্টিপাত**

**ভাস্কৰ ফুকন**





দেশৰ ন্যায় ব্যৱস্থাৰ আঁসোৱাহ আৰু ন্যায় প্ৰদান কৰা পদ্ধতিৰ দীঘলীয়া প্ৰক্ৰিয়াৰ বাবে বহু ক্ষেত্ৰত দেশৰ জনসাধাৰণ প্ৰকৃত ন্যায় প্ৰাপ্তিৰ পৰা বঞ্চিত হোৱা আৰু ভালেমান অসুবিধাৰ সন্মুখীন হোৱাটো যিদৰে সত্য, জনসাধাৰণৰ দ্বাৰা আইন নিজৰ হাতত তুলি লোৱা বা পুলিচৰ দ্বাৰা বা সামৰিক বাহিনীৰ দ্বাৰা আইনৰ গণ্ডীৰ বাহিৰলৈ গৈ অপৰাধী বা অপৰাধী সন্দেহৰ লোকক হত্যা কৰা বা শাৰীৰিক অত্যাচাৰ কৰাটোও দেশৰ জনগণৰ বাবে যে এক অশুভ সংকেতৰ কাৰণ সেই কথাও সত্য। দেশৰ সংবিধানৰ গণ্ডীৰ বাহিৰৰ যি কোনো কাৰ্য বে- আইনী বা অ-সাংবিধানিক।

দেশৰ বিভিন্ন ঠাইত অপৰাধীৰ বিৰুদ্ধে সংঘটিত হোৱা পুলিচৰ বন্দুকৰ পৰা পোনে পোনে চলোৱা গুলিৰ ফলত অপৰাধীৰ মৃত্যুৰ ঘটনাৰ পৰিসংখ্যা বিচাৰিলে উত্তৰ প্ৰদেশত ইয়াৰ সংখ্যা সৰ্বাধিক প্ৰমাণিত হ'ব। যোগী আদিত্য নাথৰ যোৱা পাঁচ বছৰীয়া শাসন কালত মুঠ ১৩৯জন অপৰাধীৰ হত্যাৰ ঘটনা সংঘটিত হোৱা বুলি প্ৰকাশ। উত্তৰ প্ৰদেশৰ এনে ধৰণৰ ঘটনালানি, ২০১৯ৰ অন্ধ্ৰ প্ৰদেশৰ হাইদৰাবাদৰ কাষৰ শামশাবাদ চহৰৰ এগৰাকী মহিলা পশু চিকিৎসকৰ ওপৰত দলবদ্ধ ধৰ্ষণ আৰু হত্যাৰ অপৰাধত জেল খাটি থকা চাৰিজন অপৰাধীক পুলিচে গুলীয়াই হত্যা কৰা ঘটনা, কিছুদিন আগলৈকে অসমত প্ৰতি সপ্তাহে আৰু বৰ্তমান মাজে মাজে ড্ৰাগ বেপাৰী আৰু ড্ৰাগ সৰবৰাহকাৰীৰ বিৰুদ্ধে গুলিচালনাৰ ঘটনাবোৰক সংবাদ মাধ্যমত এনকাউণ্টাৰ আখ্যা দিয়াটো এক দস্তুৰ হৈ পৰিছে। সাধাৰণতে এনকাউণ্টাৰ শব্দটোৰ প্ৰকৃত অৰ্থ পুলিচ সামৰিক বা অৰ্ধ-সামৰিক বাহিনীৰ লগত বে-আইনী অস্ত্ৰ-শস্ত্ৰৰ সহায়ত পুলিচ, সামৰিক বাহিনী বা আন কোনো চৰকাৰী আইন শৃংখলা ৰক্ষা কৰাত সক্ৰিয় লোকৰ লগত সশস্ত্ৰ সংঘৰ্ষ। কিন্তু বৰ্তমান আইন শৃংখলা ৰক্ষাৰ খাতিৰত বিশেষকৈ পুলিচৰ দ্বাৰা এনে কিছুমান অপৰাধীক হত্যা কৰা হয় যি পুলিচ বা চৰকাৰৰ মূৰ কামোৰণিৰ কাৰণ হৈ পৰে আৰু যিবোৰ অপৰাধীক শাস্তি দিয়াত আদালত হয় অক্ষম বা শাস্তি প্ৰদান কৰাত অতি লেহেম তেনে অপৰাধী বা অপৰাধীসকলক পুলিচৰ দ্বাৰা হত্যা কৰি সেই হত্যাকাণ্ডক এনকাউণ্টাৰ বা সশস্ত্ৰ সংঘৰ্ষ বুলি ঘোষণা কৰা হয়। আন এক শ্ৰেণীৰ অপৰাধীও কেতিয়াবা এই এনকাউণ্টাৰৰ বলি হয়। আৰু সেইবোৰ হ'ল দাগী অপৰাধী যি দীঘলীয়া সময়ৰ বাবে শাস্তিৰ পৰা সাৰি থাকে পুলিচৰ আশীৰ্বাদত কিবা কিবি ধৰণৰ অলিখিত বুজা বুজি আৰু লেনদেনৰ জৰিয়তে চৰকাৰ সলনি হোৱাৰ বেলিকা বা এই ধৰণৰ অপৰাধীৰ বিৰুদ্ধে জনমত অতি শক্তিশালী হ'লে এনে ধৰণৰ এনকাউণ্টাৰ কৰা দেখা যায়। ওপৰত উল্লেখ কৰা অন্ধ্ৰ প্ৰদেশৰ দলবদ্ধ ধৰ্ষণৰ চাৰি অভিযুক্তক এনকাউণ্টাৰ কৰা হৈছিল জনমত উলাই কৰিব নোৱাৰি।

১৯৯৩ত মুম্বাইত হোৱা ধাৰাবাহিক বিস্ফোৰণৰ পিছত মহাৰাষ্ট্ৰ পুলিচ বিশেষকৈ মুম্বাই পুলিচ মহানগৰৰ অপৰাধ জগতখনৰ ওপৰত জঁপিয়াই পৰে আৰু কোনো বিচাৰ আদি নোহোৱাকৈয়ে বাচি বাচি অপৰাধীসকলক গুলীয়াই হত্যা কৰিবলৈ ধৰে। এই ধৰণৰ হত্যাক আৰক্ষীয়ে এনকাউণ্টাৰ আখ্যা দিবলৈ ধৰে! বহুত ক্ষেত্ৰত অপৰাধীসকলৰ ফালৰ পৰাও গুলীয়াগুলি নোহোৱাকৈ থকা নাছিল; কিন্তু বেছিভাগ ক্ষেত্ৰত গুলি চলাইছিল কেৱল পুলিচে। এনে ধৰণৰ হত্যাৰ বাবে একাউণ্টাৰ শব্দৰ ব্যৱহাৰ আৰম্ভ হয় মুম্বাই পুলিচৰ চহৰখনৰ অপৰাধী জগতৰ বিৰুদ্ধে চলা এই সশস্ত্ৰ অভিযানৰ পিছৰ পৰা। এনে ধৰণৰ তথাকথিত এনকাউণ্টাৰৰ বাতৰিসমূহ আছিল দেশৰ সংবাদ মাধ্যম আৰু নাগৰিকসকলৰ মাজত এক কৌতুহলৰ উৎস। ১৯৯৩ ৰ পৰা ২০০৩লৈকে চলা এই অভিযানত ১২০০ ৰ অধিক অপৰাধীৰ মৃত্যু ঘটে। থোৰতে ক'বলৈ গ'লে মুম্বাইৰ অপৰাধ জগতৰ বিৰুদ্ধে এই অভিযানৰ পিছৰ পৰাই এনে হত্যা এনকাউণ্টাৰ বুলি জনাজাত হ'বলৈ আৰম্ভ কৰিলে।

ৰাষ্ট্ৰ সন্ত্ৰাসৰ ফলত হোৱা হত্যা দেশখনত কোনো নতুন কথা নহয়। পশ্চিমবংগত নক্সালবাদীসকলৰ বিৰুদ্ধে হোৱা অভিযানৰ (১৯৬৯-১৯৭১) সময়ছোৱাত ৰাজ্যখনত নিৰ্বাচিত চৰকাৰৰ সলনি ৰাজ্যপালৰ শাসন অৰ্থাৎ কেন্দ্ৰৰ শাসন চলিছিল। সেই সময়ৰ প্ৰথম শাৰীৰ কংগ্ৰেছ নেতা আৰু প্ৰসিদ্ধ আইনজীৱী সিদ্ধাৰ্থ শংকৰ ৰায়ে ৰাজ্যপালৰ উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। কলকাতা আৰু পশ্চিমবংগত তেতিয়া নক্সালবাদীৰ দামামা অতি উচ্চ স্বৰে বাজিছিল। কলকাতাৰ প্ৰেছিডেন্সি কলেজ (এতিয়াৰ প্ৰেছিডেন্সি বিশ্ববিদ্যালয়) চাৰু মজুমদাৰ আৰু কানু সান্যালৰ নতুন মতবাদত দীক্ষিতসকলৰ কেন্দ্ৰ বুলি জনাজাত হৈছিল আৰু ৰাজ্যখনৰ অধিক সংখ্যক শিক্ষানুষ্ঠানৰ ওপৰত ইয়াৰ প্ৰভাৱ আছিল স্পষ্ট। ৰাস্তাই-ঘাটে ঘৰত তৈয়াৰ কৰা বোমা আদিৰ বিস্ফোৰণ আৰু পুলিচৰ ওপৰত আক্ৰমণ আদিৰ অন্ত পেলোৱাৰ বাবে সিদ্ধাৰ্থ শঙ্কৰ ৰায়ৰ কৌশল আছিল অন্য ধৰণৰ। এই ধৰণৰ কামত লিপ্ত আৰু সন্দেহযুক্তসকলক বিশেষকৈ ডেকা ল'ৰাসকলক প্ৰথমে গ্ৰেপ্তাৰ কৰি পুলিচ ভানত তুলি লৈ যোৱা হৈছিল আৰু কিছুদূৰ নি মুকলিত এৰি দিয়া হৈছিল। এনেদৰে, গাড়ীৰ পৰা নামি কিছুদূৰ যোৱাৰ পিছত তেওঁলোকক পাছফালৰ পৰা গুলীয়াই হত্যা কৰাটো আছিল নৈমিত্তিক ঘটনা।

উল্লেখনীয় যে উদ্দেশ্য যিয়েই নহওক, নক্সালপন্থীসকলৰ হত্যা বা মুম্বাইৰ অপৰাধীসকলৰ হত্যা যেনে এক সংবিধান বিৰোধী আৰু মানৱ অধিকাৰ বিৰোধী কাৰ্য, সন্ত্ৰাসবাদীসকলৰ দ্বাৰা নিৰীহ লোকৰ হত্যাও সমানেই অপৰাধমূলক কাৰ্য। দুয়োধৰণৰ হত্যাৰ ক্ষেত্ৰত প্ৰাৰ্থক্য ইমানেই যে পুলিচৰ দ্বাৰা হত্যা বা এনকাউণ্টাৰৰ ক্ষেত্ৰত চৰকাৰৰ বহু ক্ষেত্ৰত সমৰ্থন থাকে বা মানৱ অধিকাৰ সংস্থাৰ পৰা জবাবদিহি বিচৰাৰ বা আদালতলৈ এনে ধৰণৰ হত্যাৰ তদন্ত কৰিবলৈ নিৰ্দেশ প্ৰেৰণ কৰিলেও চৰকাৰৰ ৰক্ষণা-বেক্ষণ থকা বাবে বেছি ভাগ ক্ষেত্ৰত পুলিচৰ লোক শাস্তি নোহোৱাকৈ সাৰি যোৱা দেখা যায়।

তাৎপৰ্যপূৰ্ণ যে ১৯৯৩ পৰ্যন্ত ভাৰতত নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে কোনো এক সংস্থা গঠন হোৱা নাছিল। মানৱ অধিকাৰ খৰ্ব হোৱা যি কোনো ঘটনাৰ বাবে সাধাৰণ নাগৰিকৰ আদালতৰ কাষ চপাৰ গত্যান্তৰ নাছিল। ভাৰতীয় সংবিধানৰ লগত সংগতি ৰাখি ১৯৯৩ত চৰকাৰে জাৰি কৰা অধিসূচনাৰ জৰিয়তে গঠন হোৱা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আজি প্ৰায় ৩০ বছৰ পুৰণি এক অনুষ্ঠান। এই আয়োগে নাগৰিকৰ ক্ষেত্ৰত হোৱা অন্যায়ৰ বিৰুদ্ধে, প্ৰাপ্য আদায় কৰাত অসফল দুৰ্বল শ্ৰেণীৰ লোকসকলক প্ৰাপ্য আদায় কৰাত সহায় কৰাৰ দিশত আৰু যিকোনো ক্ষেত্ৰৰ মানৱ অধিকাৰ খৰ্ব হোৱাৰ বিৰুদ্ধে থিয় হোৱাৰ ক্ষেত্ৰত সেৱা আগবঢ়াই আহিছে। হ'ব পাৰে এই আয়োগ এক স্বয়ংসম্পূৰ্ণ আৰু নিজ বিচাৰৰ জৰিয়তে ন্যায় প্ৰদান কৰাৰ ক্ষমতা থকা অনুষ্ঠান নহয়; কিন্তু ন্যায় প্ৰদানৰ ক্ষেত্ৰত আদালতৰ চকু মুকলি কৰা আৰু ন্যায়ালয়লৈ অন্যায়ৰ ঘটনা আঙুলিয়াই আৰু আগবঢ়াই দিয়াৰ দৰে এক তাৎপৰ্যপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। তাৰ লগে লগে প্ৰকৃত বিচাৰৰ অন্তত ন্যায় প্ৰাপ্তি হৈছে নে নাই, চৰকাৰৰ দ্বাৰা ভূমি অধিগ্ৰহণৰ বেলিকা মাটিৰ মালিকসকলে প্ৰাপ্য ক্ষতিপূৰণ পাইছেনে নাই এই সকলো কথালৈ লক্ষ্য ৰাখে। মুঠ কথাত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ দেশৰ জনসাধাৰণৰ অধিকাৰ ৰক্ষাৰ দায়িত্ব বহনকাৰী এক সজাগ নিৰাপত্তাৰক্ষীৰ দৰে।

*ফোন: ৯৮৬৪০ ৬৩৫৮৪*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী, শনিবাৰ ২০২২ পৃষ্ঠা ৫



# সমন্বয় আৰু সম্প্ৰীতিৰ প্ৰতীক শ্ৰীমন্ত শংকৰদেৱ

## শুদ্ধচিত্তে একান্তভাৱে হৰিতে অৰ্পণ কৰি শ্ৰৱণ কীৰ্তন কৰিলেই মানুহে ইপ্সিত ফল লাভ কৰিবলৈ সমৰ্থ হয়

গিৰীন্দ্ৰ মেধি

**পঞ্চদশ** শতিকাত অসমৰ ভাষা-সাহিত্য, সমাজ-সংস্কৃতি আৰু ধৰ্মৰ নামত যেতিয়া সংকটে দেখা দিছিল তেতিয়াই সাধাৰণ প্ৰজাই নীতি-নিয়ম প্ৰথাক একেবাৰে পাহৰি ঈশ্বৰৰ অস্তিত্বক জলাঞ্জলি দি অন্য দেৱীৰ নামত নানা পূজা-পাতল তথা দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে প্ৰাণী বলিদান দিব ধৰিলে। গভীৰ সংকটপূৰ্ণ বিভীষিকাময় ব্যভিচাৰ সমাজত বিৰাজ কৰাৰ সময়তে এচাম ভণ্ড ধৰ্মান্ধ লোকে নিজৰ ভোগ বিলাসত মত্ত হৈ ধৰ্মৰ নামত অন্যায় অত্যাচাৰ, উৎপীড়ন চলাই সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ ওপৰত আধিপত্য বঢ়াই ক্ৰমান্বয়ে দুৰ্যোগৰ দিশে জনগণক আগুৱাই নিয়াৰ সময়তে অৰাজকতাৰ এই এন্ধাৰ নাশি অসমৰ বুকুত এক নতুন সূৰ্য আবিৰ্ভাৱ হৈছিল। এই চৰম দুৰ্যোগ নাশ কৰি অসমীয়া জাতিৰ সমন্বয় আৰু সম্প্ৰীতিৰ বান্ধোনেৰে আগুৱাই নিয়া এইজনা মহান মনীষী আছিল শ্ৰীমন্ত শংকৰদেৱ। অসমীয়া জাতিৰ শ শ বছৰৰ তপস্যাৰ ফলস্বৰূপতেই শংকৰদেৱৰ দৰে এজন মহাপুৰুষে অসমত জন্মগ্ৰহণ কৰি অসমীয়া জাতিক ধন্য কৰি তুলিলে। প্ৰকৃতাৰ্থত শংকৰদেৱেই আছিল অসমীয়া জাতিৰ জনক, পূৰ্ণপ্ৰতিভাৰ স্বৰূপ অভিব্যক্তি। তেওঁ আছিল একেধাৰে ধৰ্মগুৰু, সাহিত্যৰ আকৰ, ৰীতি-নীতি-সদাচাৰৰ স্ৰষ্টা তথা অসমীয়া জাতি গঠনৰ সমাজ সংগঠক। স্বৰূপাৰ্থত একেজন মহান মনীষীৰ গাত ইমান গুণৰ সমাবেশ ঘটাটো সঁচাকৈয়ে আশ্চৰ্যকৰ। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈ গৈছে 'অসমীয়াক ধৰ্ম, ভাষা, সাহিত্য, সমাজ, ৰীতি-নীতি, সদাচাৰ, মনুষ্যত্ব, সত্যনিষ্ঠা আদিৰ পৰা সংগীত বিদ্যা, চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ দান কৰি গৈছে; মুঠতে জাতীয়তা গঠন কৰিবৰ নিমিত্তে অৰ্থাৎ এটা জাতিক সৰ্বাংগ সুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলোবোৰ সেই মহাপুৰুষে দান কৰি গৈছে।' সেয়ে শংকৰদেৱ অবিহনে অসমীয়া জাতিৰ অস্তিত্ব নাই।

বলি-বিধান, অন্য দেৱ-দেৱীৰ পূজাৰ দ্বাৰা কলুষিত অসমীয়া সমাজক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ মহাপুৰুষ শংকৰদেৱে একশৰণ নামধৰ্ম প্ৰৱৰ্তন কৰি মানুহৰ মনৰ পৰা অস্পৃশ্যতা আৰু অশুচি মনোভাব দূৰ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্মৰ মূল উৎস হ'ল—গীতা আৰু ভাগৱত। গীতা আৰু ভাগৱতৰ ওপৰত নিৰ্ভৰ কৰিয়েই মহাপুৰুষ জনাই একশৰণ নামধৰ্ম প্ৰচাৰ কৰিছিল। সেয়ে মহাপুৰুষ জনাই প্ৰচাৰ কৰা নামধৰ্মক অনেকেই ভাগৱতী ধৰ্ম আৰু বিষ্ণুৱে নামধৰ্মৰ উপাস্য দেৱতা হোৱা বাবে এই ধৰ্মক বৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়। হৰি ভক্তিত তপ-জপ, যজ্ঞ, পূজা-পাৰ্বণ, বলি-বিধান কৰাৰ কোনো প্ৰয়োজন নাই। শুদ্ধচিত্তে একান্তভাৱে হৰিতে অৰ্পণ কৰি শ্ৰৱণ কীৰ্তন কৰিলেই মানুহে ইপ্সিত ফল লাভ কৰিবলৈ সমৰ্থ হয়। ভক্তি হৈছে নামধৰ্মৰ মূল ধাৰা। সেয়ে গুৰুজনাই কৈছে—

'মুখে বোলা ৰাম নাম
হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা
কহিলো স্বৰূপ।'

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ মূল অভিব্যক্তি হ'ল শুদ্ধ অদ্বৈতবাদ। এই ধৰ্ম বিশ্বজনীন, মহান আৰু উদাৰ। একশৰণ নামধৰ্মৰ উপাসনাত কোনো প্ৰকাৰৰ জাতি-বৰ্ণ বিচাৰৰ প্ৰয়োজন নহয়। ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলোৱে সমানে এই ধৰ্মৰ অধিকাৰী হ'ব পাৰে। হিন্দু ধৰ্মৰ অনেক দেৱ-দেৱীৰ পূজা-পাতলৰ ঈশ্বৰ উপাসনাৰ জটিলতাক তেৱাই এক ভগৱানৰ স্মৰণৰ মাজেৰে অসমীয়া জাতিটোক নতুন পোহৰেৰে আলোকিত কৰি বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তনৰ যোগেদি জাতিটোক উদ্ধাৰ কৰি মৃতসঞ্জীৱনী পান কৰাই নতুন জীৱন দান কৰিলে। গুৰুজনাৰ মতে—

'এক দেৱ এক সেৱ
এক বিনে নাই কেৱ।'

শ্ৰীমন্ত শংকৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ সহজ ভাৱধাৰাই সৰ্বসাধাৰণ মানুহৰ মন সহজেই জয় কৰিব পাৰিছিল। দেহ আৰু মনৰ পৱিত্ৰতা ৰক্ষা কৰি একান্ত চিত্তে ভগৱানৰ নাম-কীৰ্তন কৰিলে মোক্ষ বা মুক্তি লাভ কৰিব পাৰি। ঈশ্বৰৰ নাম কীৰ্তনেই হৈছে শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ মুক্তিৰ পথ। এয়াই আছিল তেৱাৰ সহজ-সৰল নিহিত ধৰ্মমত। বৈষ্ণৱ ধৰ্মমতত অসংখ্য দেৱ-দেৱীৰ ঠাইত হৰিনাম হৈছে একমাত্ৰ শ্ৰেষ্ঠ। এই ধৰ্মমত গুৰুজনাই প্ৰচাৰ কৰি অসমীয়া কলুষিত সমাজখনক দুৰ্গম পাপ-পংকিলতাৰ মাজৰ পৰা উদ্ধাৰ কৰি জনসাধাৰণক নতুন শুদ্ধ সংস্কৃতিৰে শংকৰদেৱৰ প্ৰিয়তম শিষ্য শ্ৰীমাধৱদেৱ প্ৰথমতে শাক্তধৰ্মী আছিল। সৰ্বশাস্ত্ৰ বিশাৰদ শাক্ত মাধৱদেৱ কিন্তু শংকৰদেৱৰ যুক্তি তৰ্কত হাৰ মানিছিল। গুৰুজনাৰ অমৃত বচন—

'বৃক্ষ মূলে জল দিলে পত্ৰৰ সন্তোষ।
কৃষ্ণ দেৱত পূজিলে তাত নাই দোষ।।'

এই তৰ্কৰ যুক্তিতে মাধৱদেৱে জীৱনৰ গতিপথ সলনি কৰি মহাপুৰুষ শ্ৰীশংকৰদেৱৰ ওচৰত শৰণ ল'লে আৰু সম্পূৰ্ণ মায়া-মোহৰ পৰা আঁতৰি হৰি ভক্তিত আপ্লুত হৈ গুৰু সেৱাই জীৱনৰ একমাত্ৰ ব্ৰত হিচাপে লৈছিল। গুৰু শংকৰদেৱক তেওঁ বিষ্ণুৰ অৱতাৰ বুলি মানিছিল। এইজন গুৰুৰ শ্ৰীচৰণত সেৱা জনাই মাধৱদেৱে অচলা গুৰু ভক্তিৰ গুণানুকীৰ্তন কৰি কৈছে—

'জয় গুৰু শংকৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণত ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।'

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধৰ্মৰ আদৰ্শ হৈছে জীৱশ্ৰেষ্ঠ মানৱৰ ভাৱৰ প্ৰদূষণ দূৰীকৰণ আৰু সমাজত সমন্বয় স্থাপন। তেৱাৰ প্ৰদৰ্শিত ভক্তি ধৰ্মৰ মাগদৰ্শন হৈছে বিভিন্ন জাতি সত্তাৰ মাজত ধৰ্মীয় চেতনা জগাই তুলি অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া সুদৃঢ় কৰা। দুয়োজনা মহাপুৰুষেই হ'ল সাম্প্ৰতিক কালৰ আৰ্থ সামাজিক, ৰাজনৈতিক দিশৰ মানৱ সমন্বয়ৰ মূৰ্ত প্ৰতীক। তেৱা সৱৰ পদাংক অনুকৰণ কৰি বিশ্বপ্ৰেমৰ অমৃত বাণী কৃষ্ণ-সংস্কৃতিৰ মহামন্ত্ৰেৰে অনুপ্ৰাণিত হৈ বিশ্ব ভ্ৰাতৃত্বৰ ডোলেৰে মানৱ সত্তাক আঁকোৱালি লোৱাটোৰে হৈছে আগবঢ়াই নি নতুন জীৱনৰ বাট পোহৰাই তুলিছিল। গুৰুজনাৰ মতে—

'অন্য দেৱী দেৱ নকৰিবা সেৱ
নাখাইবা প্ৰসাদ তাৰ।
মূৰ্তিকো নাচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।'

শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিধৰ্ম প্ৰৱৰ্তন কালত গাৰ ছাঁৰ দৰে ওচৰত থাকি গুৰুজনাৰ সমগ্ৰ গুণাৱলী, ব্যক্তিত্বৰ প্ৰকৃত পৰিচয় জগতবাসীক জনোৱাসকলৰ ভিতৰত শ্ৰীমাধৱদেৱ সৰ্বশ্ৰেষ্ঠ আছিল। মহাপুৰুষ শ্ৰীমন্ত মহাপুৰুষ দুজনাৰ আশিস নিৰ্মালি। শ্ৰীমন্ত শংকৰদেৱৰ উদাৰ ধৰ্মীয় চেতনাৰ অন্তৰালত নিহিত আদৰ্শক আঁকোৱালি লৈ মাধৱদেৱে সমাজত কেৱল কৃষ্ণ নামৰ মাহাত্ম্য শ্ৰৱণ কীৰ্তনৰ দ্বাৰা পৰমপদ লাভৰ সন্ধান দি সমাজত চলি থকা কটকটীয়া জাতিভেদ, অস্পৃশ্যতাৰ সামাজিক সাৰশূন্য বান্ধোন সুলকিবলৈ আহ্বান জনাই 'নামঘোষা'ত উল্লেখ কৰিছে—

'হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।'

ফোন ঃ ৭৫৭৭৮৭২১৮৭

# দাৰ্শনিক ৰেণে ডেকাৰ্টৰ মৃত্যু ৰহস্য

১৭ শতিকাত চিকিৎসা-বিজ্ঞান বৰ পিছপৰা আছিল। ইয়াৰ চৰ্চাকাৰীসকলে নাজানিছিল পানীলগা, ইনফ্লুয়েঞ্জা, নিউমোনিয়া আৰু আন কেতবোৰৰ পাৰ্থক্যৰ কথা। পিছে ৰোগটো যিয়েই হওক, ই নিউমোনিয়াই হওক বা পেটৰ বিষেই হওক বা প্লেগেই হওক, এনেবোৰ চিকিৎসাৰ নিদান একেই আছিল ঃ ৰক্তক্ষৰণ!

ড° খনীন চৌধুৰী

**চুইডেনৰ ৰাণী** (১৬৩২-৫৪) ক্ৰিষ্টিয়ানা সংগীত, কলা, সাহিত্য আৰু বিজ্ঞানৰ পৃষ্ঠপোষক আছিল।

ক্ৰিষ্টিয়ানাই মাতি পঠিয়াইছিল দাৰ্শনিক ডেকাৰ্টক তেওঁৰ ৰাজদৰবাৰত আহি তেওঁ পতা 'শিক্ষা-জ্ঞান-বিজ্ঞান'ৰ সমাবেশৰ ভাগীদাৰ হৈ উজলি উঠক। যথা আমন্ত্ৰণ মৰ্মে ডেকাৰ্টে ১৬৫০ত চুইডেনলৈ আহিছিল। ৰাজধানী ষ্টকহ'ম পোৱাৰ পিছৰ কথা। তেওঁ অসুস্থ হৈ পৰিছিল। তেওঁৰ অসুখৰ কাৰক এটা হৈ পৰিছিল তেওঁ সোনকালে শুই উঠাৰ বাবে। যিটো তেওঁৰ খুব এটা চিনাকি অভ্যাস নাছিল। লগতে আছিল অতিপাত চুইডীয় শীত। প্ৰকৃততে সেই বিশেষ শীত যোৱা ৬০টা বছৰৰ ভিতৰতেই অত্যধিক আছিল। ডেকাৰ্টক চোৱা-মেলা কৰা ষ্টকহ'মৰ ডাক্তৰজনে ধৰা পেলাইছিল তেওঁৰ অসুখৰ লক্ষণসমূহক নিউমোনিয়াৰ লক্ষণ হিচাপে। ৰাণী ক্ৰিষ্টিয়ানাৰ উত্তম ডাক্তৰজন আছিল এজন ফৰাছী লোক, নাম ডু-ৰাইয়াৰ। তেওঁ আছিল ডেকাৰ্টৰ এজন বন্ধু, তদুপৰি আছিল তেওঁৰ কৰ্মৰাজিৰ এজন প্ৰশংসা কৰা লোক। ডু-ৰাইয়াৰ জন্মিছিল স্পেইনত আৰু ডেকা বয়সত গুচি গৈছিল ফৰাছীলৈ। ডাক্তৰী ডিগ্ৰী লৈছিল মণ্টপিলাৰ বিশ্ববিদ্যালয়ৰ পৰা। তেওঁ ডেকাৰ্টৰ দৰ্শনৰে পৰিচয় হৈছিল। এই দৰ্শনৰ স'তে ইমানেই অত্যুৎসাহী হৈ আছিল যে তেওঁ নিজকে এজন কাৰ্টেছীয় বুলিহে কৈছিল। আনকি এয়া ঘটিছিল ৰাণী ক্ৰিষ্টিয়ানাৰ দৰবাৰত সেই দাৰ্শনিকজনক লগ পোৱাৰ আগতেই। ডেকাৰ্টেই ডু-ৰাইয়াৰক বিশ্বাসত লৈছিল। তেওঁৰ নিৰ্দেশ মানিবলৈ সাজু আছিল। সেয়ে ৰাইয়াৰক তেওঁৰ ব্যক্তিগত চিকিৎসক কৰি ৰাখি থৈছিল; কিন্তু ডেকাৰ্ট অসুস্থ হৈ পৰাৰ দিনাখন ডু ৰাইয়াৰ ৰাণীৰ হৈ এটা মিছনত ষ্টকহ'মৰ পৰা দূৰত আছিল। সোনকালে ঘূৰি অহাৰ সম্ভাৱনা নাছিল। সেয়ে ৰাণীয়ে ডেকাৰ্টলৈ বুলি দ্বিতীয় ডাক্তৰ এজন পঠিয়াইছিল এজন ডাট্‌চ ডাক্তৰ-ৰেউল্লিছ। ৰেউল্লিছ আছিল 'ডেকাৰ্টৰ এজন শপত লোৱা শত্ৰু'— যুদ্ধৰ সময়ৰ পৰা। স্মৰ্তব্য যে মন্ত্ৰী আৰু থিওলজিয়ানসকলে তেওঁৰ ওপৰত এক যুদ্ধ ঘোষণা কৰিছিল। (উট্ৰেক্ট আৰু লেয়ডেনৰ) ৰেউল্লিছ ডাট্‌চ শিক্ষা-মণ্ডলীৰ ডেকাৰ্ট বিৰোধীসকলৰে মিলিছিল। জীৱনীকাৰ বেইল্লেটে বৰ্ণাইছে যে তেওঁ ডেকাৰ্টৰ মৃত্যু কামনা কৰি আছিল। ডেকাৰ্টৰ অনিষ্ট কৰিব পৰা যিমান উপায় আছিল এই মানুহজনে সকলোখিনি ব্যৱহাৰ কৰিছিল। এই ৰুগ্ন ফৰাছী দাৰ্শনিকজনৰ চিকিৎসাৰ বাবে এনেকুৱা এজন ডাক্তৰক কিয়নো নিয়োগ কৰা হৈছিল সেয়া এক ৰহস্য।

১৭ শতিকাত চিকিৎসা-বিজ্ঞান বৰ পিছপৰা আছিল। ইয়াৰ চৰ্চাকাৰীসকলে নাজানিছিল পানীলগা, ইনফ্লুয়েঞ্জা, নিউমোনিয়া আৰু আন কেতবোৰৰ পাৰ্থক্যৰ কথা। পিছে ৰোগটো যিয়েই হওক, ই নিউমোনিয়াই হওক বা পেটৰ বিষেই হওক বা প্লেগেই হওক, এনেবোৰ চিকিৎসাৰ নিদান একেই আছিল ঃ ৰক্তক্ষৰণ!

ডেকাৰ্টৰ ৰোগ আৰম্ভ হৈছিল ৰাজ-কটকী পিয়েৰে চ্চানুটৰ ৰোগ আৰম্ভ হোৱাৰ ১৫ দিনাখনৰ পৰা। ৰাজ-কটকীজন শয্যাগত হৈ ৰোৱাৰ পৰা প্ৰতিদিনেই ডেকাৰ্টে তেওঁক লগ ধৰিছিল। ১৫ দিনৰ দিনাখন যেতিয়া তেওঁ বিছনা এৰিছিল, সেইদিনাখন ডেকাৰ্টেই অনুভৱ কৰিছিল এক কঁপনি। সেই একে দিনাখনেই চ্চানুটেয়ে বেছি ভালপোৱা যেন হৈ গা-টঙাই আহিছিল। ডেকাৰ্টৰ অসুখৰ দ্বিতীয় দিনাখন আছিল ভাৰ্জিন-শুচিকৰণৰ ভোজৰ দিন। ডেকাৰ্টে উৎসৱত উপস্থিত আছিল; কিন্তু বহুত অসুস্থ অনুভৱ কৰি সোনকালেই গুচি আহিছিল আৰু আহিয়েই বিছনাত পৰিছিল। ৰাতি কটকী চ্চানুটে বহুত সুস্থ অনুভৱ কৰি ৰাণীক কৈছিল ডেকাৰ্টলৈ বুলি এজন ডাক্তৰ পঠোৱাৰ বাবে। বেইল্লেটৰ মতে ৰেউল্লিছে তেওঁ ৰাণীৰ প্ৰতি ধৰুৱা হৈ থকাটো জানি লগতে তেওঁৰ ব্যৱসায়ৰ সংহত চৰিত্ৰটো মন কৰি ফৰাছী দূতাবাসলৈ আহিছিল। নিজকে চ্চানুটলৈ বুলি আগবঢ়াই দিছিল তেওঁৰ সেৱাখিনিৰ বাবে ৰোগগ্ৰস্ত দাৰ্শনিকজনৰ সেৱাত। ৰোগৰ প্ৰথম দুদিন ডেকাৰ্টে চিকিৎসকক এৰাই চলিছিল। কাৰণটো আছিল তেওঁ ফাঁকিবাজসকল আৰু ডাক্তৰসকলৰ মূৰ্খতাৰ প্ৰতি সতৰ্ক আছিল।

পিছে এতিয়া আৰু কোনো উপায় নাছিল। ৰাণীয়ে তেওঁলৈ বুলি ডাক্তৰ ৰেউল্লিছক পঠিয়াইছে আৰু তেওঁক নাকচ কৰিবলৈ তেওঁৰ শক্তি নাছিল। যেতিয়াই তেওঁ ডেকাৰ্টৰ বিছনা কাষত আহি উপস্থিত হৈছিল, সেই ক্ষণতে ৰেউল্লিছে সিদ্ধান্ত লৈছিল ৰোগীৰ ৰক্তক্ষৰণ ঘটাবলৈ বুলি। ডেকাৰ্টে এটা কথা জানিছিল যে (তেওঁ আগৰ কে'বাটাও ধৰি শৰীৰ বিজ্ঞান অধ্যয়ন কৰিছিল) সম-সাময়িক বেছিভাগেই ৰক্তক্ষৰণ নঘটাইছিল। তেনে ক্ষৰণে একো সহায় নকৰে। ই মাথোন সঞ্চৰণৰহে কাৰণ হয়। আচলতে দুবছৰ আগতে ডেকাৰ্টৰ বন্ধু এজন পলিমেথ মেৰিণ মাৰ্চেনৰ মৃত্যু হৈছিল, তেওঁৰ বাহুত হোৱা সঞ্চৰণৰ পৰা। সেয়া ঘটিছিল এটা সৰু ৰোগৰ তেনে ক্ষৰণ-জড়িত চিকিৎসাৰ পৰা। ৰেউল্লিছে ৰক্তক্ষৰণৰ বাবে ডেকাৰ্টলৈ বুলি আগুৱাই আহিছিল। ডেকাৰ্টক ঘেৰি আছিল তেওঁৰ বিশ্বাসী সেৱক হেনৰী স্কুটাৰে আৰু তেওঁৰ কটকী বন্ধু আৰু বন্ধু পত্নীয়ে। সকলোৱেই ডেকাৰ্টক কৈছিল যাতে তেওঁ ডাক্তৰক ডেকাৰ্টৰ দেহত ৰক্তক্ষৰণ ঘটাবলৈ অনুমতি দিয়ে।'

'হে ভদ্ৰলোকসকল' ডেকাৰ্টেই কৈছিল— 'ফৰাছী ৰক্তক এৰি দিয়া;'

তেতিয়া ৰেইল্লিছে জোৰ কৰা নাছিল। ৰোগীক নিজৰ ঔষধৰ ওপৰতেই এৰি দিছিল। লগত অধিকাংশ চুৰুহা থকা মৃদু আহাৰ, পানী আৰু জিৰণিৰে। ডেকাৰ্টেলৈ চ্চানুটৰ পৰায়েই ৰোগ সংক্ৰমিত হোৱা বুলি অনেকেই ভাবে। দুয়োজনৰেই অত্যধিক জ্বৰ আছিল-ডাক্তৰে চিনাক্ত কৰিছিল হাওঁফাওঁ প্ৰদাহ বুলি। চ্চানুটক ক্ষৰিত কৰা হৈছিল আৰু পতিয়ন নিওৱা হৈছিল যে তেওঁক ক্ষৰণেহে নিৰাময় কৰিছে। তেওঁ ৰেউল্লিছক হেতু দৰ্শাইছিল, যাতে ডেকাৰ্টকো ক্ষৰিত কৰে। ডেকাৰ্টে পিছে তেনে এটা কৰ্মৰ পৰা আঁতৰি থাকিবলৈহে কঠোৰ হৈ আছিল। তেওঁ জানিছিল যে ই এটা আদিম মানসিকতা আৰু এটা বিপদজনক অনুশীলন। চকু মুদি তেওঁ শান্তভাৱে কৈ উঠিছিল 'ৰক্তক্ষৰণে আমাৰ দিন চমু কৰে।' তাৰ পাছত পুনৰ চকু মেলি কৈছিল— মই ৪০ বছৰ এজন প্ৰাপ্তবয়স্ক হৈ জীয়াই থাকিলো ভাল স্বাস্থ্যৰে ৰক্তক্ষৰণ নকৰাকৈ।

কিন্তু পিছদিনাখন তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল বেয়াকৈ। দেহৰ উষ্ণতা বাঢ়িছিল বহুত। প্ৰচণ্ড মূৰৰ বিষ হৈছিল আগতে কোনোদিনে নোহোৱা। তেওঁৰ পূৰ্বৰ জীৱনীকাৰসকলে তেওঁৰ এই অনুভৱটোক এনেদৰে কৈছিল যে যেনিবা তেওঁৰ মূৰটোৰ বিস্ফোৰণহে হ'ব। তেওঁৰ বিছনাৰ কাষলৈ ৰাষ্ট্ৰদূত আৰু মেডাম চ্চানুট অহাৰ লগে লগে তেওঁলোকে পুনৰ দাৰ্শনিকগৰাকীক জোৰ কৰিছিল— ডাক্তৰজনক তেওঁক ক্ষৰিত কৰাৰ অনুমতি দিবলৈ বুলি। দাৰ্শনিক ডেকাৰ্টে কাণ দিয়া নাছিল। তেওঁ ৰেউল্লিচক প্ৰাসংগিকতাত কৈছিল— 'মই যদি মৰিব লাগে তেনে, তেওঁক দেখা নাপালেই মই অধিক সন্তুষ্টিৰে মৰিম।'

তাৰ পিছত তেওঁক আগুৰি থকা মানুহখিনিক তেওঁক এৰি দি যাবলৈ কৈছিল— চ্চানুট পৰিয়াল আৰু কৰ্মচাৰীসকল আঁতৰিছিল ডেকাৰ্টক এৰি। তেওঁৰ কাষত আছিল তেওঁৰ বিশ্বস্ত সেৱকজন।

কিন্তু হঠাতে কোনোবাই কৈছিল—ডাট্‌চ ডাক্তৰজনক তেওঁৰ বিষয়ে ডেকাৰ্টে কোৱা কথাখিনি। আৰু এইখিনিকে বেয়া ধৰণে লৈছিল। ইয়েই ডাক্তৰজনক ডেকাৰ্টলৈ ঘৃণা আনি দিছিল আগতকৈও অধিককৈ। অসন্তুষ্ট হৈ ৰেউল্লিছে কৈ উঠিছিল — তেওঁৰ নিজৰ ইচ্ছা বিনে ৰোগীক সুস্থ কৰি নুতুলিব।

আৰু এটা দিন পাৰ হৈছিল। ৰোগী তেতিয়াও জ্বৰতে আছে। আৰু লগতে প্ৰচণ্ড বিষত। সেই সন্ধিয়া ৰেউল্লিছে কৈছিল— ৰোগীৰ মৃত্যু হ'ব। বেইল্লিটৰ মতে ডাক্তৰে তেওঁৰ ভৱিষ্যতবাণী সত্য হোৱাটো চাবলৈ দৃঢ়পণা হৈছিল।

কিন্তু পুৱা ডেকাৰ্টে আচৰিতভাৱে ভাল হৈ পৰিছিল। তেওঁৰ জ্বৰ নামি মূৰ এৰি গৈছিল, যুক্তি ফিৰিছিল— 'তেওঁ বিছনাত উঠি বহিছিল, পঢ়িছল। কিছু ব্ৰেড খাইছিল, পানী খাইছিল। তেওঁক ঘেৰি থকাসকলৰ প্ৰতিজনকে কৈছিল যে তেওঁ সুস্থ অনুভৱ কৰিছে। তেওঁ এলকোহল পিব বিচাৰিছিল। অনুৰোধ কৰিছিল যাতে তাত ধঁপাতৰ সোৱাদ দিয়ে। (বেইল্লটে কৈছিল ই ডেকাৰ্টৰ বমিৰ ভাৱ আনিব।) ডাক্তৰ ৰেউল্লিছৰ বিচাৰখিনি আছিল— এই যো-জাখিনিয়ে ডেকাৰ্টৰ অৱস্থাটোত চৰম অৱস্থা আনিব; কিন্তু তেওঁ কৈছিল যে এই অৱস্থাত তেওঁ ডেকাৰ্টক যিকোনো কৰিবলৈকে অনুমতি দিব। সেয়ে তেওঁ কোঠাৰ পৰা ওলাই গৈ উভতিছিল এগিলাছ গভীৰ ক'লা ৰঙৰ তৰলৰে। তাত গোন্ধ আছিল এলকোহলৰ আৰু ধঁপাতৰ। তেওঁ সেয়া ডেকাৰ্টলৈ আগবঢ়াই দিছিল। পিছদিনাখন পুৱালৈ ডেকাৰ্টৰ স্বাস্থ্যই অতি বেয়াৰ ফালে তাৎক্ষণিক মোৰ লৈছিল। মুখৰ পৰা তেজ আৰু ক'লা জুলীয়া পদাৰ্থ ওলাব লৈছিল। মুখৰ পৰা শ্লেষ্মা ওলাইছিল। তেওঁ ইচাট-বিচাট কৰিছিল। ৮-৩০ বজাত ডেকাৰ্টে আশা এৰি প্ৰতিৰোধ এৰি দিছিল। ডাক্তৰক ক্ষৰণৰ অনুমতি দিছিল। ক্ষৰণ প্ৰক্ৰিয়াত বৰ কম তেজ ওলাইছিল। সেয়ে এঘণ্টা পাছত ডাক্তৰে তেওঁক পুনৰ ক্ষৰিত কৰিছিল। ই চ্চানুটক কিছু আশা আনি দিছিল। তেওঁলোক কৃতজ্ঞ হৈ পৰিছিল যে তেওঁলোকৰ বন্ধুৱে শেহত সুস্থ হবলৈ সন্মত হ'ল। পিছে ই ডেকাৰ্টৰ অৱস্থা অধিক শোচনীয় কৰি তুলিছিল। দিনটো আগবঢ়াৰ লগে-লগে তেওঁৰ স্বাস্থ্য পৰি আহিছিল। সন্ধিয়া পৰত যেতিয়া প্ৰতিজনেই ডিনাৰত আছিল, ডেকাৰ্টে সেৱকক বিছনাৰ পৰা উলিয়াব কৈছিল। যাতে তেওঁ জুইৰ কাষৰ দীঘল মাচিয়াত শুব পাৰে। তেওঁ তেনে মাচিয়াত কিছুপৰ পৰি থাকিল। তেতিয়া তেওঁ অত্যন্ত অসুস্থ। ৰক্তক্ষৰণে তেওঁৰ শক্তিক চেপি ধৰিছে। তেওঁ মুখখন মেলিছিল। আৰু কৈছিল 'ওহ্ মোৰ মৰমৰ স্কুটাৰ, এয়াই সময় মই এৰি যোৱাৰ; 'Ah! My dear Schluter, this is the time I must leave' এয়াই আছিল ডেকাৰ্টৰ শেষ শব্দকেইটা। কিছু ঘণ্টাৰ পাছত এয়া স্পষ্ট হৈ পৰিছিল যে ডেকাৰ্ট নাবাচিব। পুৰোহিত ফাদাৰ-ভায়োগক মতা হৈছিল শেষকৃত্য কৰিবলৈ বুলি। পিছদিনাখন পুৱা চাৰি বজাত ডেকাৰ্টে ঢুকাইছিল। সেয়া আছিল ১৬৫০ৰ ১১ ফেব্ৰুৱাৰী। তেওঁ প্ৰায় ৫৪ বছৰীয়া।



ফোন ঃ ৮৭৫৩০৮০৩২৭

# ধৰ্মনিৰপেক্ষতা আৰু পৱিত্ৰতা

## প্ৰত্যেকজন ব্যক্তিয়ে বয়স আৰু সময় অনুসাৰে নিজৰ নিজৰ দায়িত্ব পালন কৰি চলিব পাৰিলে নিজৰ ঘৰখনেই মন্দিৰ সদৃশ হয় আৰু ঘৰতেই ঈশ্বৰৰ অস্তিত্বৰ উমান পোৱা যায়

ৰীণা বিশ্বাস

**আমাৰ** সৰহ সংখ্যক মানুহৰে এটা নৈৰ্ব্যক্তিক ধাৰণা এয়েই যে 'ধৰ্ম' শব্দটোৱে কেৱল ঈশ্বৰ বিশ্বাস, পূজা-পাতল, উপাসনা-প্ৰাৰ্থনা আৰু ঈশ্বৰৰ প্ৰতি নিষ্কাম ভক্তিকেই বুজায়। ধৰ্ম নিৰ্বিশেষে প্ৰত্যেক ধৰ্মৰ সিংহভাগ মানুহেই এই ধাৰণা মনত পুহি ৰাখে। সাধাৰণতে জন্মগতভাৱে মানুহে পৰিয়ালৰ পৰাই ধৰ্ম শব্দটোৰ ধাৰণা ওপৰত উল্লেখ কৰা ধৰণে অনুভৱ কৰে। ফলত নিজ নিজ ধৰ্ম অনুসৰি নিজ নিজ ঘৰৰ পৰাই প্ৰত্যেকেই এই ধাৰণা লৈ গোটেই জীৱন কটাই দিয়ে। লগতে প্ৰত্যেকেই ভাবে যে তেওঁৰ ধৰ্মটোৱেই সৰ্বোত্তম আৰু আটাইতকৈ শ্ৰেষ্ঠ ধৰ্ম। প্ৰকৃতাৰ্থত 'ধৰ্ম'ৰ দৰে বিশাল অৰ্থপূৰ্ণ শব্দটোৱে কেৱল যে পূজা-পাতল, ঈশ্বৰ উপাসনা আৰু পৱিত্ৰ নিষ্কাম অনুভৱকেই বুজায়, এনে নহয়। কোনো এটা বিষয় নৈতিক নে অনৈতিক তাৰ বিচাৰ কৰিবলৈ যাওঁতে কোনোবাখিনিত ধৰ্ম শব্দটোৰ প্ৰভাৱ ক'ব নোৱাৰাকৈয়েই আহি পৰে। কোনোবাই যদি আন মানুহক অপকাৰ কৰা কামটো নিজৰ আনন্দৰ কাম বুলি ভাবে আৰু সেই কাম কৰি তেওঁ কোনোধৰণৰ অনুশোচনাত নোভোগে তেন্তে সেই কামেই সেই ব্যক্তিজনৰ ধৰ্ম বুলিব পৰা যায়। ঠিক তেনেকৈ তাৰ বিপৰীতে যিজনে পৰোপকাৰ আৰু জনহিতকৰ কাম কৰি আনন্দ আৰু সন্তুষ্টি লাভ কৰে তেন্তে সেই কামেই তেওঁৰ ধৰ্ম। গতিকে বুজা যায় যে স্ব-ধৰ্মই কৰ্তব্য পালন কৰাৰ কথাও বুজায়। সেয়েহে ভাৰতীয় আদৰ্শ অনুসৰি কৰ্তব্য পালনেই হৈছে আটাইতকৈ ডাঙৰ ধৰ্ম।

বাংলাত এষাৰ প্ৰৱচন আছে — 'মন্দিৰ-মছজিদে ঘূৰে বাৰ, ঘৰে বসেই তেৰ, যদি কৰিতে পাৰ।' তাৰ অৰ্থ হৈছে, প্ৰত্যেকজন ব্যক্তিয়ে বয়স আৰু সময় অনুসাৰে নিজৰ নিজৰ দায়িত্ব পালন কৰি চলিব পাৰিলে নিজৰ ঘৰখনেই মন্দিৰ সদৃশ হয় আৰু ঘৰতেই ঈশ্বৰৰ অস্তিত্বৰ উমান পোৱা যায়। উদাহৰণ স্বৰূপে এখন ঘৰ বা এটা পৰিয়ালৰ মুৰব্বী ব্যক্তি হিচাপে পিতৃ-মাতৃৰ মুখ্য কাম হৈছে সন্তানসকলক শুদ্ধভাৱে লালন-পালন কৰি সুশিক্ষা প্ৰদানেৰে উপযুক্ত কৰি গঢ়ি তোলা। সমাজ আৰু পৰিয়াল ভেদে সকলো পিতৃ-মাতৃৰে প্ৰথম দায়িত্ব থাকে সন্তানৰ প্ৰতি। সন্তানৰ দায়িত্ব শুদ্ধ আৰু দায়বদ্ধতাৰে পালন কৰিলে তাৰ পৰা যি ফল ওলাব, সেই ফল পূজা-পাতল কৰি, তীৰ্থস্থান ভ্ৰমণ কৰি আৰু যাগ-যজ্ঞ কৰি পোৱা ধৰ্ম ফলতকৈ কে'বাগুণে বেছি বুলি ক'ব পাৰি। কাৰণ শান্তি আৰু উদগতি কামনা কৰি যদি ধৰ্ম ধৰা হয় আৰু তীৰ্থস্থান ভ্ৰমণ কৰি যদি পুণ্য কামনা কৰা হয় তেনেহ'লে সেই শান্তি আৰু পুণ্য অৰ্জনৰ নিশ্চয়তা নাথাকে; কিন্তু নিজৰ নিজৰ কৰ্তব্য আৰু উচিত দায়িত্ব পালন কৰিলে নিজ ঘৰত বহিয়েই সেই শান্তি অৰ্জন কৰিব পাৰি।

সামাজিক শৃংখলাৰ বাবে বিবাহ অনুষ্ঠানৰ দ্বাৰা নিৰ্ধাৰণ কৰি দিয়া পৰিয়াল ব্যৱস্থা সমগ্ৰ বিশ্বতে সৰ্বজন গৃহীত। পৰিয়ালৰ পৰাই মানুহে নীতি-আদৰ্শ, ধৰ্মমত আৰু জীৱন ধাৰণৰ প্ৰণালী শিকে। নিৰ্দিষ্ট পৰিয়ালৰ পৰাই এজন ব্যক্তিয়ে সমাজত ধৰ্ম অনুসৰি পৰিচয় লাভ কৰে। উপযুক্ত বয়সৰ পৰা সকলো শিশুৱে বিদ্যা অৰ্জন কৰাটো বাধ্যতামূলক হোৱাৰ দৰেই ধৰ্মৰ ধাৰণা আৰু উপযুক্ত অভিব্যক্তি সমূহৰ উচিত দিশৰ জ্ঞানো যদি পৰিয়ালৰ পৰা আৰু শিক্ষানুষ্ঠানৰ পৰা তেওঁলোকে আহৰণ কৰিব পাৰে তেনেহ'লে অদূৰ ভৱিষ্যতে ধৰ্মৰ নামত হোৱা অৰিয়াঅৰিও বহু পৰিমাণে হ্ৰাস পাব আৰু বিশ্ব শান্তিৰ ক্ষেত্ৰত ই মহৌষধৰ দৰে কাম কৰিব।

আমাৰ কৰ্মব্যস্তময় জীৱনত আমি ঘৰৰ একেবাৰে লগতে লাগি থকা উপাসনাস্থলী মন্দিৰটোত প্ৰৱেশ কৰি ঈশ্বৰৰ নামত এগছি চাকি জ্বলাবলৈ সময় নাপাওঁ, অথচ মন্দিৰৰ ঘন্টা ধ্বনি, ধূপ-ধূনাৰ পৱিত্ৰ সৌৰভে ৰাতিপুৱা-সন্ধিয়া আমাৰ চৌদিশৰ পৰিৱেশ পৱিত্ৰময় কৰি ৰাখে। দূৰ-দূৰণিৰ পৰা অগণন ভক্তই আহি মন্দিৰ প্ৰাংগণত উপাসনাৰ বাবে ভিৰ কৰে। আমি ঘৰৰ পৰা ওলাওঁতে সোমাওঁতে মন্দিৰ প্ৰাংগণত ভক্তৰ ভিৰ দেখি কেতিয়াবা অনুশোচনা কৰো --'ইমান দূৰ-দূৰণিৰ পৰা ভক্ত আহি এই মন্দিৰত উপাসনাৰ বাবে শাৰী পাতে অথচ আমি ঘৰৰ কাষতে থাকিও মন্দিৰত প্ৰৱেশ কৰিবলৈ আমাৰ সময়ে নাটে।' প্ৰকৃতাৰ্থত আমাৰ মনৰ এই অনুশোচনা শুদ্ধ নে? ধৰ্মৰ প্ৰতি উদাৰ দৃষ্টি ৰখা এজন ব্যক্তি হিচাপে আমি ক'বলৈ বাধ্য যে আমাৰ মনত ওপজা এনে অনুশোচনা শুদ্ধ নহয় বৰঞ্চ আমি দায়িত্বপূৰ্ণ ব্যক্তি হিচাপে কৰ্মব্যস্ত হৈ নিজৰ কৰ্মৰ মাজেৰে নিজৰ পৰিয়াল আৰু সমাজখনক যি দিব পাৰো সেই অনুপাতে প্ৰতিদিনে উপাসনাস্থলীত ভিৰ কৰি উপাস্য দেৱতাক উপাসনা কৰি সিমানখিনি দিব নোৱাৰো। সেই বুলি আমি ঈশ্বৰ বিশ্বাসৰ পৰিপন্থীও নহয় অথবা নাস্তিকো নহয়।

মন্দিৰ, মছজিদ, গিৰ্জাক যদি কেৱল ঈশ্বৰৰ আলয় হিচাপে ধৰা হয় আৰু আমাৰ সকলোৰে দুখ-দূৰ্গতি মৰিষণৰ স্থল বুলি গণ্য কৰা হয়, তেতিয়া হ'লে আমি ঈশ্বৰ আৰাধনা কৰিবলৈ কোনো বিশেষ ধৰ্মৰ গোটত প্ৰৱেশ নকৰিলেও চলি যায়। কাৰণ আমি জন্মসূত্ৰে আমাৰ উপৰি পুৰুষে দিয়া ধৰ্মৰ চূড়াকৰণত যি ধৰ্মাৱলম্বী হিচাপে পৰিগণিত নহওঁ কিয় দেশ-কাল-পাত্ৰ সামৰি সামাজিক ব্যক্তি হিচাপে আমাৰ সকলোৰে ভাৱাবেগ, পোৱা-নোপোৱাৰ হা-হতাশ, আনন্দ-বিষাদবোৰ একেই। গতিকে আমি সাফল্যত যেনেকৈ উপাস্যজনক ধন্যবাদ দিওঁ, বিষাদতো একেই কাতৰতাৰে অনুনয় কৰি এই বিষাদৰ সমুদ্ৰ পাৰ কৰি দিবলৈ উপাস্যজনৰ আগত কৰযোৰে উপাসনা কৰো। গতিকে মানুহ হিচাপে যদি দেশ-কাল-পাত্ৰ নিৰ্বিশেষে আমাৰ সমস্যাবোৰ একেই হয়, পৰিত্ৰাণ কৰ্তাও যদি এজনেই তেন্তে বিভিন্ন ধৰ্মৰ নামত আমি আমাৰ ত্ৰাণকৰ্তাজনক ভাগ কৰো কিয়। সেয়ে কোনোবা সন্ত মহাত্মাই কৈছিল ----- 'ঈশ্বৰে এক কৰে, ভক্তই ভাগ কৰে।' ঈশ্বৰ, আল্লা, গড যাৰেই নামত বিশ্বাসী হৈ আমি উপাসনা নকৰো কিয়, তাৰ মূল উদ্দেশ্য একেটাই। বিশ্বাসৰ আগত চকুমুদি আমি মনে-প্ৰাণে আৰাধ্যাজনক উদ্দেশ্য কৰি আৰাধনা কৰো। ধ্যানত মগ্ন হৈ সকলো সপি দিওঁ সেই নেদেখাজনৰ ওচৰত। সেইজন ঈশ্বৰে জানো আমাক বেলেগ বেলেগ ধৰ্মত জন্ম দিছে ? যদি দিছে, তেন্তে তাৰ সাক্ষী কোনে আৰু কেনেকৈ বহন কৰিছে? যদি উপাসনাৰ মূল উদ্দেশ্য এক হয় তেন্তে উপাস্য দেৱতাজনক বেলেগ বেলেগ ধৰ্মত বহুৱাই তেওঁৰ পৰম উদ্দেশ্যত চেঁচা পানী ঢলাৰ দৰে কাম দেখোন তেৱাৰ ভক্তসকলেই কৰি আছে। ভক্তই ভগৱানক ভাগ কৰি মানুহৰ মনত বিভেদৰ সৃষ্টি কৰিছে।

ধৰ্ম চকুৰে দেখি, হাতেৰে লেখি আৰু স্পৰ্শ কৰি বুজিব পৰা বিষয় নহয়, বৰঞ্চ ই এক অমূৰ্ত ধাৰণা আৰু প্ৰত্যেকৰে অনুভৱৰ মাজত ই বিৰাজমান। এজন ব্যক্তিয়ে ধৰ্মৰ ক্ষেত্ৰত নিৰপেক্ষ ধাৰণা পৰিয়ালৰ পৰাই শিকি ল'ব পাৰে— যদিহে পৰিয়ালৰ বয়োজ্যেষ্ঠসকল উদাৰ মনা হয়। কিন্তু আজিও ধৰ্মৰ ক্ষেত্ৰত উদাৰতা শব্দটো কাৰো বাবে যেন খাপ খোৱা বিধৰ নহয়। কাৰণ ধৰ্ম বুলি ক'লেই আমি পোনছাটেই ধাৰণা কৰি লওঁ আমাৰ উপাস্য দেৱ-দেৱতা অথবা ঈশ্বৰ, আল্লা অথবা গডজনক। ঘৰৰ জ্যেষ্ঠসকলে যদি তেওঁলোকৰ সতি-সন্ততিক ধৰ্ম শব্দটোৰ ধাৰণা নীতি-আদৰ্শৰ দৃষ্টিৰে বয়স অনুপাতে বুজাই দিবলৈ সক্ষম হয় তেনেহ'লে আদৰ্শগতভাৱে বুজনক্ষম নাগৰিক প্ৰতিটো পৰিয়ালৰ পৰাই সৃষ্টি হ'ব পাৰে। দেশ-কাল নিৰ্বিশেষে ধৰ্মৰ ক্ষেত্ৰত এনে নীতি-আদৰ্শ বৰ্তমান পৃথিৱীত প্ৰয়োজন বুলি আমি ভাবো। কাৰণ পৃথিৱীৰ সমগ্ৰ ৰাজনৈতিক মহলটো ধৰ্ম শব্দটোৰ উচিত অৰ্থ আৰু ধাৰণাৰ অভাৱত যেন একোটা বাৰুদভৰ্তি আগ্নেয়গিৰিৰ শৃংগত অৱস্থান কৰি আছে যাৰ ফলত ধৰ্মৰ ভেদাভেদৰ নামত নিতৌ অসংখ্য নিৰীহ লোকৰ মৃত্যু হৈছে। ধৰ্মৰ নামত 'জেহাদ' কৰিবলৈ গৈ হেজাৰ হেজাৰ সম্ভাৱনা থকা যুৱশক্তিয়ে আত্মঘাতী পন্থা অৱলম্বন কৰিছে।

কাল বাগৰি মানুহৰ সমাজে সভ্যতাৰ দিশে গতি কৰোঁতেই ধৰ্মৰ ধাৰণা গঢ়ি উঠিছে। বিশেষকৈ ধৰ্মগ্ৰন্থসমূহে মানুহৰ মাজত ধৰ্মৰ ধাৰণা প্ৰচাৰ কৰিছে। কাৰণ যিকোনো ধৰ্মৰেই হওঁক মানুহৰ মনত ধাৰ্মিক ধাৰণা আৰু উপাস্য দেৱতাৰ কাল্পনিক ছবি মানুহে ধৰ্মগ্ৰন্থসমূহৰ বৰ্ণনাৰ পৰা লাভ কৰিছে। উদাহৰণ স্বৰূপে হিন্দু ধৰ্মৰ দেৱ-দেৱতাসকলৰ বাস্তৱিক ছবি হয়তো কোনেও নিজ চকুৰে দেখা নাই, কিন্তু ধৰ্মগ্ৰন্থ আৰু পুৰাণৰ বৰ্ণনা অনুসৰি হিন্দুসকলৰ উপাস্য দেৱতা চতুৰ্ভুজ বিষ্ণুৰ চাৰিখন হাতত শংখ, চক্ৰ, গদা, পদ্ম, কান্ধলৈকে বৈ অহা কেশ, পদুম ফুলৰ পাহিৰ দৰে নয়ন আৰু সুহাস্য বদনে সকলোৰে হৃদয়ত ভকতিৰ ভাৱনা বোৱাই আনে। কোনোবা চিত্ৰকৰৰ ৰং তুলিকাই সাকাৰ ৰূপ দিয়ে ধৰ্মগ্ৰন্থ আৰু পুৰাণত বৰ্ণিত দেৱ-দেৱীসকলৰ পূৰ্ণাংগ অৱয়ৱ। দশভুজা দেৱী দুৰ্গাৰ মূৰ্ত ৰূপো কোনোবা চিত্ৰকৰৰ যাদুকৰী হাতৰ চমৎকাৰিত্ব। সেই ৰূপ প্ৰত্যক্ষ কৰি কোনোবা মৃণ্ময় শিল্পীয়ে গঢ়ি তোলে বিভিন্ন দেৱ-দেৱীৰ চাক্ষুস কুন্দত কটা মূৰ্তি। হিন্দু ধৰ্মৰ বাহিৰে পৃথিৱীৰ অন্যান্য ধৰ্মৰ ভিতৰত খুব কম ধৰ্ম আছে য'ত ধৰ্মগ্ৰন্থৰ বৰ্ণনা অনুসৰি উপাস্য দেৱতাৰ ছবি আৰু মূৰ্তি প্ৰস্তুত কৰা হয়। তথাপি হজৰত মহম্মদে



প্ৰচাৰ কৰা ইছলাম ধৰ্ম আৰু যীশুখ্ৰীষ্টই প্ৰচাৰ কৰা খ্ৰীষ্ট ধৰ্মৰ ধৰ্মপুথি ক্ৰমে 'কোৰাণ' আৰু 'বাইবেলত' বৰ্ণনা কৰা অনুসৰি ঈশ্বৰৰ সাকাৰ ৰূপ দেখা নাযায়। প্ৰকৃতাৰ্থত ঈশ্বৰ বা উপাস্যজন ভক্তসকলৰ ভক্তিৰ মাজত সংপৃক্ত হৈ সমগ্ৰ সত্তা জুৰি বিয়পি থাকে। সেয়ে হয়তো ধৰ্মভেদে উপাস্যজনৰ মূৰ্তৰূপ অংকন কৰা সকলো ধৰ্মে কটকটীয়া নীতিৰ ভিতৰত নপৰে।

পৱিত্ৰতা, ধৰ্ম আৰু ধাৰ্মিক অনুভূতিৰ প্ৰথম পদক্ষেপ। ধূপ-ধূনাৰ গোন্ধ, দবা-কাঁহৰ গুমগুমনি আৰু বাঁহীৰ সুৰে যেনেকৈ সকলোৰে মন পৱিত্ৰতাৰে পুলকিত কৰে তাৰ প্ৰভাৱ মনত জাগে প্ৰাৰ্থনাৰ স্পৃহা আৰু প্ৰাৰ্থনাৰ বাবেই মনত উপাস্যজনৰ কাল্পনিক প্ৰতিমূৰ্তি। সেয়েহে মহাত্মা গান্ধীয়ে কৈছিল, 'যদি পৱিত্ৰ শব্দটোৰ প্ৰকৃত অৰ্থ অনুভৱ কৰিব বিচৰা, তেন্তে এজন প্ৰাৰ্থনাৰত ভক্তৰ কোমল আৰু নিষ্পাপ মুখলৈ চাবা।' মনিষীজনৰ এই উক্তিটো উলাই কৰিব নোৱাৰি। কাৰণ মানুহ যিমানেই সদাচাৰী হওক অথবা দুৰাচাৰী, দুহাত যোৰ কৰি যেতিয়া কোনোবা উপাসনাস্থলীত নতমস্তক হৈ উপাস্যজনৰ আগত প্ৰাৰ্থনা কৰে তেতিয়া তেওঁৰ হৃদয়ৰ পৰা ক্ষন্তেক সময়ৰ বাবে হ'লেও সকলো কলুষ-কালিমা আঁতৰি যায়। কলুষ-কালিমাবিহীন সেই মুখমণ্ডল হৈ পৰে নিৰীহ আৰু ঈশ্বৰৰ নিষ্পাপ সন্তানৰ দৰে। সেই বাবেই কিজানি শ্বেইক্সপীয়েৰৰ 'হেমলেট' নাটকত ৰাজকুমাৰ হেমলেটে তেওঁৰ পিতৃ ঘাতক খুৰাকক হত্যা কৰিবলৈ গৈ প্ৰাৰ্থনা ভংগীত উপবিষ্ট অৱস্থাত থকা খুৰাকৰ নিষ্পাপ যেন লগা মুখখন দেখি তেওঁক হত্যা কৰিবলৈ নিয়া অস্ত্ৰ ৰাজকুমাৰৰ হাতৰ পৰা খহি পৰিছিল। মাত্ৰ ঈশ্বৰৰ নামত স্বগতোক্তি কৰি সেইদিনা ৰাজকুমাৰে তেওঁৰ পিতৃ হন্তা খুৰাকক হত্যা কৰিব পৰা নাছিল। আমি ভাবো, এজন হত্যাকাৰীয়ে যেতিয়া উপাস্যজনক প্ৰাৰ্থনা কৰে তেতিয়া তেওঁৰ মুখত শিশুসুলভ কমনীয়তা আৰু পৱিত্ৰতাৰ ভাৱ ফুটি উঠে। মনৰ পৱিত্ৰতা-অপৱিত্ৰতাই ধৰ্ম-অধৰ্মক প্ৰতিনিধিত্ব কৰে বুলি আমি ভাবো। নিষ্কাম ভক্তিয়েই হওক অথবা ধৰ্মভীৰুতা, মনৰ পৱিত্ৰতাই ভাৱৰ চানেকি হৈ মানুহক ধৰ্মৰ নামত বান্ধি ৰাখে। সেয়েহে মগৰিবৰ আজানে হওক অথবা চাৰি-প্ৰসংগ, নতুবা কোনোবা গিৰ্জাৰ পৰা ভাহি অহা প্ৰাৰ্থনাৰ ধ্বনি, সকলোতেই ঈশ্বৰ-বিশ্বাস আৰু মনৰ পৱিত্ৰতাৰে নেদেখাজনক স্মৰণ কৰা হয়।

ভাৰতৰ সংবিধান অনুযায়ী ভাৰত এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশ। অৱশ্যে গণতন্ত্ৰ মানেই যে ধৰ্মনিৰপেক্ষ সেই কথা শুদ্ধ নহয়; কিন্তু ভাৰতৰ দৰে এখন বিশাল গণতান্ত্ৰিক দেশত ধৰ্মনিৰপেক্ষতাই ভাৰতীয় মানুহৰ ধৰ্মৰ ক্ষেত্ৰত থকা উদাৰতাৰ পৰিচয় দিয়ে। সেই ক্ষেত্ৰত নিৰপেক্ষ শব্দটো যদি কেৱল লেখা-পঢ়াৰ মাজতেই সীমাবদ্ধ হৈ থাকে তেনেহ'লে প্ৰত্যেকে প্ৰত্যেকৰ ধৰ্মৰ প্ৰতি উদাৰ হ'ব নোৱাৰিব, বৰঞ্চ ভাৰতীয় আদৰ্শৰ দোহাই দি যদি কৰ্মকেই প্ৰকৃত ধৰ্ম বুলি ধৰা হয় আৰু সকলো ধৰ্মৰ মত আৰু প্ৰতিটো ধৰ্মৰে পৱিত্ৰতাৰ প্ৰতি আমাৰ মনবোৰ উদাৰ কৰি ল'ব পৰা যায়, তেনেহ'লে 'ধৰ্ম-নিৰপেক্ষতা' আৰু 'পৱিত্ৰতা', এই শব্দ দুটা প্ৰকৃত অৰ্থত কাৰ্যকৰী হ'ব।

ফোন ঃ ৭০০২৭৩৪৯৬২

দৈনিক অগ্ৰদূত



## পাকিস্তানত প্ৰথমবাৰলৈ লেফটেনেণ্ট কৰ্ণেল পদত নিযুক্ত হিন্দু বিষয়া



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৫ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ সেনা বাহিনীত প্ৰথমবাৰৰ বাবে হিন্দু ধৰ্মাৱলম্বী লোকৰ লেফটেনেণ্ট কৰ্ণেল পদত নিযুক্তি প্ৰদান কৰা হ'ল। পাকিস্তানী সেনাৰ মিডিয়া বিভাগে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি সিন্ধ প্ৰদেশৰ থাৰ জিলাৰ বাসিন্দা কৈলাশ কুমাৰক সেনা বাহিনীত লেফটেনেণ্ট কৰ্ণেল পদত নিযুক্ত কৰা হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি পাকিস্তানী সেনাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোনো হিন্দু সেনা বিষয়াক লেফটেনেণ্ট কৰ্ণেল পদলৈ পদোন্নতি দিয়া হৈছে।

## ত্ৰিতালাক প্ৰসংগত ওৱেইছিৰ বিতৰ্কিত মন্তব্য ঃ মুছলমানৰ বাবে বিবাহ এক চুক্তি



**নিউজ ব্যুৰ', বহৰাইচ, ২৫ ফেব্ৰুৱাৰী ঃ** এ আই এম আই এমৰ মুৰব্বী তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে কালি উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ দলৰ তিনিখন জনসভাত ভাষণ ৰাখে। এই জনসভাত অংশ লৈ এ আই এম আই এমৰ মুৰব্বীজনে মুছলমানৰ বাবে বিবাহ এক চুক্তি বুলি মন্তব্য প্ৰকাশ কৰে। ত্ৰিতালাকৰ প্ৰসংগ উল্লেখ কৰি ওৱেইছিয়ে ভাৰতত তিনি তালাক ব্যৱস্থা চৰকাৰে আইন প্ৰণয়নৰে নিষিদ্ধ কৰাৰ তীব্ৰ বিৰোধিতা কৰে। এই প্ৰসংগত এ আই এম আই এমৰ নেতাজনে কয়, 'মুছলমানৰ বাবে বিবাহ সাতজনমৰ বান্ধোন নহয়, ই কেৱল এক চুক্তিহে। স্বামী-স্ত্ৰী উভয়ৰ সন্মতিতহে ইছলামত বিবাহ বৰ্তি থাকে। যদিহে দেশত আইন প্ৰণয়ন কৰিব লাগে তেন্তে পত্নীক ত্যাগ কৰা লোকৰ বিৰুদ্ধে আইন তৈয়াৰ কৰক। আমি দেশৰহে নিমখ খাও, দুজন ব্যক্তি বিশেষৰ নহয়।'

## ২৪ বছৰ পূৰ্বে কাৰ্টুন চৰিত্ৰই কৰিছিল ৰুছ-ইউক্ৰেইন যুদ্ধৰ ভৱিষ্যদ্বাণী




**নিউজ ব্যুৰ', মস্কো, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত এদিন ভয়াৱহ যুদ্ধ হ'ব বুলি ১৯৯৮তে ভৱিষ্যদ্বাণী কৰা হৈছিল আৰু এই ভৱিষ্যদ্বাণী কোনো জ্যোতিষী বা কূটনীতিবিদে কৰা নাছিল, এটা কাৰ্টুন চৰিত্ৰইহে এইদৰে ভৱিষ্যদ্বাণী কৰিছিল। যোৱা শতিকাৰ ৯০ দশকৰ অন্তিম ভাগৰ জনপ্ৰিয় কাৰ্টুন ধাৰাবাহিক 'দ্য ছিম্পছন্স'ত ছোভিয়েট ইউনিয়নৰ প্ৰত্যাৱৰ্তন আৰু বিশ্বত আকৌ এবাৰ শীতল যুদ্ধৰ আগমন ঘটিব বুলি ভৱিষ্যদ্বাণী কৰা হৈছিল। এই জনপ্ৰিয় কাৰ্টুন ধাৰাবাহিকৰ এক ভিডিঅ' ক্লিপ সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈছে। এই ভিডিঅ' কাৰ্টুন চৰিত্ৰ ছিম্পছন্সে ৰাছিয়া-ইউক্ৰেইন সংঘাতৰ সন্দৰ্ভত ভৱিষ্যদ্বাণী কৰিছিল। কাৰ্টুন ধাৰাবাহিকখনৰ এই খণ্ডটো টেলিভিছনত প্ৰচাৰিত হৈছিল ১৯৯৮ৰ মাৰ্চত। সেই সময়ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি আছিল বৰিছ য়েল্টছিন। ২৪ বছৰ পূৰ্বে কাৰ্টুন চৰিত্ৰই ৰুছ-ইউক্ৰেইন সংঘাতৰ প্ৰসংগত কৰা উক্ত ভৱিষ্যদ্বাণী অৱশেষত বাস্তৱত সঁচা প্ৰমাণিত হ'ল। যোৱা বুধবাৰে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰাৰ পাছত সামাজিক মাধ্যমত কাৰ্টুন চৰিত্ৰই ২৪ বছৰ পূৰ্বে কৰা এই ভৱিষ্যদ্বাণীৰ ভিডিঅ' ক্লিপ যথেষ্ট চৰ্চিত হৈছে।

## ভাৰতত ১৯ লাখ শিশুৱে ক'ভিডত হেৰুৱালে কমেও এজন অভিভাৱক



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** কৰ'না কালত ভাৰতত বৰ্তমানলৈকে প্ৰায় ১৯ লাখ শিশুৱে তেওঁলোকৰ কমেও এজন অভিভাৱকক চিৰদিনৰ বাবে হেৰুৱালে। এই তথ্য প্ৰকাশ পালে বিজ্ঞান গৱেষণা বিষয়ক পত্ৰিকা 'দ্য লেনচেট'ত। সমীক্ষাত উল্লেখ কৰা অনুসৰি ২০২০ৰ মাৰ্চৰ পৰা ২০২১ৰ অক্টোবৰ সময়ছোৱাত দেশত প্ৰায় ১৯ লাখ শিশুৱে ক'ভিড সংক্ৰমণৰ ফলত কমেও এজন অভিভাৱকক হেৰুৱালে। ক'ভিডৰ ফলত যিসকল শিশুৱে তেওঁলোকৰ অভিভাৱকক হেৰুৱালে তেওঁলোকৰ মাজত প্ৰতি তিনিজনৰ দুজন বয়স হৈছে ১০ৰ পৰা ১৭ বছৰৰ ভিতৰত। আনহাতে, প্ৰতি চাৰিজনৰ তিনিজন শিশুৱে ক'ভিড কালত পিতৃক হেৰুৱালে।

**ৰাছিয়া-ইউক্ৰেইন সংকট ঃ প্ৰাকৃতিক গেছক এক অস্ত্ৰৰ দৰে ব্যৱহাৰ কৰি ইউৰোপত আধিপত্য স্থাপন ৰাছিয়াৰ**

# ৰাছিয়াৰ বাবে প্ৰাকৃতিক গেছো অস্ত্ৰতকৈ কম গুৰুত্বপূৰ্ণ নহয়

**নিউজ ব্যুৰ' মস্কো, ২৫ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ সংঘটিত কৰাৰ পাছত ইউৰোপত গেছৰ মূল্য ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। উল্লেখ্য যে সমগ্ৰ ইউৰোপে প্ৰাকৃতিক গেছৰ যোগানৰ ক্ষেত্ৰত ৪০ শতাংশ ৰাছিয়াত নিৰ্ভৰশীল হৈ আহিছে। উক্ত ৪০ শতাংশ প্ৰাকৃতিক গেছ ইউৰোপৰ বিভিন্ন দেশলৈ ৰাছিয়াই ইমানদিনে যোগান ধৰি আহিছে। এই সমূহ দেশলৈ ৰাছিয়াই মূলতঃ পাইপলাইনৰ জৰিয়তে গেছৰ সৰবৰাহ কৰে। য়মল-ইউৰোপ পাইপলাইনেদি বেলাৰুছ আৰু পোলেণ্ড হৈ ইউৰোপৰ বিভিন্ন দেশলৈ ৰাছিয়াৰ গেছ সৰবৰাহ হৈ আহিছে। ইয়াৰ বাদেও নৰ্ড ষ্ট্ৰিম-১ পাইপলাইনৰ জৰিয়তেও ৰাছিয়াই ইউক্ৰেইন হৈ জাৰ্মানীলৈকে গেছ সৰবৰাহ কৰি আহিছে। অক্স'ফৰ্ড ইনষ্টিটিউট ফৰ এনাৰ্জিৰ এক অধ্যয়নত দাবী কৰা অনুসৰি বৰ্তমানৰ পৰিস্থিতিত ৰাছিয়াই ইউৰোপলৈ গেছ যোগান ধৰাত বাধাগ্ৰস্ত হোৱাৰ শংকা আছে। কিয়নো ইউক্ৰেইন হৈ সৰবৰাহ কৰা গেছৰ পাইপলাইন



যুদ্ধৰ ফলত ক্ষতিগ্ৰস্ত হ'ব পাৰে। বাৰ্কলেজৰ বিশ্লেষকৰ তথ্য অনুসৰি ৰাছিয়াই ইউৰোপীয় সংঘক বছৰি ১৫০ৰ পৰা ১৯০ বিলিয়ন ঘনমিটাৰ প্ৰাকৃতিক গেছৰ যোগান ধৰি আহিছে আৰু যুদ্ধৰ পৰিস্থিতিত কম সময়ৰ ভিতৰত ইয়াৰ বিকল্পৰ সন্ধান লাভ কৰাটো কঠিন হ'ব।

দৰাচলতে ৰাছিয়াই প্ৰাকৃতিক গেছক এক অস্ত্ৰৰ দৰে ইউৰোপত আধিপত্য স্থাপনৰ বাবে ব্যৱহাৰ কৰি আহিছে। ৰাছিয়াৰ পৰা সৰ্বাধিক পৰিমাণৰ গেছ ক্ৰয় কৰি আহিছে জাৰ্মানীয়ে। যুদ্ধৰ পৰিস্থিতিত জাৰ্মানীয়ে ৰাছিয়াৰ পৰিৱৰ্তে ব্ৰিটেইন, ডেনমাৰ্ক, নৰৱে আৰু নেডাৰলেণ্ডছৰ পৰা গেছৰ আমদানি কৰিব পাৰিব। অৱশ্যে ইউৰোপৰ দ্বিতীয় সৰ্বাধিক গেছ যোগনীয়াৰ দেশ নৰৱেয়ে ইতিমধ্যে ঘোষণা কৰি কৈছে যে তেওঁলোকৰ বাবে গেছৰ অতিৰিক্ত চাহিদা পূৰণ কৰাটো সম্ভৱ নহ'ব, কিয়নো বৰ্তমানে তেওঁলোকে সৰ্বাধিক ক্ষমতাৰে ইউৰোপত গেছৰ যোগান ধৰি আহিছে।

## নিৰীহক সহায় কৰক, ইউক্ৰেইন প্ৰসংগত বিশ্বক আহ্বান প্ৰিয়ংকা চোপ্ৰাৰ




**নিউজ ব্যুৰ', মুম্বাই, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ প্ৰসংগত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিলে বলিউডৰ অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাই। এক ভিডিঅ' বাৰ্তাৰ জৰিয়তে অভিনেত্ৰীগৰাকীয়ে বিশ্বৰ সকলো দেশক নিৰীহৰ সাহায্যৰ্থে আগবাঢ়ি আহিবলৈ আহ্বান জনালে। ইউক্ৰেইনৰ ভয়াৱহ পৰিস্থিতিক লৈ আশংকা প্ৰকাশ কৰি উক্ত ভিডিঅ'ত প্ৰিয়ংকাই ইউনিছেফৰ এজন সদস্য হিচাপে প্ৰাৰ্থনা কৰি কয়, 'ইউক্ৰেইনৰ পৰিস্থিতি অতি ভয়ংকৰ। নিৰীহ লোকে নিজৰ আৰু আত্মীয়ৰ জীৱন হাতত লৈ বসবাস কৰিবলগীয়া হৈছে। ভৱিষ্যতৰ অনিশ্চয়তাৰ মাজতে নিজক ৰাখিব লগা হৈছে। এই মুহূৰ্তত বিশ্বজুৰি সকলোৱে নিৰীহৰ সহায়ৰ বাবে আগবাঢ়ি অহা উচিত। যুদ্ধক্ষেত্ৰত যিসকল বসবাস কৰিছে তেওঁলোক সাধাৰণ আৰু নিৰীহ মানুহ, আপোনাৰ আৰু মোৰ দৰেই।'

## ৰাছিয়াৰ বিৰুদ্ধে হাতত অস্ত্ৰ তুলি ল'লে ইউক্ৰেইনৰ দুই বক্সিং কিংবদন্তী ভ্ৰাতৃয়ে

**নিউজ ব্যুৰ', কীভ, ২৫ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনৰ হৈ ৰাছিয়াৰ বিৰুদ্ধে হাতত অস্ত্ৰ তুলি ল'লে দুই প্ৰাক্তন বক্সিং চেম্পিয়ন ভ্ৰাতৃদ্বয় ভিটালী ক্লিটছক' আৰু ভ্লাডিমীৰ ক্লিটছক'ই। ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰাৰ পাছত ইতিমধ্যে উভয় দেশৰ মাজত ৰক্তাক্ত যুদ্ধ অব্যাহত আছে আৰু এই যুঁজত দেশৰ হৈ সংঘৰ্ষৰ সংকল্প ল'লে ক্লিটছক' ভ্ৰাতৃদ্বয়ে। ভিটালীয়ে ২০১৪ বৰ্ষৰ পৰাই ইউক্ৰেইনৰ ৰাজধানী কীভত মেয়ৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। ভিটালীয়ে এই যুদ্ধত মাতৃভূমিৰ হৈ অংশ লোৱাৰ সিদ্ধান্তৰ কথা প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'আমাৰ আৰু আন কোনো উপায় নাই, আমি হাতত অস্ত্ৰ ল'ব লাগিব। আমি যুঁজ কৰিম।' ৫০ বছৰীয়া বয়সৰ ভিটালী বক্সিং খেলুৱৈ হিচাপে ইউক্ৰেইনত 'ডক্টৰ আইৰণফিষ্ট' হিচাপে পৰিচিত হৈছিল। চলিত মাহৰ আৰম্ভণিতে ভিটালী আৰু ভ্লাডিমীৰে ইউক্ৰেইনৰ ৰিজাৰ্ভ সৈন্য বাহিনীত ভৰ্তি হৈছিল। ক্লিটছক' ভ্ৰাতৃদ্বয়ে প্ৰকাশ কৰা অনুসৰি দেশৰ প্ৰতি থকা ভালপোৱাৰ বাবেই তেওঁলোকে সেনা বাহিনীত যোগদানৰ সিদ্ধান্ত ল'লে।





## ২৪ ঘণ্টাত সংক্ৰমিত ১৩,১৬৬ জন, মৃত্যু ৩০২ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** কৰ'নাৰ সংক্ৰমণৰ পৰা ক্ৰমে মুক্তিৰ পথত অগ্ৰসৰ হৈছে দেশ। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডত সংক্ৰমিত হ'ল ১৩,১৬৬ জন লোক। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে ভাৰতত ক'ভিড সংক্ৰমণ সামান্য হ্ৰাস পালে। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ৩০২ জন লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ১৩ হেজাৰ ২২৬ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। সম্প্ৰতি দেশত এক লাখ ৩৪ হেজাৰ ২৩৫ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## কেনেকৈ চোৰাংচোৱা বিষয়া পুটিন বিশ্বৰ সবাতোকৈ শক্তিশালী নেতাত পৰিণত হ'ল?

**নিউজ ব্যুৰ', মস্কো, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাত সমগ্ৰ বিশ্বজুৰি ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন আকৌ এবাৰ চৰ্চিত হৈছে। বিগত প্ৰায় তিনি দশক ধৰি ৰাছিয়াৰ ক্ষমতাৰ শীৰ্ষত আছে পুটিন। উল্লেখ্য যে কৰ্মজীৱনৰ আৰম্ভণিতে পুটিনে ৰুছ চোৰাংচোৱা সংস্থা কেজিবিৰ এজন বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫২ত ছেণ্ট পিটাৰ্ছবাৰ্গত জন্মলাভ কৰা পুটিনে মাত্ৰ ২৩ বছৰ বয়সতে ১৯৭৫ত কেজিবিৰ বিষয়া হৈছিল। ১৯৯০লৈকে তেওঁ চোৰাংচোৱা বিষয়া হিচাপে কাম কৰিছিল। ১৯৯৯ত তদানীন্তন



ৰুছ ৰাষ্ট্ৰপতি বৰিছ য়েল্টছিনে তেওঁৰ চৰকাৰত এবছৰৰ বাবে পুটিনক প্ৰধানমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছিল। ইয়াৰ পাছত ২০০০ বৰ্ষত পুটিন প্ৰথমবাৰৰ বাবে ৰুছ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল আৰু তেতিয়াৰে পৰা বৰ্তমানলৈকে এই পদত কৰ্মৰত হৈ আছে। বিগত তিনিটা দশকত এইদৰে ৰাছিয়াৰ ক্ষমতাৰ শীৰ্ষত বৰ্তি থাকি পুটিন সাম্প্ৰতিক অন্যতম এজন প্ৰভাৱশালী তথা শক্তিশালী নেতাত পৰিণত হৈছে। ২০১২ত দ্বিতীয়বাৰৰ বাবে ৰুছ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ দুবছৰ পাছত পুটিনে ক্ৰিমিয়া দখল কৰিছিল। ইয়াৰ আঠ বছৰৰ পাছত তেওঁ ইউক্ৰেইনত আক্ৰমণৰ নিৰ্দেশ দিলে। ২০১৩ আৰু ১৬ বৰ্ষত পুটিনক বিশ্বৰ সবাতোকৈ শক্তিশালী ব্যক্তি হিচাপে স্বীকৃতি দিয়া হৈছিল।

## অস্ত্ৰ ত্যাগ কৰি আলোচনাত অংশ ল'বলৈ ৰাছিয়াক পৰামৰ্শ তালিবানৰ



**নিউজ ব্যুৰ', কাবুল, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে আফগানিস্তানৰ তালিবান চৰকাৰে। ৰাছিয়া-ইউক্ৰেইন সংঘাতক লৈ উদ্বিগ্ন তালিবান চৰকাৰে আজি এক বিবৃতি প্ৰকাশ কৰি এইদৰে কয়, 'ইউক্ৰেইনৰ পৰিস্থিতিৰ ওপৰত আফগানিস্তানৰ আমিৰশ্বাহিয়ে দৃষ্টি ৰাখিছে। নাগৰিকৰ মৃত্যুক লৈ আফগানিস্তানৰ চৰকাৰ চিন্তিত। উভয় পক্ষকে যুদ্ধৰ পৰা বিৰত থাকিবলৈ আফগানিস্তানৰ আমিৰশ্বাহিয়ে আহ্বান জনাইছে। কোনেও হিংসাৰ পথ বাছি লোৱা উচিত নহয়। আফগানিস্তানৰ আমিৰশ্বাহিয়ে বিচাৰিছে, হিংসাৰ পথ ত্যাগ কৰি সমস্যাৰ সমাধান কৰক।' তালিবানে লগতে কয় যে ৰাছিয়া-ইউক্ৰেইন সংঘাতৰ ক্ষেত্ৰত আফগানিস্তানে কোনো ধৰণৰ পক্ষপাতিত্ব নকৰে। এই ক্ষেত্ৰত আফগানিস্তানৰ বৈদেশিক নীতি নিৰপেক্ষ হ'ব বুলি তালিবান চৰকাৰে স্পষ্ট কৰি দিয়ে। 'আমি বিচাৰিছো হিংসাৰ পথ ত্যাগ কৰি দুই দেশে আলোচনাৰ মেজত বহক। আলোচনাৰ মাধ্যমেৰে উক্ত দেশলৈ শান্তি আহিব।' বিবৃতিত তালিবান চৰকাৰে আজি এইদৰে কয়।

## অমিতাভৰ নামত সমাজবাদীৰ বাবে ভোট বিচাৰিলে সাংসদ জয়াই



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৫ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে চিৰাথুত সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী পল্লৱী পেটেলৰ হৈ নিৰ্বাচনৰ প্ৰচাৰত অংশ ল'লে দলৰ সাংসদ তথা প্ৰাক্তন অভিনেত্ৰী জয়া বচ্চনে। সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰত অংশ লৈ জয়াই তেওঁৰ স্বামী অমিতাভ বচ্চনৰ নামত সমাজবাদী পাৰ্টিৰ বাবে ভোট ভিক্ষা কৰে। নিজকে উত্তৰ প্ৰদেশৰ 'ডাঙৰ বোৱাৰী' বুলি অভিহিত কৰি জয়াই ভাষণ প্ৰসংগত ৰাজ্যবাসীক নিজৰ ভ্ৰাতৃ (অমিতাভ বচ্চন)ৰ সন্মান ৰক্ষা কৰিবলৈ আহ্বান জনায়। অমিতাভৰ নাম নোলোৱাকৈ জয়াই ৰাইজক উদ্দেশি কয়, 'গংগা কিনাৰে ৱালা জ' চৌৰা হে— তেওঁৰ সন্মান আপোনালোকে ৰক্ষা কৰিব লাগিব।' সমাজবাদী দলে পৰিবাৰবাদ চলাই অহা বুলি উত্থাপিত অভিযোগৰ প্ৰসংগত জয়াই মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নাম উল্লেখ নকৰাকৈ কয় যে যি মুখ্যমন্ত্ৰীয়ে নিজৰ পৰিয়ালক ত্যাগ কৰিলে, তেওঁ পৰিয়ালৰ মহত্ত্ব কি বুজি পাব?

## দেশত বিটকইন বৈধ নে ঃ জানিব বিচাৰিলে উচ্চতম ন্যায়ালয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** ভাৰতত বিটকইনৰ দৰে ক্ৰিপ্টকাৰেন্সী বৈধ নে অবৈধ সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰক স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশ দিলে উচ্চতম ন্যায়ালয়ে। ২০১৮ত পোহৰলৈ অহা বিটকইন প্ৰৱঞ্চনা বিষয়ক এক গোচৰত অভিযুক্তৰ তদন্ত সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দি দেশৰ সৰ্বোচ্চত আদালতে কেন্দ্ৰীয় চৰকাৰক বিটকইনৰ বৈধতাৰ প্ৰসংগত প্ৰশ্ন কৰে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে পহিলা ফেব্ৰুৱাৰীত দাখিল কৰা ২০২২-২৩ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটত বিটকইনসহ অন্য ক্ৰিপ্টকাৰেন্সীৰ জৰিয়তে হোৱা উপাৰ্জনৰ ক্ষেত্ৰত ৩০ শতাংশ কৰ আৰোপৰ কথা ঘোষণা কৰিছিল। তদুপৰি সকলো ধৰণৰ ক্ৰিপ্ট সম্পত্তিৰ লেনদেনত এক শতাংশ টি ডি এছ আৰোপৰ সিদ্ধান্তও বাজেটত অন্তৰ্ভুক্ত কৰা হৈছিল।



## ছ'পিয়ানত সেনাৰে সংঘৰ্ষত দুই লস্কৰ সদস্য নিহত

**নিউজ ব্যুৰ' ছ'পিয়ান, ২৫ ফেব্ৰুৱাৰী ঃ** জম্মু-কাশ্মীৰৰ ছ'পিয়ান জিলাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিলে নিৰাপত্তা বাহিনীয়ে। ছ'পিয়ানৰ অমশীপুৰা অঞ্চলত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ খবৰ লাভৰ পাছত সেনা আৰু আৰক্ষীয়ে আজি অঞ্চলটোত যৌথ অভিযান চলাইছিল। সেই সময়তে উক্ত অঞ্চলত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিৰ অন্তত অঞ্চলটোৰ পৰা দুজন লস্কৰ-ই-তৈবাৰ সদস্যৰ মৃতদেহ সেনাই উদ্ধাৰ কৰে। মৃত দুই সন্ত্ৰাসবাদী ছ'পিয়ানৰ স্থানীয় বাসিন্দা আছিল।

## এজন ৰামভক্তই হ'ব মুখ্যমন্ত্ৰী ঃ আশাবাদী যোগীৰ দাবী



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৫ ফেব্ৰুৱাৰী ঃ** ৰামভক্তৰ ওপৰত নিৰ্বিচাৰে গুলিবৰ্ষণ কৰিছিল সমাজবাদী পাৰ্টিয়ে, কিন্তু দলৰ ফালৰ পৰা এই ঘটনাৰ বাবে কেতিয়াও ক্ষমা বিচৰা হোৱা নাছিল। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱক এইদৰে আক্ৰমণ কৰি চি এন এন-নিউজ ১৮ৰ এক সাক্ষাৎকাৰত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয়, 'ৰামভক্তৰ ওপৰত গুলি চলোৱা হৈছিল, কেতিয়া তেওঁলোকে ক্ষমা বিচাৰিব? নিৰপৰাধ ৰামভক্তৰ ওপৰত কিদৰে গুলিবৰ্ষণ কৰা হৈছিল এই ঘটনাৰ বিশ্ব সাক্ষী আছে। সমাজবাদী পাৰ্টিয়ে ৰামভক্তৰ ওচৰত বা জাতিৰ পৰা ক্ষমা বিচাৰিব নে?' যোগীয়ে লগতে দাবী কৰি কয় যে উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত এজন ৰামভক্তই পুনৰ মুখ্যমন্ত্ৰী হ'ব। উত্তৰ প্ৰদেশত তেওঁৰ নেতৃত্বত বিজেপি চৰকাৰে গোবংশৰ সুৰক্ষাৰ বাবে কাম-কাজ কৰা বুলি দাবী কৰি যোগীয়ে কয় যে বিধানসভাৰ এইবাৰৰ নিৰ্বাচনতো বিজেপিৰ বিপুল জয় নিশ্চিত।

## ই ডিৰ জিম্মাত স্বাস্থ্যৰ অৱনতি ঘটাত চিকিৎসালয়ত ভৰ্তি কৰালে মলিকক




**নিউজ ব্যুৰ', মুম্বাই, ২৫ ফেব্ৰুৱাৰী ঃ** অবৈধ ধন সৰবৰাহৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ দুদিন পূৰ্বে গ্ৰেপ্তাৰ কৰা মহাৰাষ্ট্ৰ চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ই ডিৰ জিম্মাত স্বাস্থ্যৰ হঠাতে অৱনতি ঘটাত ধৃত মলিকক মুম্বাইৰ জে জে হাস্পতালত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে যোৱা বুধবাৰে এন চি পিৰ নেতাজনক ই ডিয়ে গ্ৰেপ্তাৰ কৰিছিল। মলিকৰ বিৰুদ্ধে মাফিয়া ডন ডাউদ ইব্ৰাহিমৰ আত্মীয়ৰ সম্পত্তি ক্ৰয়ৰ অভিযোগ উত্থাপিত হৈছিল। তদুপৰি তেওঁৰ বিৰুদ্ধে উত্থাপিত হোৱা অবৈধ বিত্তীয় সৰবৰাহৰ গোচৰৰো তদন্ত ই ডিয়ে অব্যাহত ৰাখিছে।

## ৰুছ আক্ৰমণৰ মাজতে বিবাহ সম্পন্ন কৰিলে ইউক্ৰেইনৰ যুগলে



**নিউজ ব্যুৰ', কীভ, ২৫ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনৰ এক প্ৰেমিক যুগলে যুদ্ধৰ পৰিস্থিতিৰ মাজতে সম্পন্ন কৰিলে নিজৰ বিবাহ। এই প্ৰেমিকদ্বয়ে কাহানিও কল্পনা কৰা নাছিল যে তেওঁলোকে সুমধুৰ সংগীতৰ পৰিৱৰ্তে বোমাবৰ্ষণ আৰু চাইৰেনৰ শব্দৰ মাজত বিবাহ সম্পন্ন কৰিব লাগিব। বুধবাৰে নিশা যেতিয়া ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰিছিল সেই সময়ত আন বহুতৰ দৰে আতংকত ভাগি পৰিছিল য়াৰিনা অৰিবা আৰু চিয়াবাত'শ্লাভ ফুৰ্চিন। কিন্তু এনে পৰিস্থিতিতে উভয়ে মন স্থিৰ কৰি বিবাহৰ সিদ্ধান্ত ল'লে। ইউক্ৰেইনৰ আকাশত যুঁজাৰু বিমানে সঘনে উৰণ মাৰি সকলোকে ত্ৰাসিত কৰাৰ সময়তে য়াৰিনা আৰু চিয়াবাত'শ্লাভে কীভস্থিত মাইকেলছ মনাষ্ট্ৰিত বিবাহ সম্পন্ন কৰিবলৈ হাজিৰ হৈছিল। ইয়াৰ পাছতে কালি দুয়োৰে বিবাহ সম্পন্ন কৰে পুৰোহিতে। বিবাহ সম্পন্ন কৰাৰ পাছত য়াৰিনা আৰু চিয়াবাত'শ্লাভে সংবাদ মাধ্যমৰ আগত কয়, 'আমি সংগীতৰ সুমধুৰ শব্দত নিজৰ বিবাহখন সম্পন্ন কৰিব বিচাৰিছিলো কিন্তু পুটিনে সকলো ছাৰখাৰ কৰিলে। আমাৰ সপোন ভংগ হ'ল। কিন্তু যুদ্ধই আমাক হাৰ মনাব নোৱাৰে। কাইলৈ কি হ'ব কোনে জানে? সেয়েহে যুদ্ধৰ আৰম্ভণিৰ লগে লগে আমি আশাহত নহৈ বিবাহসম্পন্ন কৰিলো। অহা ছয় মে'ত আমাৰ বিবাহৰ দিন স্থিৰ কৰা হৈছিল। কিন্তু হঠাতে ৰাছিয়াই দেশ আক্ৰমণ কৰাত আমি আজি বিবাহপাশত আবদ্ধ হ'লো। কাইলৈৰ কথা আমি চিন্তা নকৰো।'

## দিল্লীত নৈশ সান্ধ্য আইন প্ৰত্যাহাৰ, মেট্ৰ'-বাছত থিয় হৈ কৰিব পাৰিব যাত্ৰা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত সকলো ধৰণৰ ক'ভিড বিধি প্ৰত্যাহাৰ কৰা হ'ল। আজি দিল্লী দুৰ্যোগ ব্যৱস্থাপনা কমিটী (ডি ডি এম এ)ৰ বৈঠকত ৰাজধানী চহৰখনত ইমানদিনে ক'ভিড প্ৰতিৰোধৰ বাবে বলৱৎ থকা নৈশ সান্ধ্য আইন প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। কৰ'না ভাইৰাছৰ সংক্ৰমণ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ডি ডি এম এয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। নৈশ সান্ধ্য আইন প্ৰত্যাহাৰৰ লগতে এতিয়াৰে পৰা দিল্লীত মেট্ৰ' ৰেল আৰু বাছত যাত্ৰীয়ে থিয় হৈ ভ্ৰমণ কৰাৰ অনুমতি লাভ কৰিব। ইফালে, দিল্লীৰ ভিতৰত মাস্ক পৰিধান নকৰা লোকক পূৰ্বৰ দুহেজাৰ টকাৰ পৰিৱৰ্তে পাঁচশ টকাৰ জৰিমনা বিহাৰ সিদ্ধান্ত লোৱা হৈছে। কালি ৰাজধানী চহৰখনত ৫৫৬ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। সম্প্ৰতি দিল্লীত ২২৭৬ জন সক্ৰিয় কৰ'না ৰোগী আছে।

■ মৰাণ পৌৰসভাত উন্নয়নৰ নমুনা ■ ছয় কোটি আঁচনি সম্পূৰ্ণ কৰাত ব্যৰ্থ

# চাৰি বছৰে সম্পূৰ্ণ নহ'ল বহুমুখী ভৱন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৫ ফেব্ৰুৱাৰী ঃ** প্ৰতি পাঁচ বছৰৰ অন্তত হোৱা পৌৰসভা নিৰ্বাচনত একোখন সমিতি গঠন হয়। সমিতিসমূহৰ কাম হ'ল নগৰখন উন্নয়ন কৰা। কিন্তু নিৰ্বাচিত সমিতিবোৰে উন্নয়নমূলক কামৰ বিপৰীতে চৰকাৰে নগৰ উন্নয়নৰ কাৰণে আগবঢ়োৱা বৃহৎ পৰিমাণৰ ধন আত্মসাৎ কৰি ব্যক্তিগতভাৱে চহকী হৈছে। তাৰ উদাহৰণ চৰাইদেউ জিলাৰ মৰাণ পৌৰসভাখনৰ কথাকে ক'ব পাৰি। ১৯৬০ত প্ৰতিষ্ঠা হোৱা নগৰখনৰ উন্নতি চালেই সকলো কথা পোহৰলৈ আহে। নগৰখনত আজিও পানী যোগান আঁচনি নথকাৰ লগতে নলা-নৰ্দমাৰ কামখিনিও সম্পূৰ্ণ নহ'ল। বিজুলী বাতিকে মুখ্য কৰি বহু সমস্যাৰ নগৰবাসীয়ে সন্মুখীন হৈ আহিছে। নিৰ্বাচন সময় মতে হৈ আহিছে কিন্তু উন্নয়নৰ নামত শূন্য। মৰাণ পৌৰসভাৰ পাঁচ নম্বৰ ৱাৰ্ডত বিগত চাৰি বছৰে অসম্পূৰ্ণ হৈ আছে বহুমুখী ভৱনৰ নিৰ্মাণৰ কাম। মৰাণ ৰাজ্যিক পশু চিকিৎসালয়ৰ চৌহদত ২০১৮ৰ ১৮ মাৰ্চত সেই সময়ৰ মাহমৰা সমষ্টিৰ বিধায়ক, বৰ্তমানৰ কেবিনেট মন্ত্ৰী যোগেন মহনে আধাৰশিলা স্থাপন কৰিছিল বহুমুখী ভৱনটোৰ। প্ৰায় ছয় কোটি টকা কেন্দ্ৰীয় পুঁজিৰে নিৰ্মাণ আৰম্ভ কৰা সেই সময়ৰ মৰাণ নগৰ সমিতিৰ (বৰ্তমান মৰাণ পৌৰসভা) বহুমুখী ভৱনটোৰ ৫০ শতাংশও সম্পূৰ্ণ নহ'ল বিগত প্ৰায় চাৰি বছৰে। ভৱনৰ কাম আধৰুৱাকৈ এৰি ৰহস্যজনকভাৱে অন্তৰ্ধান হ'ল নিৰ্মাণৰ লগত জড়িত ঠিকাদাৰী প্ৰতিষ্ঠান। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী মহনৰ নিজা পৌৰসভাতে উন্নয়নৰ এনে আধৰুৱা ছবিয়ে স্তম্ভিত কৰিছে মৰাণৰ সৰ্বসাধাৰণ নাগৰিকক। কি ৰহস্যজনক কাৰণত বহুমুখী ভৱনৰ কাম সম্পূৰ্ণ নহ'ল সেই লৈ প্ৰশ্ন উত্থাপন কৰিছে বিভিন্নজনে। ঠিকাদাৰী প্ৰতিষ্ঠানৰ স'তে মন্ত্ৰীৰ কমিছনৰ অংক থকাৰ বাবেই মৰাণ পৌৰসভাত উন্নয়ন স্থবিৰ হোৱাৰ অভিযোগ উত্থাপন কৰিছে আছুৰ মৰাণ আঞ্চলিক সমিতিয়ে।



# লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২৫ ফেব্ৰুৱাৰী ঃ** ঢেকিয়াজুলিৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয় স্থাপনৰ পঞ্চাশ বৰ্ষ সম্পূৰ্ণ হোৱাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-ৰাইজৰ সহযোগত অহা ২৩,২৪ আৰু ২৫ এপ্ৰিলত তিনিদিনীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী সমাৰোহ আয়োজন কৰা হৈছে । সোণালী জয়ন্তী সমাৰোহ সফল্যমণ্ডিত কৰি তুলিবলৈ ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংহলক সভাপতি, ধীৰাজজোতি কলিতা আৰু ৰাতুল কুমাৰ নাথক কাৰ্যকৰী সভাপতি, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীক মুখ্য সম্পাদকৰূপে লৈ শক্তিশালী আদৰণি সমিতি গঠন কৰাৰ লগতে ২০টা উপ-সমিতি গঠন কৰা হৈছে। ইপিনে, সোণালী জয়ন্তী সমাৰোহ উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা চলোৱা হৈছে । ড° হৰিপ্ৰসাদ বৰুৱাক সম্পাদকৰূপে লৈ গঠন কৰা স্মৃতিগ্ৰন্থ উপ-সমিতিয়ে তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। আনপিনে সোণালী জয়ন্তী সমাৰোহৰ স'তে সংগতি ৰাখি মহাবিদ্যালয় চৌহদত পাঁচদিনীয়া গ্ৰন্থমেলা অনুষ্ঠিত কৰা হ'ব। গ্ৰন্থমেলা সফল কৰিবলৈ গ্ৰন্থমেলা উপ-সমিতিয়ে প্ৰস্তুতি চলাইছে। উল্লেখ্য যে, শোণিতপুৰ জিলাৰ অবিভক্ত ঢেকিয়াজুলি ৰাজহ চক্ৰৰ পাঁচখন মৌজাৰ অভিভাৱক-ৰাইজৰ দান বৰঙনিৰে ১৯৭০ত স্থাপন কৰা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ে গৌৰৱউজ্বল পঞ্চাশবৰ্ষ ২০২০ত সম্পূৰ্ণ কৰিছে । সেই সময়ত ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ বাবে সোণালী জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰিব পৰা নগ'ল । এতিয়া স্বাভাৱিক পৰিস্থিতি অহাত মহাবিদ্যালয় কৰ্তৃপক্ষই সোণালী জয়ন্তী সমাৰোহ আয়োজন কৰিছে।

# জনজাতীয় ভাষাৰ তালিকাত সোণোৱাল ভাষাকো অন্তৰ্ভুক্ত কৰাৰ দাবী

■ সোণোৱাল সংগঠনৰ শিক্ষামন্ত্ৰীক স্মাৰকপত্ৰ

**বিশেষ সংবাদ দাতা**

**ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ নেতৃত্বত সোণোৱাল কছাৰী জনগোষ্ঠীটোৰ আটাইকেইটা সংগঠনৰ নেতৃবৃন্দই অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ধেমাজিস্থিত বাসভৱনত সাক্ষাত কৰি এক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনৰ জৰিয়তে সংগঠনকেইটাই ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ আধাৰত শিক্ষা বিভাগে প্ৰস্তুত কৰা অসমৰ জনজাতীয় ভাষা অন্তৰ্ভূক্তিৰ তালিকাত সোণোৱালসকলৰ ভাষাকো অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়। স্মাৰকপত্ৰখনত সংগঠনকেইটাই কয় যে সোণোৱালসকলৰ যে নিজস্ব এটা ভাষা আছিল সেয়া সৰ্বজনবিদিত। ইয়াক হাইদাং গীতেই স্বাক্ষৰ বহন কৰি আহিছে। সোণোৱালসকলৰ হায়দাং গীতত জাতিটোৰ ধৰ্ম, বিজ্ঞান, দৰ্শন, সাহিত্য আৰু সংস্কৃতি নিহিত হৈ আছে। আদিতে গীতবোৰ নিজস্ব ভাষাত লিখা আছিল বুলি জনা যায় যদিও কালক্ৰমত সংৰক্ষণৰ অভাৱত এইবোৰ লুপ্ত হয়। পৰৱৰ্তী সময়ত এই গীতবোৰ মান্য অসমীয়া মিহলি সোণোৱাল ভাষাত প্ৰচলন আৰু প্ৰকাশ হৈছে। কিন্তু অতি সম্প্ৰতি এইবোৰক সোণোৱালৰ নিজস্ব ভাষাত প্ৰকাশৰ গৱেষণা চলি আছে। ইতিমধ্যে সোণোৱাল ভাষাত কে'বাখনো গ্ৰন্থ আৰু শব্দকোষ প্ৰকাশৰ লগতে লগতে বাতৰি কাকততো সোণোৱাল ভাষাত নিৰন্ধ প্ৰকাশ পাই আহিছে। ব্যাকৰণ ৰচনা, পূৰ্ণাংগ অভিধানকে ধৰি ইয়াৰ আনুষংগিক কাম চলি আছে। ৰাজ্যৰ অন্যান্য জনগোষ্ঠীৰ লগতে সোণোৱালসকলকো সম অধিকাৰ, সমবিকাশ আৰু সমমৰ্যদাৰ স্বাৰ্থত সোণোৱাল ভাষাকো অন্তৰ্ভূক্ত কৰিবলৈ সংগঠনকেইটাই মন্ত্ৰীগৰাকীক দাবী জনায়। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে জনগোষ্ঠীটোৰ সংগঠনকেইটাক দাবী পূৰণৰ প্ৰতিশ্ৰুতি প্ৰদানৰ লগতে অতি শীঘ্ৰেই 'এছচিইআৰটি'ৰ স'তে যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সাক্ষাত কালত সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱাল, মুখ্য সম্পাদক মৃদুল সোণোৱাল, সম্পাদক দিগন্ত হাজৰিকা, প্ৰচাৰ সম্পাদক জোমটি সোণোৱাল, সাংস্কৃতিক সম্পাদক মহানন্দ সোণোৱাল, ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সাধাৰণ সম্পাদক ৰাজু সোণোৱাল, নাৰী সন্থাৰ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল, সম্পাদিকা লাৱণ্য সোণোৱালৰ লগতে কেউটা সংগঠনৰ কে'বাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। আৰম্ভণিতে সভাৰ তৰফৰ পৰা মন্ত্ৰীগৰাকীক সোণোৱাল ভাষাৰ শব্দকোষৰ লগতে গুণেশ্বৰ সোণোৱালৰ সোণোৱাল ভাষাৰ গ্ৰন্থ আবৈ, পাটমাদৈ, গিধই আৰু অন্যান্য গ্ৰন্থ প্ৰদান কৰা হয়।

# দুধনৈত জাৰ্ণেলিষ্ট একচন কমিটীৰ বিশেষ সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৫ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাৰ দুধনৈত পৰহি জাৰ্ণেলিষ্ট এক্সন কমিটী গোৱালপাৰা জিলাৰ এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন বাংলাত অনুষ্ঠিত জাৰ্ণেলিষ্ট এক্সন কমিটী গোৱালপাৰা জিলাৰ সভাপতি নীলমণি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয় সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জাৰ্ণেলিষ্ট এক্সন কমিটী গোৱালপাৰা জিলাৰ সম্পাদক কন্দৰ্প নাথে। এই সভাতেই জাৰ্ণেলিষ্ট এক্সন কমিটী গোৱালপাৰা জিলাৰ পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। বেনজিন বড়োক সভাপতি, দেৱদত্ত ৰাভাক উপ-সভাপতি, কন্দৰ্প নাথক সাধাৰণ সম্পাদক, অৰূপ নাথক সহ-সম্পাদক, কল্যাণ ৰায়ক সাংগঠনিক সম্পাদকৰূপে লৈ জাৰ্ণেলিষ্ট এক্সন কমিটী গোৱালপাৰা জিলাৰ নতুন সমিতিখন গঠন কৰা হয়। বিগত সময়ছোৱাত সমিতিখনে প্ৰৱৰ্তন কৰা 'সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা' ধাৰাবাহিকভাৱে প্ৰদান কৰিবলৈ এই সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# খেল শান্তি প্ৰিয় পৃথিৱী গঢ়াৰ সমল

■ ছয়গাঁও মহাবিদ্যালয়ত 'বৃত্তিৰূপে ক্ৰীড়া' শীৰ্ষক আলোচনা চক্ৰত সুবোধ মল্ল বৰুৱা

**ছয়গাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** 'খেল হ'ল সামাজিক নিৰাপত্তাৰ সমল, শান্তি-সম্প্ৰীতি ৰক্ষাৰ সমল, শান্তিপ্ৰিয় পৃথিৱী গঢ়াৰ সমল।' দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কালি ছয়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত 'বৃত্তিৰূপে ক্ৰীড়া' শীৰ্ষক আলোচনা চক্ৰত মুখ্য আলোচকৰূপে উপস্থিত থাকি এই বক্তব্য আগবঢ়ায় বিশ্ব ক্ৰীড়া সাংবাদিক সন্থাৰ ভাৰতীয় প্ৰতিনিধি সুবোধ মল্ল বৰুৱাই। 'উষা দাস ফাউণ্ডেছন আৰু ছয়গাঁও মহাবিদ্যালয় আভ্যন্তৰীণ মান প্ৰত্যায়ন কোষ'ৰ সহযোগত মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনা চক্ৰত বৰুৱাই ক্ৰীড়া কেনেদৰে জীৱন-জীৱিকাৰ সমল হ'ব পাৰে তাক বহলাই ব্যাখ্যা কৰে। ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰখনত আন এগৰাকী আলোচকৰূপে অংশ লৈ ভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ কোষাধ্যক্ষ বিদ্যুৎ কলিতাই ভাষণ প্ৰদান কৰে। দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই সভাত অংশগ্ৰহণ কৰি খেলুৱৈসকলক উৎসাহিত কৰে। ছয়গাঁও মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° নৱ কুমাৰ কলিতাই আলোচনা চক্ৰৰ আদৰণি ভাষণ প্ৰদান কৰে। সভাৰ আঁত ধৰে জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সুকুমাৰ মেধিয়ে। আলোচনা চক্ৰত ছয়গাঁও মহাবিদ্যালয়ৰ শৈক্ষিক বিষয়া কমল ঠাকুৰীয়া, ছয়গাঁও ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা অধ্যাপক ধীৰেণ দাস, জিলা ক্ৰীড়া সন্থাৰ কোষাধ্যক্ষ মুকুট ঠাকুৰীয়া প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে। আলোচনা চক্ৰৰ প্ৰস্তাৱ মৰ্মে পাঠ্যক্ৰমত শাৰীৰিক শিক্ষক বাধ্যতামূলক কৰাৰ বিষয়টো ত্বৰান্বিত কৰাৰ বাবে শাৰীৰিক নিৰ্দেশক নিযুক্তিত গুৰুত্ব দিবলৈ অসম চৰকাৰক আহ্বান জনায়।

# দল বিৰোধী কাৰ্যত লিপ্ত থকাত বিজেপিৰ ১৯ সদস্যক বহিষ্কাৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৫ ফেব্ৰুৱাৰী ঃ** সমাগত পৌৰসভা নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থিত্ব দাবী কৰি প্ৰাৰ্থিত্ব লাভ নকৰি নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰা হোজাইৰ চাৰি পৌৰসভাৰ ১৯ জনক দলে প্ৰাথমিক সদস্যৰ পৰা বহিষ্কাৰ কৰে। ৰাজ্যিক সভাপতিৰ নিৰ্দেশত হোজাই, লংকা, লামডিং আৰু ডবকা পৌৰসভাৰ দলৰ পৰা বহিষ্কাৰ কৰা সদস্যসকল হ'ল ক্ৰমে হোজাই পৌৰসভাৰ নাৰায়ণ সৰকাৰ, প্ৰদীপ ঘোষ, সুচাৰ কান্তি পাল, স্বপ্না দাস দেৱ, মৃদুল শইকীয়া, নন্দ দে, পৰিতোষ দে, উষা দত্ত সহ আঠজন। লংকা পৌৰসভাৰ বহিষ্কাৰ নজন হ'ল ক্ৰমে অচাদুল, অভিজিত দাস, ৰাজীৱ চন্দ্ৰ শীল, দীপক কুমাৰ শীল, মিত্ৰা ছন্দ, পপীয়া দে, ৰমা মজুমদাৰ, মণি মজুমদাৰ আৰু প্ৰসেনজিৎ দাস। উল্লেখ্য যে হোজাই জিলাৰ ডবকা আৰু লামডিং পৌৰসভাৰ দুজন সদস্যই দলৰ সিদ্ধান্তত বিৰোধিতা কৰি নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে দলৰ প্ৰাথমিক সদস্যৰ পৰা বহিষ্কাৰ কৰে। সেই দুজন হ'ল ক্ৰমে ডবকাৰ চিজুল হালদাৰ আৰু লামডিং পৌৰসভাৰ পংকজ দে।

# আজিৰ পৰা সদৌ চকৰি গঞা বংশাৱলী সভাৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক মহং অধিবেশন

**ডুমডুমা, ২৫ ফেব্ৰুৱাৰী ঃ** সদৌ চকৰি গঞা বংশাৱলী সভা অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত তিনিচুকীয়াৰ এক নম্বৰ মহং গাঁৱৰ টকৌ পথাৰ প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীত পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গছপুলি ৰোপণ অনুষ্ঠানৰ পাছত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ভাগত যুৱক-যুৱতীসকলৰ লগত অন্তৰংগ আলাপ অনুষ্ঠান। সঞ্চালনা কৰিব ভুলেন বৰুৱাই। অনুষ্ঠানত শিক্ষক বলিন্দ্ৰ মহন্ত, মোহন মৰাণ, ঘনকান্ত মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মুনিন দুৱৰা, যোগ্য ফুকন, জিতেন মৰাণ আদি উপস্থিত থাকিব। সন্ধিয়া বন্তি প্ৰজ্বলন অনুষ্ঠান আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। বংশৰ মুখপত্ৰ 'চকৰিগঞা' উন্মোচন কৰিব লেখক গদক মৰাণে। আনহাতে, দ্বিতীয় দিনা, ২৭ ফেব্ৰুৱাৰীত মুকলি সভা আৰু বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰমোদ বৰুৱাই উদ্বোধন কৰা আৰু টিলেশ্বৰ শইকীয়াই সঞ্চালনা কৰিব লগা মুকলি সভাত বংশাৱলীৰ উপদেষ্টা তথা মৰাণ স্বায়ত্তশাসিত পৰিষদৰ চি ই এম দ্বীপন মৰাণে নিৰ্দিষ্ট বক্তাৰূপে ভাগ ল'ব। সভাত মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়া, মৰাণ সাহিত্য সভাৰ সভাপতি হৰকান্ত মহন্ত, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগ, মটক সন্মিলনৰ সাধাৰণ সম্পাদক কিৰণ ৰাজখোৱা, লেখক-চিন্তাবিদ ফটিক চন্দ্ৰ নেওগ, সুমন মৰাণ, সমাজ সেৱক ভাদেশৰ মৰাণ আদি কৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। সাংস্কৃতিক সন্ধিয়া সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ সাধাৰণ সম্পাদক মন্টু চেতিয়াই উদ্বোধন কৰিব। সন্ধিয়া কণ্ঠশিল্পী নিলাক্ষী নেওগ, ৰাজীৱ শদিয়া, ৰোহিত সোনাৰ, ৰণতো খাটোৱাল, পিন্টু হাজৰিকাই গীত পৰিৱেশন কৰিব।

# বিটিআৰৰ নতুন প্ৰধান সচিবক সম্বৰ্ধনা জ্ঞাপন অগপৰ

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২৫ ফেব্ৰুৱাৰী ঃ** বিটিআৰত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰধান সচিব অনুৰাগ গোৱেলক সম্বৰ্ধনা জ্ঞাপন কৰে অগপৰ কৰ্মকৰ্তাসকলে। কালি বিটিচি সচিবালয়ত প্ৰধান সচিবৰ কক্ষত গোৱেলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে দলৰ কেন্দ্ৰীয় সম্পাদক হৰেশ্বৰ স্বৰ্গীয়াৰী, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুবীৰ চক্ৰৱৰ্তী, কেন্দ্ৰীয় সদস্য সন্তোষ কুমাৰ মহন্তৰ লগতে দলৰ আন কৰ্মকৰ্তাই।

# ভৱানীপুৰ সমষ্টিত চাৰিটা মডেল অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন বিধায়কৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৫ ফেব্ৰুৱাৰী ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ ভিন্ন স্থানত যোৱা ২৪ ফেব্ৰুৱাৰীত চাৰিটা মডেল অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে সমষ্টিটোৰ বিধায়ক ফনীধৰ তালুকদাৰে। ভৱানীপুৰ বিধানসভা সমষ্টিৰ দাতিৰবৰী, কৰেগাৰী, চাউলীয়াবৰী আৰু পশ্চিম হকাৰটুপত পৃথকে-পৃথকে মুঠ চাৰিটা মডেল অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে বিধায়ক তালুকদাৰে। নতুনকৈ নিৰ্মাণ হ'বলগীয়া প্ৰতিটো মডেল অংগনৱাড়ী কেন্দ্ৰৰ ২৫ লাখ টকাকৈ ব্যয়েৰে নিৰ্মাণকাৰ্য সম্পন্ন কৰা হ'ব বুলি বিধায়ক তালুকদাৰে জানিবলৈ দিয়ে। আধাৰশিলা স্থাপন কাৰ্যসূচীত বিধায়কৰ লগতে ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি বুদ্ধদেৱ পাটগিৰিকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



*পৌৰসভাৰ নিৰ্বাচনৰ বাবে মৰিয়নিত নিৰ্দলীয় প্ৰাৰ্থীৰ প্ৰচাৰ অভিযান, শুকুৰবাৰে।*

# নিলখৰ ১৪ বছৰীয়া কিশোৰীক অপহৰণ শিৱসাগৰৰ যুৱকৰ

■ চিচিবৰগাঁও আৰক্ষী চকীত গোচৰ

**অগ্ৰদূত বাৰ্তা**

**চিলাপথাৰ, ২৫ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ চিচিবৰগাঁও ৰাজহ চক্ৰৰ অধীনৰ নিলখ টকৌৱনী গাঁৱৰ এগৰাকী ১৪ বছৰীয়া তথা নিলখ বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰীক শিৱসাগৰ জিলাৰ জয়সাগৰৰ এজন যুৱকে অপহৰণ কৰি নিয়াৰ বিষয় লৈ কালি চিচিবৰগাঁও আৰক্ষী চকীত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। কিশোৰীগৰাকীৰ আত্মীয়ই উত্থাপন কৰা অভিযোগ অনুসৰি চিচিবৰগাঁও আৰক্ষীয়ে বিষয়টো সন্দৰ্ভত পক্ষপাতমূলক ভূমিকা গ্ৰহণ কৰিছে। কিশোৰীগৰাকীক যোৱা ২০ ফেব্ৰুৱাৰীত অপহৰণ কৰি নিয়ে জয়সাগৰৰ ৰমেন বৰুৱা ওৰফে ঋতু নামৰ প্ৰায় ৩৫ বছৰীয়া যুৱকজনে। বহুত বিচাৰ-খোচাৰ কৰাৰ অন্তত পৰিয়ালৰ লোকে কিশোৰীগৰাকীৰ সম্ভেদ পাই যোৱা নিশা চিচিবৰগাঁও আৰক্ষীৰ কাষ চাপে যদিও নিশা গোচৰ ল'বলৈ অমান্তি হয় চিচিবৰগাঁও আৰক্ষী। কালি আৰক্ষীয়ে কিশোৰীগৰাকীৰ পৰিয়ালৰ লগতে অপহৰণকাৰী ৰমেন বৰুৱাক মাতি আনে যদিও তেওঁক লুকুৱাই ৰাখি কিশোৰীগৰাকীক পৰিয়ালৰ লোকক লৈ যাবলৈ কয় আৰু কোনো গোচৰ তৰিব নালাগে বুলি জনায়। এই কথাতে খৰ্গহস্ত হৈ আৰক্ষী চকীত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। তেওঁলোকে দিয়া অভিযোগ অনুসৰি পূৰ্বে বিবাহিত তথা দুটা সন্তানৰ পিতৃ ৰমেনে পূৰ্বৰ পত্নীক হত্যা কৰিছে। কিন্তু ৰাজনৈতিকভাৱে শক্তিশালী হোৱাৰ বাবে আৰক্ষীয়ে বৃহৎ লেনদেন কৰি অপৰাধীক ৰক্ষণাবেক্ষণ দিবলৈ যত্ন কৰিছে বুলি অভিযোগ কৰে।তেওঁলোকে অপৰাধীৰ উপযুক্ত শাস্তিৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# বিদ্যুৎ পৰিষদ পেন্সনাৰ সন্থাৰ অধিবেশন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ পেন্সনাৰ সন্থাৰ ২০১৯-২১ৰ দ্বি-বাৰ্ষিক অধিবেশন অহা সাত আৰু আঠ মাৰ্চত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। এই উদ্দেশ্যে গঠন হোৱা অভ্যৰ্থনা সমিতিৰ সম্পাদক প্ৰভাত চন্দ্ৰ শৰ্মাই এক বিজ্ঞপ্তিযোগে জনোৱা মতে উক্ত অধিবেশনৰ বাবে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। সম্পাদকে সন্থাৰ সকলো বিষয়ববীয়া আৰু সদস্যকে দুয়োটা দিনৰ কাৰ্যসূচীতে উপস্থিত থাকি অধিবেশন সফল কৰি তোলাৰ বাবে অনুৰোধ জনাইছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে অধিবেশন পাঁচ আৰু ছয় মাৰ্চত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও পৌৰসভাৰ নিৰ্বাচনৰ দিন ঘোষণাৰ বাবে অধিবেশনৰ দিন পিছুৱাই দিয়া হৈছিল।

# ৰঙাপৰাৰ নামনিগাঁৱত কৃষি বান্ধৰ কামৰ আৰম্ভ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৫ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এক নম্বৰ নামনিগাঁৱত কালি এক কৃষি বান্ধ নিৰ্মাণৰ কাম আৰম্ভ হয়। এমজিএনৰেগা আঁচনিৰ অন্তৰ্গত ন লাখ ৭৮ হেজাৰ টকাৰে নিৰ্মাণ হ'বলগীয়া বান্ধৰ কামৰ আৰম্ভ কৰে গাঁৱৰে বয়োজ্যেষ্ঠ মহিলা ৰেখা বৰুৱাই। অনুষ্ঠানত খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মাই সকলোকে বান্ধ নিৰ্মাণ কামত সহযোগ কৰিবলৈ আহ্বান জনায়। সভাত অংশগ্ৰহণ কৰি ৰঙাপৰা প্ৰেছ ক্লাবৰ উপ-সভাপতি চাহিন আহমেদে নিৰ্মাণ কামত সম্পূৰ্ণ নিকা পন্থা অৱলম্বন কৰিবলৈ কয়। সভাত নামনি গাঁও পঞ্চায়তৰ সভাপতি মাথিয়াছ ভেংৰা, উপ-সভানেত্ৰী ৰূপালী পাটোৱাৰী, গ্ৰাম ৰোজগাৰ সহায়ক বাসুদেৱ পাল, ৰঙাপৰা প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক ছাজাহান কুৰেশী, বিজেপি চাহ মৰ্চা ৰঙাপৰা মণ্ডল সভাপতি বিজয় তাঁতী আৰু বহু লোক অংশগ্ৰহণ কৰে।

# পৌৰসভা নিৰ্বাচনৰ কামত ব্যৱহৃত সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে আগন্তুক পৌৰসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দৰং জিলা প্ৰশাসনে নিৰ্বাচনৰ কামত ব্যৱহাৰ হ'বলগীয়া বিভিন্ন সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰি দিছে আৰু ইয়াৰ ওপৰত ভিত্তি কৰি নিৰ্বাচনৰ ব্যয় ধাৰ্য কৰা হ'ব। কোনো প্ৰাৰ্থীৰ যদিহে এই নিৰ্ধাৰিত মূল্য সন্দৰ্ভত কোনো আপত্তি থাকে, তেন্তে এই বিজ্ঞপ্তি প্ৰকাশৰ ২৪ ঘণ্টাৰ ভিতৰত জিলা উপায়ুক্তক অভিযোগ দাখিল কৰিব পাৰিব। যদিহে কোনো সামগ্ৰীৰ দাম প্ৰকাশিত তালিকাত সন্নিৱিষ্ট হোৱা নাই তেনে সামগ্ৰীৰ বিষয়ে প্ৰাৰ্থী বা এজেণ্টে উপায়ুক্তক আবেদন কৰিব পাৰিব।

# ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত হৃদৰোগৰ সজাগতা আৰু চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৫ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ মেট্ৰ' হাস্পতালৰ 'এডভান্স হাৰ্ট কেয়াৰ চেণ্টাৰ'ৰ উদ্যোগত আৰু ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ সহযোগত কালি এক হৃদৰোগৰ সজাগতা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। বিকালী মহাবিদ্যালয়ে আয়োজন কৰা চিকিৎসা শিবিৰত ডাঃ চন্দ্ৰ কুমাৰ দাস আৰু ডাঃ ডৰিণ নাথৰ লগতে এটা চিকিৎসা কৰ্মীৰ দলে এই শিবিৰত অংশগ্ৰহণ কৰে। চিকিৎসা শিবিৰত বিকালী মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ লগতে ধূপধৰা অঞ্চলৰ অন্যান্য লোকে উপস্থিত হৈ স্বাস্থ্য পৰীক্ষা কৰে। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে প্ৰায় শতাধিক লোকে চিকিৎসা শিবিৰত স্বাস্থ্য পৰীক্ষা কৰায়। সাধাৰণে হৃদৰোগ সম্পৰ্কে সাধাৰণ ৰাইজ সচেতন নহয়। লোকসকল সচেতন হ'লে, সাৱধান হ'লে ৫০ শতাংশ হৃদৰোগ ঘৰতে ভাল কৰিব পাৰে। গতিকে ৰাইজক সজাগ-সচেতন কৰাৰ বাবে এই শিবিৰৰ আয়োজন কৰা বুলি চিকিৎসকে জনায়। বহু দুখীয়া লোকে হৃদৰোগত বহুত টকা খৰচ হয় বুলি ভয় খাই চিকিৎসকৰ কাষ নাচাপে কিন্তু একাংশ চৰকাৰী আঁচনিৰ দ্বাৰা ৰোগীসকল উপকৃত হোৱাৰ সুযোগ লাভ কৰে। এই সম্পৰ্কে আজিৰ শিবিৰত সজাগতা সৃষ্টি কৰা হয়।

# শ্ৰমিকৰ দাবী মানি স্বাক্ষৰিত হ'ল নতুন বেতন চুক্তি

■ শ্ৰমিক আন্দোলনত সেও মানিলে আই অ' চিয়ে

**ডিগবৈ, ২৫ ফেব্ৰুৱাৰী ঃ** ডিগবৈ শোধনাগাৰৰ ঠিকা শ্ৰমিকৰ ধাৰাবাহিক আন্দোলনত সেও মানি অৱশেষত নতুন বেতন চুক্তি স্বাক্ষৰিত কৰিবলৈ বাধ্য হ'ল ভাৰতীয় তেল নিগম অসম সংমণ্ডলে। যোৱা নিশা চিটুৰ অন্তৰ্গত মিনাৰেল অইল ৱাৰ্কাৰ্ছ ইউনিয়ন আৰু ভাৰতীয় ঠিকা মজদুৰ ইউনিয়নৰ স'তে ৰিজনেল লেবাৰ কমছনাৰৰ মধ্যস্ততাত আইঅ'চিয়ে নতুন বেতন চুক্তিত স্বাক্ষৰ কৰে। উল্লেখ্য যে ২০২০ৰ ৩০ ছেপ্টেম্বৰত ঠিকা শ্ৰমিকসকলৰ পূৰ্বৰ বেতন চুক্তিৰ ম্যাদ শেষ হৈছিল আৰু তাৰ পাছতেই আইঅ'চি নতুন বেতন চুক্তি স্বাক্ষৰ কৰি বৰ্ধিত মজুৰি ঠিকা শ্ৰমিকক প্ৰদান কৰি লাগিছিল। কিন্তু বিভিন্ন অজুহাত দেখুৱাই আইঅ'চিয়ে নতুন বেতন চুক্তি নকৰি শ্ৰমিক মজুৰি দুটা বছৰে বৃদ্ধি নকৰিলে। ফলত মিনাৰেল অইল ৱাৰ্কাৰ্ছ ইউনিয়ন আৰু ভাৰতীয় ঠিকা মজদুৰ ইউনিয়নে যুটীয়াভাৱে ধাৰাবাহিক আন্দোলন চলাই গৈছিল। শেহতীয়াকৈ দুয়োটা শ্ৰমিক সংগঠনে ২৪ ফেব্ৰুৱাৰীৰ পৰা সৰ্বাত্মক ধৰ্মঘট কৰা জাননী শোধনাগাৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিছিল। ফলত আইঅ'চিয়ে দুয়োটা সংগঠনক নতুন বেতন চুক্তি স্বাক্ষৰ কৰিবলৈ নিমন্ত্ৰণ জনায়। কিন্তু ইতিমধ্যে আইঅ'চিয়ে অন্য এটা শ্ৰমিক সংগঠনৰ লগতে দুদিনৰ পূৰ্বে নতুন বেতন চুক্তিত স্বাক্ষৰ কৰি চুক্তিৰ ম্যাদ সাত বছৰলৈ বৃদ্ধি কৰি থৈছিল। ফলত মিনাৰেল অইল ৱাৰ্কাছ ইউনিয়ন আৰু ভাৰতীয় ঠিকা মজদুৰ ইউনিয়নে এই চুক্তি অগ্ৰাহ্য কৰি চুক্তিৰ ম্যাদ কম কৰিবলৈ দাবী জনাই আলোচনাত ভাগ লোৱা শ্ৰমিক নেতাসকল বাহিৰলৈ ওলাই আহে। কিছুসময়ৰ পাছত পুনৰ শ্ৰমিক সংগঠন দুটাক আলোচনালৈ মাতি নি চুক্তিৰ ম্যাদ পাঁচ বছৰলৈ হ্ৰাস কৰে। উল্লেখ্য যে পূৰ্বতে চুক্তিৰ ম্যাদ আছিল চাৰি বছৰ।



# মাইক্ৰ'ফাইনেন্স উদ্‌গনি-ঋণ ৰেহাই আঁচনিৰ চেকত সামান্য ধন লাভ কৰা মহিলাৰ ক্ষোভ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৫ ফেব্ৰুৱাৰী ঃ** বিগত বিধানসভা নিৰ্বাচনৰ সময়ত তদানীন্তন বিত্তমন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰ'ফাইনেঞ্চৰ ঋণ লোৱা মহিলাসকলৰ ঋণ ৰেহাই দি বুলি ঘোষণা কৰিছিল। সেইমৰ্মে মহিলাসকলক উদ্‌গনি আৰু ঋণ ৰেহাই আঁচনিৰ জৰিয়তে যিসকল মহিলাই নিয়মমতে ঋণৰ কিস্তি আদায় দি আছে সেইসকল মহিলাক নগদ ২৫ হেজাৰ টকাৰ উদ্‌গনিমূলক চেক প্ৰদান কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেইমৰ্মে যোৱা ২৩ আৰু ২৪ ফেব্ৰুৱাৰীত বৰভাগৰ কালাগ দৌলখলাত এনেকুৱা ১৩ শ মহিলাক চেক প্ৰদান কৰে। কিন্তু দুৰ্ভাগ্যজনক কথা যে উক্ত উদ্‌গনিমুলক চেকত কেইগৰাকীমান নিৰ্দিষ্ট মহিলাৰ বাহিৰে বেচিভাগে ২৫ হেজাৰতকৈ কম টকাৰ চেক পোৱাত হিতাধিকাৰীসকল ক্ষুব্ধ হৈছে। ইমানে নহয় যিসকল মহিলাই নিয়মমতে ঋণৰ কিস্তি আদায় দি কোম্পানীৰ নিয়মক সন্মান জনাই আহিছে সেইসকল মহিলাই ৫০, ৫৫, ১০০, ১৪০, ৫৩৬, ১০৪৮, ১২৫৪ টকাৰ চেক লাভ কৰি হতবম্ব হৈছে। তদুপৰি বহুতে ১০ হেজাৰ ১২ হেজাৰ, চাৰি হেজাৰ আদি ধনৰ লাভ কৰি ক্ষোভ উজাৰিছে। তেওঁলোকে কয় যে চৰকাৰে দিলেও কোম্পানীসমূহে তেওঁলোকক বঞ্চনা কৰিছে। আনহাতে, একাংশ মহিলাই চৰকাৰে উদ্‌গনিৰ নামত মহিলাসকলক বঞ্চনা কৰা বুলি অভিযোগ উপস্থাপন কৰে।

# দল-বিৰোধী কাৰ্যকলাপৰ বাবে বহিষ্কাৰ ডিগবৈৰ বিজেপিক



**ডিগবৈ, ২৫ ফেব্ৰুৱাৰী ঃ** আগন্তুক পৌৰসভা নিৰ্বাচনৰ প্ৰাকক্ষণত ডিগবৈ বিজেপিৰ কৰ্মকৰ্তা মন্টু দেক বিজেপিৰ প্ৰাথমিক সদস্য পদৰ পৰাও বহিষ্কাৰ কৰে। অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব লগা পৌৰসভা নিৰ্বাচনৰ বাবে ডিগবৈ ন বিজেপি কৰ্মী মন্টু দেয়ে ডিগবৈ পৌৰসভাৰ ১০টা ৱাৰ্ডৰ যিকোনো এটা ৱাৰ্ডৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ মনস্থ কৰিছিল। কিন্তু দলীয় সিদ্ধান্ত মৰ্মে মন্টু দেক কোনো এটা ৱাৰ্ডৰ পৰা দলীয় টিকট প্ৰদান নকৰাত ডিগবৈ পৌৰসভাৰ অন্তৰ্গত দুই নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। আগন্তুক পৌৰসভা নিৰ্বাচনত বিজেপিৰ দলীয় সিদ্ধান্তক বিৰোধিতা কৰাৰ লগতে দলে মনোনীত কৰা প্ৰাৰ্থীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বাবে বিজেপিৰ সংবিধানৰ ধাৰা ২৫ৰ উপ-বিধি ন অনুসৰি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই দলৰ প্ৰাথমিক সদস্য পদৰ পৰাও বহিষ্কাৰ কৰে।

## পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ

# ২০২৪ৰ ভিতৰত ১০খন নগৰৰ ভিতৰত স্থান পাব বৰপথাৰ পৌৰসভাই

**বৰপথাৰ, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত পৌৰসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰপথাৰ পৌৰসভাত আকৰ্ষণীয় হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰ। বৰপথাৰ পৌৰসভা নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি আৰু মিত্ৰ দল অগপৰ লগতে কংগ্ৰেছ তথা আম আদমী পাৰ্টিয়েও নামি পৰিছে নিৰ্বাচনী প্ৰচাৰত। বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলে ভোটাৰৰ মন জয় কৰিবলৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে বৰপথাৰ পৌৰসভাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, বিজেপি আৰু মিত্ৰদল অগপৰ নিৰ্বাচনী প্ৰচাৰৰ তুলনাত নিস্তেজ দেখা গৈছে বাকী দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ। সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্বত বৰপথাৰ পৌৰসভাত দেখা গৈছে যুদ্ধকালীন নিৰ্বাচনী প্ৰচাৰ। বিভিন্ন সমস্যা থকা পৌৰসভাখনত ৰাইজৰ কাষ চাপি সমস্যাসমূহ সমাধান তথা পৌৰসভাখনৰ দ্ৰুত উন্নয়নৰ বাবে বিজেপি তথা মিত্ৰদল অগপৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ আহ্বান জনাইছে ১৩ পৃষ্ঠাত চাওক

# পৌৰসভাৰ প্ৰাৰ্থী-সাংবাদিকৰ মত-বিনিময় অনুষ্ঠান



**ডুমডুমা, ২৫ ফেব্ৰুৱাৰী ঃ** মাকুমস্থিত যুগল কিশোৰ কেশান সাহিত্যসভা ভৱনত মাকুম প্ৰেছ ক্লাবৰ সৌজন্যত আৰু জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামৰ তিনিচুকীয়া জিলা সমিতিৰ সহযোগত মাকুম পৌৰসভাৰ সমাগত নিৰ্বাচনৰ ১০ টা ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰা বিভিন্ন দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলৰ লগত যোৱা ২২ ফেব্ৰুৱাৰীত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। বিভিন্ন দলৰ প্ৰাৰ্থীসকলক ৰাইজে কিয় ভোট দিব লাগে এই সন্দৰ্ভত প্ৰাৰ্থী সকলৰ পৰা সাংবাদিকসকলে মতামত গ্ৰহণ কৰে। অনুষ্ঠানত মাকুম পৌৰসভাৰ অন্তৰ্গত বিভিন্ন ৱাৰ্ডৰ নলা নৰ্দমা, খোৱা পানী, পাইপ গেছ লাইন, বিভিন্ন আঁচনিৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা ল'ব বুলি সকলো প্ৰাৰ্থীয়েই মত প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ অসমৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ অসমৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক মানোৰঞ্জন মৰাণ, মাকুম প্ৰেছ ক্লাবৰ সভাপতি অখিল চন্দ্ৰ বৰুৱা, সম্পাদক কাজল ১৩ পৃষ্ঠাত চাওক

# পুনৰ এবছুৰ দখলত গোৰেশ্বৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৫ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ এইবেলি ২০২২-২৩ৰ ছাত্ৰ একতা সভা নিৰ্বাচনত ১২ টা পদ জয়ৰে পুনৰ এবছুৰে দখল কৰিছে ছাত্ৰ একতা সভা। নিৰ্বাচনত জয়ীসকল ক্ৰমে সভাপতি সঞ্জু ৰাম বড়ো, উপ-সভাপতি বিলছন বড়ো, সাধাৰণ সম্পাদক সৌমদৌন বড়ো, সহঃসম্পাদক জৌচাৰ বড়ো, গুৰুখেল বিভাগত হীৰকজ্যোতি নাথ, লঘুখেল বিভাগত অৰ্জন অধিকাৰী, সাংস্কৃতিক বিভাগত সংগীতা বড়ো, সমাজসেৱা বিভাগত ফৌজৌচাৰ বড়ো, আলোচনী বিভাগত অমৰ বড়ো, তৰ্ক আৰু আলোচনা বিভাগত জীৱন বৰ্মন, ছাত্ৰ জিৰণি বিভাগত প্ৰতীম ৰামচিয়াৰী, ছাত্ৰী জিৰণি বিভাগত সৌনম দৈমাৰী আৰু শৰীৰ চৰ্চা বিভাগত নয়ন বড়ো জয়ী হয়। উল্লেখ্য যে এছ এফ আইৰ একমাত্ৰ গুৰু খেল বিভাগত হীৰকজ্যোতি নাথ, আকছুৰ অৰ্জন অধিকাৰী আৰু এবিভিপিৰ জীৱন বৰ্মনৰ বাহিৰে আটাইকেইটা পদতে এবছুৱে জয়ী হয়। উল্লেখ্য যে গোৰেশ্বৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা এবছুৱে একেৰাহে যোৱা ২০ বছৰ ধৰি দখল কৰাত আঞ্চলিক কমিটীয়ে আদৰণি জনাইছে।

# শিৱসাগৰত চাৰিদিনীয়াকৈ মহাশিৱৰাত্ৰি পূজা-মেলাৰ আয়োজন

## ■ দুই মাৰ্চত স্থানীয় বন্ধ ঘোষণা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ নগৰৰ ঐতিহাসিক মুক্তিনাথ শিৱদৌলত অহা 28 ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ দ'ল উন্নয়ন সমিতি আৰু জিলা প্ৰশাসনৰ সহযোগত মহাশিৱৰাত্ৰী পূজা আৰু মেলাৰ আয়োজন কৰা হৈছে। ক'ভিডৰ বাবে যোৱা দুবছৰত মুক্তিনাথ শিৱদৌলত শিৱৰাত্ৰী অনুষ্ঠিত নোহোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ শিৱৰাত্ৰী মেলাত ৰাজ্যৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ ভক্তিপ্ৰাণ ৰাইজৰ সমাগম হ'ব বুলি আশা কৰিছে উদ্যোক্তাসকলে। মহাশিৱৰাত্ৰী উৎসৱত ভক্তিপ্ৰাণ ৰাইজে যাতে কোনো কাৰণতে অসুবিধাৰ সন্মুখীন নহয় এই ক্ষেত্ৰত অধিক সতৰ্ক দৃষ্টি ৰাখিছে দ'ল উন্নয়ন সমিতিয়ে। ইফালে, মহাশিৱৰাত্ৰী উপলক্ষে শিৱসাগৰ জিলা প্ৰশাসনে অহা দুই মাৰ্চৰ দিনা স্থানীয় বন্ধ ঘোষণা কৰিছে। এইবাৰৰ শিৱৰাত্ৰীৰ উৎসৱ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। মহাশিৱৰাত্ৰী পূজা আৰু মেলাৰ উপলক্ষে ইতিমধ্যে ছশ বিপনী বিভিন্ন ব্যৱসায়ীয়ে নিবিদাৰ যোগেদি লাভ কৰিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশ, ঝাৰখণ্ড, পঞ্জাৱ, বিহাৰ, কলকতা, ৰাজস্থান আদিৰ ব্যৱসায়ীয়ে শিৱৰাত্ৰী মেলাত অংশগ্ৰহণ কৰিব। তদুপৰি পৰিস্থিতি আৰু নিৰাপত্তাৰ দিশটো চোৱা-চিতা কৰিবলৈ তিনিশ স্বেচ্ছাসেৱকে দিনা-নিশাই ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়াব। লগতে অসম আৰক্ষীৰ গৃহৰক্ষী বাহিনীৰ জোৱানেও নিৰাপত্তা দিশটো অধিক কটকটীয়া কৰি তুলিব বুলি দ'ল উন্নয়ন সমিতিৰ সম্পাদক বসন্ত গগৈয়ে সদৰী কৰিছে। শ্ৰীশ্ৰী মহাশিৱৰাত্ৰী পূজা আৰু মেলাৰ স'তে সংগতি ৰাখি বিগত বৰ্ষসমূহৰ দৰে এইবছৰো এনামউদ্দিন আহমেদৰ সম্পাদনাত 'ত্ৰিলোচন' নামৰ স্মাৰক গ্ৰন্থখনি প্ৰকাশ পাব। এইবাৰ শিৱৰাত্ৰী পূজা আৰু মেলাৰ কেইদিন সন্ধিয়ালৈ নগৰৰ মাজমজিয়াৰ দলমুখ চাৰিআলিত ভক্তিমূলক সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে। উক্ত সাংস্কৃতিক সন্ধিয়াত শিৱ বন্দনা আৰু শিৱ নৃত্য পৰিৱেশন কৰাৰ লগতে 'মৎস্য অৱতাৰ আৰু চাৰিবেদ উদ্ধাৰ' ভাওনা ধিতাইপুখুৰী পূৰ্বৰংগ সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা প্ৰদৰ্শন কৰা হ'ব। আনহাতে, শিৱ'দল প্ৰাংগন আৰু ইয়াৰ চৌপাশ, ফুলেশ্বৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ সামৰি অনুষ্ঠিতব্য এই উৎসৱত প্ৰতি বছৰে বিপুল সংখ্যক তীৰ্থযাত্ৰী আৰু পৰ্যটকৰ সমাগম ঘটাৰ প্ৰতি লক্ষ্য ৰাখি মহাশিৱৰাত্ৰী পূজা আৰু মেলা উদ্‌যাপন সমিতিয়ে ইতিমধ্যে সমগ্ৰ অঞ্চলটো নিৰীক্ষণ কৰিবৰ বাবে চি চি কেমেৰাৰ ব্যৱস্থা কৰা হ'ব বুলি কয়। শিৱৰাত্ৰী আৰু মেলাৰ স'তে সংগতি ৰাখি গঠন কৰা বিভিন্ন উপ-সমিতিসমূহে মহোৎসৱৰ বিভিন্ন কাম-কাজ তদাৰক কৰিবৰ বাবে আভ্যন্তৰীণ দ'ল পৰিচালনা, প্ৰচাৰ, স্থান নিৰ্ধাৰণ আৰু উন্নতিকৰণ, স্বেচ্ছাসেৱক. অনাময় আৰু পৰিষ্কাৰকৰণ, স্বাস্থ্য আদি উপ-সমিতি গঠন কৰিছে। তদুপৰি শিৱৰাত্ৰী উৎসৱত পূজা-অৰ্চনাৰ বাবে অহা তীৰ্থযাত্ৰীসকলৰ সুবিধা হোৱাকৈ দ'ল উন্নয়ন পৰিষদৰ অধীনস্থ যাত্ৰী নিৱাসটো সু-সজ্জিত ৰূপত সজাই পৰাই তোলা হৈছে।

# সত্যনাথ গগৈ সোঁৱৰণী পুথিভঁৰালত গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ নগৰস্থিত কল্যাণপুৰৰ সত্যনাথ গগৈ সোঁৱৰণী পুথিভঁৰালত কালি পূৰবী হাজৰিকাৰ গ্ৰন্থ 'আদৰী' উন্মোচন কৰা হয়। উক্ত গ্ৰন্থখন উন্মোচন কৰা হয়। উক্ত গ্ৰন্থসমূহ উন্মোচন কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° নিপম কুমাৰ শইকীয়াই। বিশ্বনাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা আভা প্ৰকাশনৰ স্বত্বাধিকাৰী মানসজ্যোতি দাসে আঁত ধৰা উন্মোচনী সভাত বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰী কৰবী কাকতি, তাপ্তি দুতি বৰা, শিক্ষয়িত্ৰী সুলেখিকা বিভামণি দাসে কবিতা পাঠ কৰে। উক্ত সভাত অভিনেতা জ্যোতি ভূঞা, অসম মহিলা কবি মঞ্চৰ বিউটি ফুকন গগৈ, ৰূপম দাস, মণি গগৈ বৰুৱা আদি উপস্থিত থাকে।

# বিশ্বনাথঘাটত ৰজাদিনীয়া ঔতলৰ পুখুৰীৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথঘাট স্থিত ৰজাদিনীয়া ঔতলৰ পুখুৰীত যোৱা ২৪ ফেব্ৰুৱাৰীত বিশেষ উন্নয়ন মূলক কামৰ উদ্বোধন কৰা হয়। দৰাচলতে বিশ্বনাথঘাট অঞ্চলৰ বহু যুৱক-যুৱতীৰ লগতে কিশোৰ- কিশোৰীক সাঁতোৰ প্ৰশিক্ষণ দিয়াৰ বাবে ইতিপূৰ্বে অনুষ্ঠিত হৈছিল গুৰুত্বপূৰ্ণ সভা। সেই সভাৰ সিদ্ধান্ত মৰ্মে প্ৰাৰম্ভিক পৰ্যায়ৰ আৰম্ভ কৰা হয়। বিশ্বনাথঘাট গাঁও পঞ্চায়তৰ অধীনত এনৰেগা আঁচানিৰ জৰিয়তে ন লাখ ৫১ হেজাৰ টকা ব্যয় সাপেক্ষে ৰজাদিনীয়া ঔতলৰ পুখুৰীৰ উন্নীতকৰণৰ বাবে পদক্ষেপ লোৱা হয়। উদ্বোধন কৰে জিলা পৰিষদৰ সদস্য সত্যেন্দ্ৰ হাজৰিকাই। বহু দিনীয়া পৰিকল্পনা আৰু দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ অন্তত বিশ্বনাথ জিলা সাঁতোৰ সন্থাৰ সহযোগত পুখুৰীটো উন্নীতকৰণ কৰি প্ৰশিক্ষাৰ্থীক সাঁতোৰ প্ৰশিক্ষণ দিবলৈ এখোজ আগুৱাই যোৱা এই প্ৰচেষ্টাত উৎফুল্লিত হৈ পৰিছে স্থানীয় ৰাইজ। সদৌ অসম সাঁতোৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা বিশ্বনাথ জিলা সাঁতোৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰশান্ত মহন্তৰ লগতে বিশ্বনাথ জিলা সাঁতোৰ সন্থাৰ যুটীয়া সম্পাদক ৰঞ্জিত ছেত্ৰী, নিহাৰ শইকীয়াৰ উপস্থিতিত উদ্বোধন কৰা হয়।

# খোজ কাঢ়িবলৈ নহয় ব্যৱসায় কৰিবলৈহে পদপথ ব্যৱহাৰ যোৰহাটত



স্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৫ ফেব্ৰুৱাৰী ঃ** খোজ কাঢ়িবলৈ নহয় ব্যৱসায় কৰিবলৈহে পদপথ ব্যৱহাৰ হয় যোৰহাটত। সঘনে উত্থাপিত এই অভিযোগ ক্ৰমে অধিক বৃদ্ধি পাই আহিছে নগৰখনত। উল্লেখ্য যে নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰে যোৰহাটৰ বাট-পথ, পদপথ আদি নিৰ্মাণ কৰি থকা হৈছে প্ৰশাসনিক দুৰ্বলতাৰ সুযোগ লৈ একাংশ পদপথ ব্যৱসায়িক ক্ষেত্ৰলৈহে পৰ্যবসিত হ'ব ধৰিছে। উদাহৰণ স্বৰূপে নগৰৰ মাজমজিয়াৰ নেহৰু পাৰ্ক অঞ্চলৰ গাৰ্লছ হাইস্কুল, চাৰি নম্বৰ ৱাৰ্ড এল পি স্কুল, নেহৰু পাৰ্কৰ সমীপৰ কোনো এটা পদপথতে খোজকঢ়াৰ পৰিৱেশ নাই। আন কথাত খোজকঢ়া সম্ভৱ নহয়। পদপথসমূহৰ ওপৰতে চালি তৰি গুমটি সাজি হোটেল, বিবিধ দোকান আৰম্ভ কৰি দিছে। কেৱল এই অঞ্চলতে নহয় তৰাজান, সোণাৰি গাঁও, পৌৰসভাৰ সন্মুখত, চক বজাৰ আদি ঠাইতো সম্প্ৰসাৰিত এ টি ৰোডৰ পদপথত বিভিন্ন ব্যৱসায়। সেই পদপথেদি কোনো কাৰণতে খোজকাঢ়ি কোনো পথচাৰী অহা কৰা সম্ভৱ নহয়। যাৰ ফলত লাখ লাখ টকা খৰচ পদপথ নিৰ্মাণ কৰাৰ পাছতো সেইবোৰ ব্যৱহাৰ হোৱা নাই। ইয়াৰ বিপৰীতে বিপজ্জনকভাৱে মূল পথেৰে পথচাৰীৰো যাতায়াত চলে। এই ক্ষেত্ৰত আজি পৰ্যন্ত প্ৰশাসনে কোনো ব্যৱস্থা লোৱা দেখা নাযায়।

# অসম উন্নতি সভাৰ শিৱসাগৰ জিলা সমিতি গঠনৰ উদ্দেশ্যে ৰাজহুৱা সভাৰ আহ্বান

বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ২৫ ফেব্ৰুৱাৰী ঃ** অসম সেনা আৰু অসম উন্নতি সভাৰ পুনৰ গঠন প্ৰক্ৰিয়া শেহতীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে সমগ্ৰ ৰাজ্যজুৰি আৰম্ভ হৈছে। অসমৰ জাতীয় সমস্যা সমূহত মনোনিৱেশ কৰি সেই সমস্যাসমূহ সমাধানৰ বাবে ৰাইজক উদ্বুদ্ধ কৰা,অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ পৰিচয়, অস্তিত্ব আৰু বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ স্বকীয়তা ৰক্ষা কৰি অসমৰ সৰ্বাত্মক প্ৰগতিৰ স্বাৰ্থত সকলো জনগোষ্ঠীৰ সমবিকাশ আৰু সমমৰ্যদাৰ লগতে অসমৰ সকলো অঞ্চলৰ সম-উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি জাতিটোৰ এক শক্তিশালী অৰ্থনৈতিক বুনিয়াদ গঠনৰ লক্ষ্যৰে নিবনুৱা যুৱক-যুৱতী সকলক আত্ম নিৰ্ভৰশীল কৰি তুলিব পৰাকৈ এক পৰিকল্পিত অৰ্থনৈতিক সংগ্ৰাম আগবঢ়াই নিয়াৰ উদ্দেশ্য, নিযুক্তিকে ধৰি সকলো স্তৰত থলুৱাৰ স্বাৰ্থ ৰক্ষাৰ বাবে আপোচহীন সংগ্ৰাম অব্যাহত ৰখাৰ লগতে অন্যান্য আনুসংগিক বিভিন্ন দিশৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি এই সংগঠন দুটি কৰ্মক্ষেত্ৰত পূৰ্বৰ দৰেই অৱতীৰ্ণ হ'ব। সেই অনুসৰি শিৱসাগৰ জিলাত অসম সেনাৰ শিৱসাগৰ জিলা সমিতি আৰু মহকুমা ভিত্তিত জিলা পৰ্যায়ৰ সমিতি গঠন হ'ব লগা অসম উন্নতি সভাৰ শিৱসাগৰ আৰু নাজিৰা জিলা সমিতি গঠন কৰা উদ্দেশ্যে 27 ফেব্ৰুৱাৰীত শিৱসাগৰ যুৱ দল প্ৰেক্ষাগৃহত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই এখনি ৰাজহুৱা সভা আহ্বান কৰা বুলি জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই এক বিবৃতিত উল্লেখ কৰিছে।

# সৰবৰহী যুৱক-বিজেপিৰ নিষ্ঠাৱান কৰ্মী মনোজ দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হাজো, ২৫ ফেব্ৰুৱাৰী ঃ** হাজো থানাৰ অন্তৰ্গত হাজো কুমাৰপাৰাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অচ্যুত চন্দ্ৰ দাসৰ পুত্ৰ তথা সৰবৰহী যুৱক, বিজেপিৰ নিষ্ঠাৱান কৰ্মী মনোজ দাস (৩৫)ৰ আজি পুৱতি নিশা হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। সৰবৰহী যুৱক মনোজ অঞ্চলটোৰ সকলো সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে হাজো কুমাৰপাৰা বিজেপিৰ প্ৰাক্তন বুথ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি অ' বি চি মৰ্চাৰ দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহক সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। উল্লেখ্য যে মনোজে যোৱা ২৬ জানুৱাৰীত বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ এমাহ হওঁতে ইহসংসাৰৰ পৰা মনোজে বিদায় লোৱাত হাজো অঞ্চলত শোকৰ ছাঁ পৰে। তেওঁৰ অকাল মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান ব্যক্তি বিশেষে শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃ-পত্নীৰ লগতে ককাই-ভাইসহ বহু আত্মীয়ক ইহ সংসাৰত এৰি যায়।

# মৰাণত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৫ ফেব্ৰুৱাৰী ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত খোকামৰা গাঁৱত আজি পুৱা এটা মৃতদেহ উদ্ধাৰ হয়। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে লাল গড় (৩৯) নামৰ যুৱকজন যোৱা তিনিদিনৰ পূৰ্বে পথাৰৰ পুখুৰীত কুচিয়া ধৰিবলৈ গৈ ঘৰলৈ উভতি অহা নাছিল। আজি তেওঁৰ মৃতদেহ পুৱা এটা পথৰ কাষতে উদ্ধাৰ হয়। মৃতদেহৰ কাষত মদৰ বটলৰ লগতে দুটা গিলাচ উদ্ধাৰ হৈছে। স্থানীয় ৰাইজে ঘটনাতো হত্যাকাণ্ড বুলি সন্দেহ কৰিছে। পাছত মৰাণহাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে।

# পাথৰিঘাটৰ গাঁওবুঢ়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত দুখন ৰাজহ গাঁৱৰ গাঁও প্ৰধান চোৰহাব আলী (৮৭)ৰ যোৱা ২২ ফেব্ৰুৱাৰীত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ চাৰিজন পুত্ৰ, চাৰিগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দৰদী দেৰবয়,পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সভাপতি দিবাকৰ বৰুৱা আৰু সম্পাদক মোস্তাক হুছেইন আদি ব্যক্তি-অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

# আধাৰশিলাৰ এবছৰ পাছতো নিৰ্মাণ নহ'ল বালিঘাট মিলনপুৰ পথ



অগ্ৰদূত বাৰ্ত

**শিমলুগুৰি, ২৫ ফেব্ৰুৱাৰী ঃ** নাজিৰা মহকুমাৰ গড়গাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিঘাট অঞ্চলৰ এটা অতি পুৰণি আৰু ব্যস্ত পথ হ'ল বালিঘাট মিলনপুৰ পথ। চৰকাৰী নাম বালিঘাট আতনপুৰ পথ। ৰাজ্যিক লোক নিৰ্মাণ বিভাগৰ অন্তৰ্গত এই পথটোৰ দুৰৱস্থাই স্থানীয় ৰাইজক যাতায়তৰ ক্ষেত্ৰত জ্বলা-কলা খুৱাইছে। লোক নিৰ্মাণ বিভাগে পথটোত কেতিয়াবাই শিলগুটি দুটামান ছটিয়ায়েই উন্নয়নৰ কাম সামৰিলে। মিলনপুৰবাসীৰ বহু আবেদন-নিবেদন কৰাৰ পাছত বিগত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত তদানীন্তন ৰাজহ, দুৰ্যোগ প্ৰশমন আৰু লোক নিৰ্মাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা স্থানীয় বিধায়ক যোগেন মহনে পথটো উন্নয়নৰ বাবে আধাৰশিলা স্থাপন কৰিছিল। এছঅ' পি ডি (জি) আঁচনিৰ অধীনত পথটো উন্নয়নৰ বাবে আধাৰশিলা হ'ল যদিও বছৰে পথটোৰ কোনো কাম নহ'ল। উল্লেখ্য যে গড়গাঁও পানীদুৱাৰ আলি আৰু ঐতিহাসিক ধোদৰআলি সংযোগী এই মিলনপুৰ (আতনপুৰ) পথটোৱে গড়গাঁও, পানীবিল, ভোগবাৰী, বৰক'লা, বকতা, নঙলামৰা, হাৰিপৰা আদি অঞ্চলকে ধৰি বহু অঞ্চলৰ ৰাইজৰ যাতায়তৰ অতি সুগম আৰু চমু পথ। স্থানীয় ৰাইজৰ লগতে এই পথটোৰে কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েও অহা-যোৱা কৰে। বাৰিষা বোকা পানী গচকি অহা যোৱা কৰা সকলো প্ৰকাৰৰ ৰাইজ এই পথত জীয়াতু ভুগিবলগীয়া হয়। পৰিতাপৰ কথা এয়ে যে যি সময়ত দেশৰ প্ৰধানমন্ত্ৰীয়ে প্ৰতিটো অঞ্চলৰ বাট-পথৰ উন্নয়ন সাধন, ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান, দৰিদ্ৰ জনলৈ ১৩ পৃষ্ঠাত চাওক

# অসম চাহ মজদুৰ সংঘ বিভাজন নোহোৱাৰ দাবী সংঘৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৫ ফেব্ৰুৱাৰী ঃ** 'অসম চাহ মজদুৰ সংঘ' বিভাজন হৈছে বুলি প্ৰচাৰ হৈ থকা বিষয়টো সম্পূৰ্ণ মিছা বুলি অসম চাহ মজদুৰ সংঘই স্পষ্ট কৰি দিছে। অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ তথা মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিজ্ঞপ্তিত উল্লেখ কৰে যে কিছুমান তথাকথিত শ্ৰমিক বিৰোধী ব্যক্তিয়ে এনেবিলাক অপপচাৰ চলাইছে। বিবৃতিটোত লগতে উল্লেখ কৰা মতে অসম চাহ মজদুৰ সংঘ কাৰোবাৰ আঙুলিৰ নিৰ্দেশত চলা অনুষ্ঠান নহয়। সংঘৰ এখন সংবিধান আছে আৰু সেই সংবিধানৰ মতে শ্ৰমিকৰ দ্বাৰা নিৰ্বাচিত এখন সমিতিয়ে সংঘ পৰিচালনা কৰে। পৱনসিং ঘাটোৱাৰ সংঘৰ এজন নিৰ্বাচিত সভাপতিৰূপে সংঘ আৰু শ্ৰমিক উন্নয়ন, সুৰক্ষাৰ স্বাৰ্থত মাত মতাৰ অধিকাৰ আছে। ঘাটোৱাৰক জনমানসত হেয় কৰাৰ উদ্দেশ্যে স্বাৰ্থ সিদ্ধি নোহোৱা কিছুমান লোকে এনে অপপ্ৰচাৰ কৰিছে বুলি তাঁতীয়ে উল্লেখ কৰিছে। তেওঁ পুনৰ কয় যে যোৰহাটৰ গটঙা চাহ বাগিচাত শ্ৰমিক আৰু সংশ্লিষ্ট শাখাটোৰ মাজত সৃষ্টি হোৱা সমস্যাটো তেওঁলোকৰ আভ্যন্তৰীণ বিষয়। উক্ত বিষয়টো নিষ্পত্তি কৰা বাবে কেন্দ্ৰীয় সংঘহে দায়বদ্ধ। কিন্তু নিশাটোৰ ভিতৰতে ইনটাক অসম শাখাৰ সভাপতি হিৰণ্য বৰা, প্ৰাক্তন মন্ত্ৰী এতোৱা মুণ্ডাসহ কেইজনমান লোকে বাগিচাখনৰ শ্ৰমিকক একত্ৰিত কৰি বুজনি ১৩ পৃষ্ঠাত চাওক

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত আজাদী কী অমৃত মহোৎসৱ সম্পন্ন

## ■ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত প্ৰতিগৰাকী ভাৰতীয়ৰেই অৱদান আছিল



বিশেষ সংবাদদাতা

**পাঠশালা, ২৫ ফেব্ৰুৱাৰী ঃ** আজাদী কী অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'ভাৰতীয় স্বাধীনতা সংগ্ৰাম আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা' শীৰ্ষক এখন মনজ্ঞ বক্তৃতানুষ্ঠান কালি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত অনুষ্ঠিত হয়। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ কোষৰ উদ্যেগত অনুষ্ঠিত বক্তৃতনুষ্ঠানৰ আৰম্ভণিতে উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া তথা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ গভৰ্ণিং ব'ডিৰ সভাপতি ধৰণীধৰ তালুকদাৰে। মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ অধ্যাপক ৰাজু কুমাৰ দাসে আঁত ধৰা বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট লেখক- চিন্তাবিদ ড° মুকুন্দ শৰ্মাই। ড° শৰ্মাই আদৰণি ভাষণত ভাৰতবৰ্ষৰ স্বাধীনতা ১৩ পৃষ্ঠাত চাওক

# বিহপুৰীয়াত মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই আচঁনিৰ হিতাধিকাৰীক চেক বিতৰণ



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু ৰেহাই আঁচনিৰ অধীনত কালি বিহপুৰীয়াৰ সন্তপুৰত অনুষ্ঠিত এক ৰাজহুৱা সভাত দুশগৰাকী মহিলা হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। প্ৰথম অৱস্থাত নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংক আৰু বন্ধন বেংকৰ পৰা ঋণ লোৱা মহিলা সকলৰ মাজত এই চেক বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হয়। এই উদ্দেশ্যে বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাত চেক বিতৰণ কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। সভাত লখিমপুৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া ত্ৰিপুৰেন্দ্ৰ পাটৰৰ লগতে বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, বিহপুৰীয়া উন্নয়ন খণ্ডৰ জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়াৰ লগতে নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক মনোৰঞ্জন শৰ্মা উপস্থিত থাকে। ইপিনে চেক লাভ কৰা একাংশ মহিলাই মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ দৰে পচিঁশহেজাৰ টকাৰ পৰিবৰ্তে পাচঁশ-এহেজাৰ টকাৰ চেক লাভ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আন একাংশই আকৌ নিয়মীয়াকৈ ঋণ পৰিশোধ কৰাৰ পাছতো চেক লাভ কৰিবলৈ সক্ষম নোহোৱাত চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে।

# মহাদেৱ আগৰৱালা স্কুলৰ প্ৰাক্তন শিক্ষকক সম্বৰ্ধনা মুখপত্ৰ 'পৰাগ' উন্মোচন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৫ ফেব্ৰুৱাৰী ঃ** মৰিয়নিৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা চচ্ছ্ৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ কে'বাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক- শিক্ষয়িত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ স্মৃতিৰেখা ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অতুল শৰ্মা, শিক্ষক শৈলেন বৰুৱা, প্ৰদীপ বৰা, গৌতম মাল, ৰাজীৱ বৰুৱা, শিক্ষয়িত্ৰী চুফিয়া ৰহমান, ৰিনু শৰ্মা, ডলী কোঁৱৰ ফুকন, মইনী বেগমক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অৱসৰ গ্ৰহণ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্ধনা জনায়। আনহাতে, বিদ্যালয়খনত ইতিমধ্যে আৰম্ভ কৰা প্ৰাক্‌প্ৰাথমিক আৰু প্ৰাথমিক শ্ৰেণীত স্বেচ্ছাই সেৱা আগবঢ়াই অহা শিক্ষয়িত্ৰী অনামিকা শইকীয়া, বিনীতা কলিতা বৰা আৰু ৰূপালী চাহুকো সম্বৰ্ধনা জনোৱা হয়। একেটা অনুষ্ঠানতে ৰাজ্যিক কৃতি শিক্ষকৰ বঁটাপ্ৰাপক জংঘল ব্লক হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক নগেন গগৈ আৰু জিলা কৃতি শিক্ষকৰ বঁটাপ্ৰাপক মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোজ কুমাৰ শৰ্মাকো সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি কৃতি শিক্ষক নগেন গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাসমূহক শিক্ষক-শিক্ষয়িত্ৰীসকলে দায়বদ্ধতাৰে আগবঢ়াই নিব লাগিব বুলি উল্লেখ কৰি মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনে কাৰ্যৰ শলাগ লয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ অতুল শৰ্মা, অৱসৰপ্ৰাপ্ত ১৩ পৃষ্ঠাত চাওক



## ব্ৰহ্মপুত্ৰৰ পানী যুঁৱলিত উদ্ধাৰ দুৰ্ধুৰ্ষ গঁড় চিকাৰী আচমত আলী ওৰফে নালকোৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৫ ফেব্ৰুৱাৰী ঃ** অৱশেষত কাজিৰঙাৰ দাঁতিকাষৰীয়া অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ মকবুল চাপৰিৰ পানী যুঁৱলিত উদ্ধাৰ হ'ল বিশ্বনাথ আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰা দুৰ্ধৰ্ষ গঁড় চিকাৰী আচমত আলী ওৰফে নালকোৰ মৃতদেহ। আজি নিশা সাত দিনৰ মূৰত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। ঘটনাস্থলীত বিশ্বনাথ জিলাৰ উপ-আৰক্ষী অধীক্ষকসহ দণ্ডাধীশ উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে কেৰালাৰ পৰা গ্ৰেপ্তাৰ কৰি অনা দুৰ্ধৰ্ষ গঁড় চিকাৰীজনে যোৱা ১৭ ফেব্ৰুৱাৰীৰ নিশা বিশ্বনাথ আৰক্ষীৰ জিম্মাৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুত জাঁপ দি পলায়ন কৰিছিল। লুকুৱাই ৰখা অস্ত্ৰ-শস্ত্ৰ আৰু গঁড়ৰ খৰ্গৰ সম্ভেদ দিবলৈ বিশ্বনাথ ঘাটৰ সমীপৰ ব্ৰহ্মপুত্ৰৰ কেটেং টাপুলৈ নিয়াৰ সময়ত আন্ধাৰৰ সুযোগ লৈ ব্ৰহ্মপুত্ৰৰ বুকুত জাঁপ দি নালকোৱে পলায়ন কৰিছিল বুলি বিশ্বনাথ আৰক্ষীয়ে সদৰী কৰিছিল। তেতিয়াৰে পৰা গঁড় চিকাৰীজনৰ সন্ধানত আৰক্ষী আৰু এনডিএফবিয়ে অভিযান চলাই আছিল। অৱশ্যে আৰক্ষীৰ জিম্মাৰ পৰা দুৰ্ধৰ্ষ চোৰাং চিকাৰীজনে নৈত জাঁপ দিয়াৰ ঘটনা ৰহস্যজনক বুলি অভিহিত কৰিছিল একাংশ লোকে।

## হাতত নথি লৈ ৯১ শিক্ষকক উচ্চ শিক্ষা সঞ্চালকালয়ত উপস্থিত হোৱাৰ নিৰ্দেশ

### ■ ৰাজ্যৰ অৰ্ধশতাধিক মহাবিদ্যালয়ত কৰ্মৰত বেচৰকাৰী শিক্ষকৰ নথি পৰীক্ষাৰ জাননী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ প্ৰায় অৰ্ধশতাধিক মহাবিদ্যালয়ত বে-চৰকাৰী শিক্ষক পদত নিয়োজিত হৈ থকা ৯১জন শিক্ষকৰ যাৱতীয় নথি পৰীক্ষা কৰিব অসম উচ্চ শিক্ষাৰ সঞ্চালকালয়ে। বিভাগীয় সূত্ৰই সদৰী কৰা অনুসৰি, ৰাজ্যখনৰ ৫২ খন মহাবিদ্যালয়ত সম্প্ৰতি কৰ্মৰত হৈ থকা ৯১জন বে-চৰকাৰী শিক্ষকৰ নাম নিৰ্দিষ্ট কৰি মহাবিদ্যালয়সমূহৰ অধ্যক্ষলৈ যোৱা ২১ ফেব্ৰুৱাৰীত উচ্চ শিক্ষা সঞ্চালকলে এক নিৰ্দেশনা জাৰি কৰিছে। সংশ্লিষ্ট মহাবিদ্যালয়ৰ তালিকাত নাম উল্লেখ থকা বে-চৰকাৰী শিক্ষকজনক মহাবিদ্যালয়ত যোগদান কৰা তাৰিখসহ নথি, মহাবিদ্যালয়খনে দিয়া বিজ্ঞাপন, নিযুক্তি পৰীক্ষা সময়ত জমা দিয়া নথি-পত্ৰ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে বে-চৰকাৰী শিক্ষকৰূপে নিযুক্তি প্ৰদান কৰা নিযুক্তিপত্ৰ, কলাৰ স্নাতকোত্তৰ-নেট-স্লেট-ডক্টৰেট ডিগ্ৰী আদিৰ লগত সংলগ্ন নথি লৈ অহা পহিলা আৰু দুই মাৰ্চত কাহিলীপাৰাস্থিত শিক্ষা সঞ্চালকালয়ত উপস্থিতি হোৱা নিৰ্দেশ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে উল্লিখিত দুটা দিনত নিৰ্দিষ্ট কৰি দিয়া মহাবিদ্যালয়সমূহৰ সংশ্লিষ্ট বে-চৰকাৰী শিক্ষকসকলৰ চাকৰিত যোগদানৰ যাৱতীয় নথি-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব বুলি সংশ্লিষ্ট মহাবিদ্যালয়সমূহলৈ প্ৰেৰণ কৰা নিৰ্দেশনা পত্ৰখনত সঞ্চালকে সদৰী কৰিছে। এই নথি-পত্ৰৰ শুনানি পহিলা আৰু দুই মাৰ্চত অনুষ্ঠিত হ'ব আৰু তালিকাত নাম উল্লেখ থকা বে-চৰকাৰী শিক্ষকসকলৰ উপস্থিতি নিশ্চিত কৰিবলৈ মহাবিদ্যালসমূহৰ অধ্যক্ষক অৱগত কৰোৱা হৈছে। আনহাতে, উল্লিখিত সংখ্যাৰ বে-চৰকাৰী শিক্ষকসকলৰ নথি পৰীক্ষা কিয় কৰা হৈছে সংশ্লিষ্ট পক্ষই স্পষ্ট কৰা নাই যদিও শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বহু মহাবিদ্যালয়ত কৰ্মৰত একাংশ শিক্ষকৰ ডিগ্ৰীৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল আৰু প্ৰথমাৱস্থাত এই শিক্ষকসকলৰ নথি পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি চৰ্চা চলিছে। সমান্তৰালভাৱে কে'বাখনো মহাবিদ্যালয়ৰ অধ্যক্ষই আগন্তুক সময়ত তেওঁলোকৰ পদসমূহ নিয়মীয়াকৰণ হ'ব আৰু সেইবাবেই নথি পৰীক্ষা কৰোৱা হৈছে বুলি সদৰী কৰিছে।

## আৰক্ষীক অপপ্ৰচাৰ নচলাবলৈ সকীয়নি আলফা (স্বাঃ)ৰ

### ■ অইলৰ কৰ্মচাৰীৰ অপহৰণৰ আশংকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** যোৱা ২২ ফেব্ৰুৱাৰীত অসম আৰক্ষীয়ে অইলৰ কৰ্মচাৰীক আলফা (স্বাঃ)ৰ দ্বাৰা অপহৰণৰ শংকা প্ৰকাশ কৰি জাৰি কৰা জাননীৰ পাছত সংগঠনটোৱে এনে পৰিকল্পনা কৰা নাই বুলি আজি স্পষ্ট কৰি দিয়ে। অসম আৰক্ষীৰ কেইজনমান ঊৰ্ধ্বতন কৰ্তৃপক্ষই স্বাৰ্থ পূৰণৰ বাবে অইল কৰ্তৃপক্ষক শংকিত কৰাৰ আৰক্ষীৰ এক উদ্দেশ্যেপ্ৰণোদিত অপকৌশল বুলি সংগঠনটোৱে এক বিবৃতিত উল্লেখ কৰে। অসম আৰক্ষীৰ এনে অপকৌশলৰ আঁৰত এক বিত্তীয় কেলেংকাৰি কৰিব পৰা সুচল পথ বুলি উল্লেখ কৰে। আলফা স্বাধীনে অইলৰ বিষয়া-কৰ্মচাৰীক অপহৰণ কৰিব বুলি ভয়-ভীতি প্ৰদৰ্শনৰে নিজৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে সংখ্যাও বৃদ্ধি কৰিব বিচাৰিছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। উল্লেখ্য যে অইল প্ৰতিষ্ঠানসমূহত নিয়োজিত প্ৰতিগৰাকী প্ৰহৰীৰ বিপৰীতে অইল কৰ্তৃপক্ষই প্ৰায় ৭০ হেজাৰৰো অধিক টকা আদায় দিছে সঁচা; কিন্তু অসম আৰক্ষীৰ পৰা ৩০ হেজাৰ টকামানহে প্ৰতিগৰাকী প্ৰহৰীলৈ দৰমহা হিচাপে মুকলি কৰি দি আছে। আৰক্ষীৰ এই সংশয় ভৰা জাননীৰ পাছত যদি অইলে নিজৰ উৎপাদনস্থলী আৰু কাৰ্যালয়সমূহত নিৰাপত্তাৰক্ষী বৃদ্ধি কৰে, তেন্তে অসম আৰক্ষীৰ কেইজনমান ঊৰ্ধ্বতন কৰ্তৃপক্ষই তথা আৰক্ষীৰ সংশ্লিষ্ট বিভাগে অইলৰ পৰা এক মোটা অংকৰ ধন আত্মসাৎ তথা দুৰ্নীতি কৰিবলৈ এক সুগম পথ প্ৰশস্ত হ'ব। বিবৃতিটোত সংগঠনটোৱে পুনৰ উল্লেখ কৰে যে অইলৰ বিষয়া-কৰ্মচাৰীক বন্দী কৰিবলৈ আলফা (স্বাঃ)ই অইলৰ নিৰাপত্তাৰক্ষীৰ ওপৰত বিচাৰ নকৰে। এই কথা কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰ আৰু অসমৰ গৃহ বিভাগ ভালদৰে অভিভূত। অইল আৰু অ'এনজিচিৰ কৰ্তৃপক্ষক সংগঠনটোৱে স্পষ্ট কৰি দিয়ে যে অইল আৰু অ'এনজিচিৰ প্ৰতিষ্ঠান বা প্ৰতিষ্ঠানৰ কোনো কৰ্মচাৰীৰ স'তে সংগঠনটোৰ কোনো শত্ৰুতা নাই আৰু অসম আৰক্ষীৰ স'তেও নাছিল। কিন্তু শেহতীয়াভাৱে আৰক্ষীৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই আৰক্ষী বাহিনীটোক পৈতৃক সম্পত্তিৰ দৰে জ্ঞান কৰি ইয়াত কৰ্মৰত আৰক্ষীসকলক প্ৰৰোচিত কৰি আলফা (স্বা)ৰ বিৰুদ্ধে থিয় কৰোৱা বা অসমৰ জনগণৰ ওচৰত হেয় প্ৰতিপন্ন কৰোৱাৰ ষড়যন্ত্ৰ কৰিছে। ভৱিষ্যতে আৰক্ষীয়ে অইল আৰু অ'এনজিচিৰ কৰ্মচাৰীৰ সন্দৰ্ভত এনে ধৰণৰ ভয়-ভীতিৰ বাতৰি প্ৰকাশ তথা সংগঠনটোৰ বিৰুদ্ধে অপপ্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আলফা (স্বাঃ)ই সকীয়াই দিয়ে।

## টীয়কৰ সংবাদমেলত বিজেপি নেতাৰ অভব্য আচৰণ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৫ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলা বিজেপি সভাপতিৰ সংবাদমেলত এজন বিজেপি নেতাই সাংবাদিকৰ প্ৰতি কৰা অভব্য আচৰণে ক্ষুব্ধ কৰিছে টীয়কৰ সাংবাদিকসকলক। পৌৰসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত যোৰহাট জিলা বিজেপি সভাপতি হেমন্ত কলিতাই কালি সম্বোধন কৰা এক সংবাদমেলত টীয়ক পৌৰসভাৰ প্ৰাক্তন পৌৰপতি তথা বিজেপি নেতা ৰফিকউজ জামানে টীয়ক প্ৰেছ ক্লাবৰ সদ্য প্ৰাক্তন সাধাৰণ সম্পাদক অমৃত দত্তক অভব্য আচৰণ কৰাত ক্ষুব্ধ হৈ পৰে স্থানীয় সংবাদকৰ্মীসকল। উল্লেখ্য যে কালি বিজেপি যোৰহাট জিলা সভাপতি হেমন্ত কলিতাই টীয়কৰ 'অংকিত গেষ্ট হাউছ'ত বিয়লি এক সংবাদমেলৰ আয়োজন কৰে। নিৰ্ধাৰিত সময়ত টীয়কৰ ৩০ গৰাকীতকৈও অধিক সংবাদকৰ্মী সংবাদমেলত উপস্থিত হয় যদিও ডেৰ ঘণ্টা পলমকৈ বিজেপিৰ জিলা সভাপতিজন সংবাদমেলত উপস্থিত হয়। সংবাদমেলত মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, যোৰহাট জিলা বিজেপিৰ সম্পাদক অমৰজ্যোতি শইকীয়া, বিজেপি নেতা ৰফিকউজ জামান, জিতু হাজৰিকা উপস্থিত থাকে। জিলা সভাপতি কলিতাই পলমকৈ উপস্থিত হোৱাৰ বাবে সাংবাদিকসকলৰ ওচৰত ক্ষমা বিচাৰি সংবাদমেল সম্বোধন কৰে আৰু আগন্তুক পৌৰসভা নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থী, নিৰ্বাচনী মিত্ৰতা, টীয়ক পৌৰসভাৰ উন্নয়নৰ প্ৰতিশ্ৰুতি আদি দাঙি ধৰিৰ পাছতে সাংবাদিকসকলৰ প্ৰশ্নৰ উত্তৰ দিয়ে। কিন্তু এই সময়তে লাগিল কেনা। টীয়ক পৌৰসভাৰ পূৰ্বৰ কাম-কাজ, বৰ্তমানৰ সমস্যা আদি সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নত জাঙুৰ খাই উঠে প্ৰাক্তন পৌৰপতি তথা বিজেপি নেতা জামান। জামানে সাংবাদিক অমৃত দত্তক উদ্দেশ্যি অভব্য আচৰণ কৰাত ক্ষুব্ধ হৈ পৰে সাংবাদিকসকল। লগে লগে সাংবাদিকসকলে সংবাদমেল ত্যাগ কৰে। ইফালে. হৈ-চৈৰ মাজতে সংবাদমেল ত্যাগ কৰি আঁতৰি যায় মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ। আনহাতে, ঘটনাৰ পাছতে জিলা বিজেপি সভাপতি কলিতা আৰু জামানে সাংবাদিকসকলক ক্ষমা বিচাৰে যদিও সাংবাদিকসকলে সিমানতে সংবাদমেল সামৰণি মাৰে। ক্ষমতাই মূৰত নচা বিজেপি নেতাৰ সংবাদমাধ্যমৰ প্ৰতি কৰা এনে নিকৃষ্ট আচৰণে ক্ষোভিত কৰি তুলিছে সংবাদসেৱীসকলক।

## ৰাষ্ট্ৰনায়কৰূপে জিলিকি থাকিব

*এক পৃষ্ঠাৰ পৰা* থাকিব বুলি অভিমত প্ৰকাশ কৰি ৰাষ্ট্ৰপতিয়ে কয় যে ভাৰতীয় সেনাই লাচিত বৰফুকনক সদায় প্ৰেৰণাৰ প্ৰতীকৰূপে গণ্য কৰি আহিছে। ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই আত্মবলিদান দিয়া আৰু দেশবাসীৰ স্বাধীনতাৰ সপোন পূৰোৱা নায়কসকলৰ লগতে স্বাধীনতা আন্দোলনৰ বহু বছৰ পূৰ্বে মাতৃভূমিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকন, ছত্ৰপতি শিৱাজী আদিৰ দৰে নায়ককো দেশবাসীয়ে আজীৱন স্মৰণ কৰিব বুলি ৰাষ্ট্ৰপতি ক'ৱিন্দে কয়। ৰাজধানী গুৱাহাটীয়ে মহাবাহু ব্ৰহ্মপুত্ৰৰ পৰা আশীৰ্বাদ লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে মোগলে বাৰম্বাৰ নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ প্ৰয়াস কৰিছিল যদিও অসমৰ এই টুকুৰা ভূমিতেই মধ্য যুগৰ বহু আক্ৰমণক আহোম সেনাই বিফল কৰি দিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি, কবিতা আৰু সমাজ সংস্কাৰৰ অবিৰত যাত্ৰা আৰু লাচিত বৰফুকনৰ অতুলনীয় বীৰত্বৰ কাহিনীৰে সমৃদ্ধ অসমক আজি দৰ্শন কৰিবলৈ পাই অত্যন্ত গৌৰৱান্বিত বুলিও ৰাষ্ট্ৰপতি ক'ৱিন্দে প্ৰকাশ কৰে।

ভাৰত ভূমিৰ সুপুত্ৰ লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তী পালন কৰাটো এক অন্যতম ঐতিহাসিক দিন বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি ক'ৱিন্দে কয়, 'ভাৰতীয় ইতিহাসৰ মহানতম যোদ্ধাসকলৰ ভিতৰত লাচিত বৰফুকন আছিল অন্যতম। ভাৰতীয় ইতিহাসৰ বিখ্যাত যোদ্ধা লাচিত বৰফুকনক জন্ম দিয়া অসম মাতৃক মই সেৱা জনাইছো। আমাৰ বৰ্তমানক সঠিক দিশত আগুৱাই লৈ যাবলৈ হ'লে সেইসকল মহানায়কক আমি সদায় সজীৱ কৰি ৰাখিব লাগিব আৰু তেওঁলোকৰ কীৰ্তি কাহিনীক প্ৰতিজন ভাৰতীয়ৰ ঘৰে ঘৰে সজীৱ কৰি তোলাৰ প্ৰয়াস কৰিব লাগিব।'

'অসমবাসী ৰাইজলৈ মোৰ নমস্কাৰ' বুলি অসমীয়া ভাষাৰে নিজৰ ভাষণ আৰম্ভ কৰা ৰাষ্ট্ৰপতি ক'ৱিন্দে অসম চৰকাৰ তথা প্ৰতিজন অসমীয়াই দিয়া আদৰ-সাদৰ আৰু মৰম-চেনেহত অভিভূত হোৱা বুলিও প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীলৈ সম্বৰ্ধনাৰ সময়ত উপহাৰ হিচাপে দিয়া বীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবি ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয়ত সংৰক্ষণ তথা প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব বুলিও ৰাষ্ট্ৰপতিয়ে প্ৰকাশ কৰে।

আজিৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰকৃততে শৰাইঘাটৰ ৰণত লাচিত বৰফুকনৰ নেতৃত্বত আহোম সেনাৰ জয়লাভে অসমৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাই নহয়, সমগ্ৰ দক্ষিণ-পূব এছিয়াক আগ্ৰাসী শক্তিবিলাকৰ পৰা ৰক্ষা কৰিছিল। 'শৰাইঘাটৰ ৰণ আছিল বিশ্ব ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা। অসম চৰকাৰে সেই বিশ্ব ইতিহাসৰ উল্লেখযোগ্য ঘটনাটোক চাৰিশ বছৰৰ পাছত আকৌ এবাৰ সোঁৱৰণ কৰিব খুজিছো।' মুখ্যমন্ত্ৰী শৰ্মাই এইদৰে কয়।

লাচিত বৰফুকন আহোমৰ বৰ্ণিল ইতিহাসৰ সোণালী চৰিত্ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে শৰাইঘাটৰ ৰণ আছিল অসমীয়াৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বৰ অম্লান কাহিনী আৰু এই কাহিনীৰ মহানায়ক আছিল লাচিত বৰফুকন। আলাবৈ ৰণ অসমীয়াৰ দেশপ্ৰেমৰ এক অপূৰ্ব চানেকি বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জন্মভূমিৰ হকে এদিনৰ ৰণত ১০ হেজাৰ সৈন্যই জীৱন দান দিয়াটো এক বিৰল দৃষ্টান্ত। তেওঁ কয়, 'এয়া বিশ্বৰ ইতিহাসতে বিৰল।' মধ্যযুগৰ আহোমসকলৰ সেই ৰাজ শাসন এছিয়া মহাদেশৰ ভিতৰতে এক মহৎ ৰাজনৈতিক শক্তি আৰু তেওঁলোকৰ শাসনকাল অনেক যুদ্ধ আৰু অযুত সাহসৰ কাহিনীৰে পৰিপূৰ্ণ আৰু তাৰে ভিতৰত আলাবৈ ৰণ আৰু শৰাইঘাটৰ ৰণ অন্যতম বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

আজিৰ দিনটোত চাৰিশ বছৰৰ পাছত কৃতজ্ঞ অসমীয়াই লাচিত বৰফুকনক আকৌ এবাৰ সোঁৱৰিবলৈ পাই অত্যন্ত গৌৰৱান্বিত বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'মোগল সেনাক দক্ষিণ-পূব এছিয়ালৈ আগবাঢ়ি অহাৰ পথত এক বৃহৎ বাধাৰ প্ৰাচীৰ গঢ়িছিল লাচিত বৰফুকনে। ভাৰতবৰ্ষত যিসকল হিন্দু মহাবীৰে মোগলৰ বিৰুদ্ধে যুঁজ দিছিল তাৰ ভিতৰত আছিল বীৰ লাচিত অন্যতম আৰু একক।'

উল্লেখ্য যে আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি ক'ৱিন্দে মঞ্চৰ পৰাই ভাৰ্চুৱেলি যোৰহাট জিলাৰ টীয়কৰ লাচিত মৈদামৰ সৌন্দৰ্যবৰ্ধনৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কামৰূপ জিলাৰ দদৰাৰ আলাবৈ ৰণৰ যুদ্ধৰ স্মাৰকৰ আধাৰশিলা স্থাপন কৰে।

কলাক্ষেত্ৰৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ আগে আগে দুপৰীয়া বৰঝাৰ বিমানকোঠৰ পৰা পোনে পোনে নীলাচল পাহৰৰ কামাখ্যা মন্দিৰলৈ গৈ ৰাষ্ট্ৰপতি ক'ৱিন্দে পৰিয়ালসহ সেৱা আগবঢ়ায়। আজিৰ কামাখ্যা মন্দিৰ দৰ্শনৰ সময়ত সমগ্ৰ দেশবাসীৰ কল্যাণৰ হকে, বিশেষকৈ নৱ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ বাবে প্ৰাৰ্থনা কৰা বুলিও ক'ৱিন্দে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰা অনুসৰি, যোৰহাটৰ হোলোঙাপাৰ গাঁৱত ১৫০ ফুট ওখ এটি লাচিতৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব। ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটোৰ লগত প্ৰকল্পটোত থাকিব বীৰ লাচিতৰ জীৱন আৰু কীৰ্তিৰ প্ৰতিফলন হোৱা সংগ্ৰহালয়। আনহাতে, কামৰূপ জিলাৰ পছৰীয়াত আহোম যোদ্ধাসকলে ব্যৱহাৰ কৰা ঐশ্বৰিক শক্তি হেংদাঙৰ আৰ্হিৰে আলাবৈ ৰণৰ যুদ্ধ স্মাৰক নিৰ্মাণ হ'ব। উচ্চতা হ'ব ৩০ মিটাৰ। আজিৰ অনুষ্ঠানত অসম চৰকাৰ তথা শাসকীয় দলৰ বহু মন্ত্ৰী, বিধায়ক আৰু নেতা-নেত্ৰী উপস্থিত থকাৰ লগতে ৰাষ্ট্ৰপতি ক'ৱিন্দৰ লগত মঞ্চত আসন গ্ৰহণ কৰে ৰাজ্যপাল জগদীশ মুখী, কৃষি মন্ত্ৰী অতুল বৰা, যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মই।

## মৌতাৰাত ড্ৰাগছসহ গ্ৰেপ্তাৰ সৰবৰাহকাৰী

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৫ ফেব্ৰুৱাৰী ঃ** সমাজৰ যুৱ চামক ধ্বংস কৰি পেলোৱা নিচা জাতীয় সামগ্ৰী ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। বঙাইগাঁও জিলাৰ গেৰুকাবাৰীৰ মৌতাৰাত আজি আৰক্ষীৰ অভিযানত ড্ৰাগছসহ গ্ৰেপ্তাৰ হয় এজন সৰবৰাহকাৰী। অভিযানটোত পাঁচটা সন্দেহযুক্ত হে'ৰইন ড্ৰাগছভৰ্তি কণ্টেইনাৰ, এটা মবাইল, এ এছ ২৬ ডি ১০৮১ নম্বৰৰ কেটি এম মটৰচাইকেলসহ সৌমখৌৰ মুছাহাৰী (২১) নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে।

## পুটিনৰ 'অপাৰেছন জেড'ক লৈ

*এক পৃষ্ঠাৰ পৰা* আখৰটো। ইয়াৰ স'তে আছে ভিন ভিন চিহ্ন, ক'ৰবাত ত্ৰিকোণ, বৃত্ত আদি। সামৰিক বিশেষজ্ঞসকলৰ মতে, এইবোৰ পূৰ্ব নিৰ্দিষ্ট পথৰ সংকেত চিহ্ন। যাৰ জৰিয়তে লক্ষ্যস্থানত উপনীত হ'ব ৰুছ বাহিনী। মন কৰিবলগীয়া যে অধুনালুপ্ত ছোভিয়েট ইউনিয়নৰ অন্তৰ্ভুক্ত ইউক্ৰেইন অথবা ৰাছিয়াই একে ধৰণৰ ট্ৰেংক আৰু সামৰিক যান ব্যৱহাৰ কৰে। সেয়েহে আক্ৰমণৰ সময়ত যাতে নিজ বাহিনীয়ে লক্ষ্য নহয় তাৰ বাবেও সাৱধানতা অৱলম্বন কৰা বুলি একাংশই ক'ব বিচাৰে।

## ঘটনাৰ ২০ দিনৰ পাছতো আন

*এক পৃষ্ঠাৰ পৰা* নিয়া তথা আৰক্ষীৰ জিম্মাত থকা দুই অন্যতম অভিযুক্ত আছমদ আলী (২১) আৰু বাহাৰুল ইছলাম (২৩)ক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে আদালতে। উল্লেখ্য যে টকা লুটি নিয়াৰ উদ্দেশ্যে তাৰাহীৰা কমপ্লেক্সৰ স্বত্বাধিকাৰী ড° হাজৰিকাৰ ঘৰুৱা কামত নিয়োজিত তথা সোঁহাত স্বৰূপ ধৃত ৰুবিনা বেগম (১৯)ৰ সহযোগত তেওঁৰ স্বামী ধৃত আছমদ আৰু বাহাৰুলসহ চাৰি অভিযুক্তই সম্পূৰ্ণ পৰিকল্পিতভাৱে এই হত্যাকাণ্ড সংঘটিত কৰিছিল। হত্যাৰ আগদিনা অৰ্থাৎ পাঁচ ফেব্ৰুৱাৰীত কমপ্লেক্সটোৰ ভূমি মহলাত থকা গেষ্ট হাউছৰ এটা কোঠা ঘাতকে ভাড়ালৈ লৈ ছয় ফেব্ৰুৱাৰীৰ নিশা মহিলাগৰাকীক হত্যা কৰি প্ৰায় ১০ লাখ টকা লুটি নিয়াৰ তথ্য আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। সাত ফেব্ৰুৱাৰীৰ দুপৰীয়া কমপ্লেক্সৰে এটা কোঠাৰ বিছনাৰ তলত হাত-ভৰি বন্ধা আৰু মুখত নেপকিন পেপাৰ ভৰাই টেপ মাৰি থোৱা অৱস্থাত আৰক্ষীয়ে মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ পাছত এয়া হত্যাকাণ্ড বুলি নিশ্চিত হৈ ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাৰ অধীনত ৩২/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত মহিলাগৰাকীৰ কমপ্লেক্সত ঘৰুৱা কামত নিয়োজিত ৰুবিনাক গ্ৰেপ্তাৰ কৰাৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে আৰু হত্যাকাণ্ডত জড়িত থকা চাৰি ঘাতকৰ তথ্য লাভ কৰিছিল তদন্তকাৰী আৰক্ষীয়ে। সম্প্ৰতি ইয়াৰে আছমদ আৰু বাহাৰুলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কে'বাদিনো জেৰা কৰাৰ অন্তত সম্প্ৰতি ৰুবিনাসহ তিনিওকে আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। আনহাতে, পলাতক দুই অভিযুক্তৰ নাম আৰক্ষীয়ে ৰাজহুৱা কৰা নাই যদিও দুয়ো বহিঃৰাজ্যত আত্মগোপন কৰি থকাৰ তথ্য লাভ কৰিছে বুলি তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰি পলাতকদ্বয়ৰ বিৰুদ্ধে অভিযান অব্যাহত থকা বুলি কয়।

## পৌৰসভাৰ প্ৰাৰ্থী সাংবাদিকৰ মত-

১২ *পৃষ্ঠাৰ পৰা* চৌধুৰীসহ সম্পাদক ননী গোপাল দত্ত, সংবাদসেৱী দীপক কানৈ, প্ৰেমানন্দ দাস, কৃষ্ণ নেওগ আৰু ৰন্টু বৰশইকীয়া। সাংবাদিকসকলে সকলো প্ৰাৰ্থীকে শুভেচ্ছা জ্ঞাপন কৰি দলীয় ৰাজনীতিৰ উৰ্ধত গৈ ৰাইজৰ সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনায়।

## আধাৰশিলাৰ এবছৰ পাছতো নিৰ্মাণ

১২ *পৃষ্ঠাৰ পৰা* পকীঘৰ, স্বাস্থ্য, শিক্ষা তথা বিনামূলীয়াকৈ কে'বাবিধো অত্যাৱশকীয় সামগ্ৰী দৰিদ্ৰ জনতাক যোগান ধৰি দেশক প্ৰগতিৰ পথত আগুৱাই নিয়াৰ লক্ষ্যৰে দ্ৰুতগতিত বিভিন্ন কাম হাতত লৈছে তেনে সময়তে আধাৰশিলাৰ এবছৰৰ পাছতো এটা পথৰ উন্নয়ন নোহোৱাটো অতি আশ্চয্যজনক। সেয়েহে অঞ্চলটোৰ ভূক্তভোগী জনসাধাৰণে চৰকাৰ তথা বিভাগীয় মন্ত্ৰীক বাৰিষাৰ পূৰ্বেই উন্নয়ন সাধন কৰিবৰ বাবে দাবী উত্থাপন কৰিছে।

## অসম চাহ মজদুৰ সংঘ বিভাজন

১২ *পৃষ্ঠাৰ পৰা* দিয়াৰ পৰিৱৰ্তে স্বতন্ত্ৰ চাহ মজদুৰ সংঘ নামে এটা শ্ৰমিক সংগঠন গঠন কৰি শ্ৰমিকৰ মাজত বিভ্ৰান্তি আৰু বিভাজন সৃষ্টি কৰিছে। ১৯৫৮ৰ ন আগষ্টত প্ৰতিষ্ঠা হোৱা অসম চাহ মজদুৰ সংঘত আজিও ৰাজ্যখনৰ ৯০ লাখৰো অধিক চাহ জনজাতি আৰু আদিবাসীৰ মাজত ১২ লাখৰো অধিক চাহ শ্ৰমিকে সংঘৰ নীতি-আদৰ্শ কৰ্মৰাজিক বিশ্বাস কৰি সংঘক শক্তিশালী কৰি আছে বুলি তাঁতীয়ে বিবৃতিটোত উল্লেখ কৰিছে। বছৰৰ লেখত শ্ৰমিকৰ উন্নয়নৰ ক্ষেত্ৰত সংঘই যিমান কাম কৰিব লাগিছিল সিমান কৰিব পৰা নাই। কিন্তু সংঘই চাহ শ্ৰমিকক শোষণ-বঞ্চনা কৰা বুলি অপপ্ৰচাৰ কৰা কথাটো পৰিতাপৰ বিষয় বুলি বিবৃতিটোত উল্লেখ কৰিছে। সম্পাদক তাঁতীয়ে শ্ৰমিকক বিভাজন আৰু সংঘৰ বিৰোধী কাৰ্যৰ পৰা বিৰত থাকিবলৈ বিৰোধী চক্ৰটোক সকীয়াই দিছে।

## ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত

১২ *পৃষ্ঠাৰ পৰা* আন্দোলনত ভাৰতীয় মানুহৰ স্বদেশপ্ৰেমৰ ওপৰত তত্ত্বগধুৰ বাখ্যা কৰে। বক্তৃতানুষ্ঠানত ভাৰতীয় ইতিহাস সংকলন সমিতিৰ অখিল ভাৰতীয় সম্পৰ্ক প্ৰমুখ হেমন্ত ধিং মজুমদাৰে নিৰ্দিষ্ট বক্তাৰ ভাষণত কয়, 'ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত প্ৰতিগৰাকী ভাৰতীয়ৰেই পূৰ্ণ সহযোগ তথা অৱদান আছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাৰ বহু অপ্ৰকাশিত কাহিনীও আছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত প্ৰতিগৰাকী ভাৰতীয়ৰ অৱদান আৰু অপ্ৰকাশিত কাহিনীবোৰক তথা ইতিহাসক নৱ প্ৰজন্মৰ মাজত ভিন্নধৰণে সঠিকভাৱে জ্ঞাত কৰাব লাগিব। ইয়াৰে আলম লৈ নৱ প্ৰজন্মৰ জৰিয়তে দেশ, জাতিক আগুৱাই নিব লাগিব।' হেমন্ত ধিং মজুমদাৰে তেওঁৰ ভাষণত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাৰ বহু অপ্ৰকাশিত ইতিহাসৰ ওপৰতো ব্যাখ্যা কৰে। বক্তৃতনুষ্ঠানত ভাৰতীয় ইতিহাস সংকলনৰ বৰপেটা জিলা সমিতিৰ সভাপতি গৌৰীকান্ত বৰ্মন, কাৰ্যকৰী সভাপতি সোমনাথ তালুকদাৰ, উপ-সভাপতি প্ৰফুল্ল গোস্বামী, সম্পাদক ভাস্কৰ নাথেও নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰে। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আব্দুছ ছালাম, অধ্যাপকদ্বয় তাইজুদ্দিন আহমেদ, ড° সমীৰণ শৰ্মায়ো অংশগ্ৰহণ কৰে।

## ২০২৪ৰ ভিতৰত ১০খন নগৰৰ ভিতৰত

১২ *পৃষ্ঠাৰ পৰা* স্থানীয় বিধায়কজনে। ইপিনে, সাংসদ কামাখ্যা প্ৰসাদ তাছাই বিশেষভাৱে বৰপথাৰ পৌৰসভাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলোৱা দেখা গ'ল। সাংসদজনৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত স্থানীয় বিধায়কৰ লগতে বহুকেইজন জ্যেষ্ঠ বিজেপি তথা অগপৰ নেতা, বৰপথাৰ মণ্ডল বিজেপিৰ নেতৃবৰ্গৰ লগতে দলীয় কাৰ্যকৰ্তাসকল উপস্থিত থাকে। ইপিনে বিগত কালছোৱাত কংগ্ৰেছৰ দখলত থকা বৰপথাৰ পৌৰসভাৰ প্ৰাক্তন পৌৰপতি শৈলেশ কুমাৰ সিঙ নামৰ ব্যক্তিজন সোমাই পৰিছে বহু বিতৰ্কৰ মাজত। উক্ত পৌৰপতিজনৰ কাৰ্যকালত বিভিন্ন ধৰণৰ অনিয়ম, বেমেজালি তথা দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ পৰা আৰম্ভ কৰি নলা-নৰ্দমা, ষ্ট্ৰীট লাইট, বেনাৰ, হ'ৰ্ডিং, টিউবৱেল নিৰ্মাণ আদিকে কৰি এখন শিশু উদ্যানৰ নিৰ্মাণৰ ক্ষেত্ৰতো সাঙুৰ খাই পৰিছে প্ৰাক্তন পৌৰপতিজনৰ নাম। ইপিনে, বিজেপিৰ পৰা পৌৰসভাৰ নিৰ্বাচন খেলি জয়ী হৈ পুনৰ কংগ্ৰেছত যোগদান কৰা বিতৰ্কিত এইজন শৈলেশ কুমাৰ সিঙে এইবাৰৰ পৌৰসভাৰ নিৰ্বাচনত তেওঁৰ নিজ পুত্ৰই নিৰ্বাচনত প্ৰাৰ্থিত্ব লাভ কৰাত কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি এতিয়াও আঁতৰ হোৱা নাই বুলি ৰাইজে মত প্ৰকাশ কৰা দেখা গৈছে।

## মহাদেৱ আগৰৱালা স্কুলৰ প্ৰাক্তন

১২ *পৃষ্ঠাৰ পৰা* শিক্ষয়িত্ৰী ৰীণু শৰ্মা আদিয়েও সাৰুৱা বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত চিআৰচিচি কৃষ্ণা মিশ্ৰ, সমগ্ৰ শিক্ষা মিছনৰ বিষয়া অৰ্পিতা দত্ত, উজ্জল হাতীবৰুৱা, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মঞ্জুলা বৰঠাকুৰ, বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম গগৈ, আদৰ্শ হিন্দী হাইস্কুলৰ প্ৰধান শিক্ষক অশোক ভগত, ঠাকুৰ প্ৰসাদ পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষক দিলীপ কাপাচিয়া, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যাপক বসন্ত বৰা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক প্ৰীতম শইকীয়াই আঁত ধৰা মনোগ্ৰাহী অনুষ্ঠানটো বিদ্যালয়খনৰ শিক্ষয়িত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে মুকলি কৰা হয়। আনহাতে, একেটা অনুষ্ঠানতে বিদ্যালয়খনৰ মুখপত্ৰ 'পৰাগ'ৰ এইবৰ্ষৰ সংখ্যা উন্মোচন কৰে সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজীৱ বৰুৱাই। উল্লেখ্য যে, পঞ্চাশৰ দশকতে প্ৰথম প্ৰকাশ পোৱা মুখপত্ৰ 'পৰাগ' ধাৰাবাহিকভাৱে আজিও প্ৰকাশ পাই আহিছে। অধ্যক্ষ স্মৃতিৰেখা ফুকনে বিদ্যালয়খনৰ আলোচনীখন দীৰ্ঘদিন ধৰি ধাৰাবাহিকভাৱে প্ৰকাশ পাই অহাৰ মূলতে প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক শিক্ষয়িত্ৰীসকলৰ সহযোগিতাও অন্যতম শক্তি বুলি উল্লেখ কৰি তেওঁলোকৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে, মুখপত্ৰ 'পৰাগ' উন্মোচন কৰি উন্মোচক ৰাজীৱ বৰুৱাই পৰাগ আগৰৱালা স্কুলৰ দাপোন বুলি অভিহিত কৰে। দীৰ্ঘদিন ধৰি প্ৰকাশ পাই অহা আলোচনীখনে বহু লিখকৰ সৃষ্টি কৰা বুলিও তেওঁ লগতে মন্তব্য কৰে। প্ৰীতম কুমাৰ শইকীয়াই আগবঢ়োৱা শলাগৰ শৰাইৰ পাছত জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

**ৰাজহুৱা জাননী**

ICICI Bank
ICICI Bank Limited

**পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ লেণ্ডমাৰ্ক, ৰেচ ক'ৰ্চ চাৰ্কল, ভদোদৰা-৩৯০০০৭**
**কৰ্প'ৰেট কাৰ্যালয় ঃ আই চি আই বি আই টাৱাৰ্চ, বান্দ্ৰা-কুলা কমপ্লেক্স, মুম্বাই-৪০০০৫১**
**সোণ নিলাম আৰু নিমন্ত্ৰণী জাননী**

আই চি আই চি আই বেংক লিমিটেড (আই চি আই চি আই বেংক)ৰ পৰা দিয়া সুবিধা অনুসৰি তলত উল্লেখ কৰা ঋণীসকলক তেওঁলোকৰ সোণৰ গহণাৰ বিপৰীতে গ্ৰহণ কৰা ঋণৰ সুতৰ স'তে সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ জাননী জাৰি কৰা হৈছিল। তেওঁলোকে উক্ত ধনৰাশি পৰিশোধ কৰিবলৈ অপাৰগ হোৱাৰ বাবে আমি **৮ মাৰ্চ ২০২২** তাৰিখে সেই গহণাসমূহ নিলাম কৰিবলৈ ব্যৱস্থা কৰিছো। আগতীয়া কোনো জাননী নিদিয়াকৈ আই চি আই চি আই বেংকে উক্ত নিলামৰ তাৰিখ/একাউণ্ট নম্বৰ সলনি কৰাৰ অধিকাৰ ৰাখিছে। দিনৰ **১২.৩০ৰ পৰা ৩.৩০ বজালৈ** Website.https://jewel-auction.procuretiger.comৰ যোগেদি অনলাইন পদ্ধতিৰে উক্ত নিলাম সম্পন্ন কৰা হ'ব। বিষদ নিয়মাৱলীৰ বাবে উল্লেখ কৰা ৱেবছাইটত লগ ইন কৰক। মৃত ঋণীৰ ক্ষেত্ৰত সমুদায় দায়িত্ব তেওঁৰ উত্তৰাধিকাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ বৰপেটা | |
| [illegible] | ৰাজকুমাৰ সাহা |
| শাখাৰ নাম ঃ বৰপেটা বি-বি ৰোড | |
| [illegible] | অজিত দাস |
| শাখাৰ নাম ঃ বিজয়নগৰ | |
| [illegible] | শ্ৰীমান্ত দাস |
| [illegible] | জোনালী দাস |
| শাখাৰ নাম ঃ ডিগবৈ | |
| [illegible] | বিষ্ণু দেৱনাথ |
| শাখাৰ নাম ঃ গুৱাহাটী ফাচী বজাৰ | |
| [illegible] | ময়ুৰী নাথ |
| শাখাৰ নাম ঃ গুৱাহাটী শিলপুখুৰী | |
| [illegible] | সুপ্ৰিয়া দাস |
| শাখাৰ নাম ঃ গুৱাহাটী উলুবাৰী | |
| [illegible] | আৰতী শৰ্মা |
| শাখাৰ নাম ঃ হাইলাকাণ্ডি | |
| [illegible] | কায়েচ আহমেদ লসকৰ |

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ জাগীৰোড | |
| [illegible] | মানস প্ৰতিম ডেকা |
| শাখাৰ নাম ঃ লংকা | |
| [illegible] | অৰ্চনা মালাকৰ |
| [illegible] | টুতন বণিক |
| শাখাৰ নাম ঃ লামডিং | |
| [illegible] | অজয় দেৱদাস |
| শাখাৰ নাম ঃ মঙলদৈ | |
| [illegible] | নুৰ আলী |
| [illegible] | অনুপ কুমাৰ বৰদলৈ |
| [illegible] | ইউচুফ আলী |
| শাখাৰ নাম ঃ মাৰ্ঘেৰিটা | |
| [illegible] | প্ৰমোদ কোঁৱৰ |
| [illegible] | বিক্ৰম কৈৰী |
| শাখাৰ নাম ঃ মৰিগাঁও | |
| [illegible] | বুলিন আহমেদ |
| শাখাৰ নাম ঃ নগাঁও | |
| [illegible] | হবিবুৰ ৰহমান |

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ নাজিৰা | |
| [illegible] | আব্দুল মতলিব |
| শাখাৰ নাম ঃ উত্তৰ লখিমপুৰ | |
| [illegible] | ঝৰ্ণা বৰগোঁহাই |
| শাখাৰ নাম ঃ ৰঙিয়া | |
| [illegible] | জয়ন্ত মণ্ডল |
| শাখাৰ নাম ঃ শিৱসাগৰ | |
| [illegible] | চাহিদুৰ হুছেইন |
| [illegible] | ইক্ৰামুল হুছেইন |
| [illegible] | পূৰ্ণ মহন্ত |
| [illegible] | মনোজ ঠাকুৰীয়া |
| [illegible] | ৰাতুল আলী |
| [illegible] | ৰেবী হাজৰিকা |
| [illegible] | বুধিন কোঁৱৰ |
| [illegible] | প্ৰিয়কা দাস |
| [illegible] | নিবেদন শৰ্মা |
| শাখাৰ নাম ঃ শিলচৰ | |
| [illegible] | স্বদেশ দাস |
| [illegible] | অমিনা বেগম লস্কৰ |

তাৰিখ ঃ ২২-০২-২০২২
স্থান ঃ বগসা, কাছাৰ, দৰং, হোজাই, কামৰূপ, কামৰূপ মেট্ৰ, লখিমপুৰ, মৰিগাঁও, নগাঁও, শিৱসাগৰ, তিনিচুকীয়া, বৰপেটা, হাইলাকাণ্ডি।

স্বাক্ষৰ/কৰ্তৃত্বশীল বিষয়া
আই চি চি আই বেংক লিমিটেডৰ হৈ

**GOVERNMENT OF INDIA**
**MINISTRY OF DEFENCE**
**EX-SERVICEMEN CONTRIBUTORY HEALTH SCHEME**
**STATION CELL ECHS GUWAHATI**
**PHONE : 8134033685**
**e-mail: echsghystncell@yahoo.in**
**EMPLOYMENT NOTICE**

1. ECHS invites application to engage following Medical, Para Medical & Non Medical Staff on contractual basis for ECHS Polyclinics Guwahati, Goalpara and Regional Centre ECHS, Guwahati for a period of one year for ESMs and 11 months for civillian candidates.

| Appointment | Minimum Qualification | No of Vac | Fixed Remuneration |
|---|---|---|---|
| OIC Polyclinic | Graduate | PC Goalpara-1 | 75000/- |
| Medical Officer | MBBS | PC Guwahati-1<br>PC Goalpara-1 | 75000/- |
| Dental Officer | BDS | PC Guwahati -1 | 75000/- |
| Lab Tech | DMLT/Class-I / Lab Tech course (Min 03 yrs experience) | PC Guwahati -1<br>PC Goalpara-1 | 28100/- |
| Pharmacist | B Pharmacy from any recognized Institute (Min 03 yrs experience). | PC Guwahati -2<br>PC Goalpara-1 | 28100/- |
| Nur Asst | GNM Diploma/Class-I Nursing Asst Course (Min 05 yrs experience). | PC Guwahati -1<br>PC Goalpara-1 | 28100/- |
| Dental A/T/H | Diploma in Dental Hyg/ Class-I (Min 05 yrs experience). | PC Guwahati -1 | 28100/- |
| IT Network | Diploma in IT Course (Min 02 yrs experience). | Regional Centre Guwahati -1 | 28100/- |
| Driver | CI-I MT Dvr to posses a civil license (Min 05 yrs experience). | PC Guwahati -1 | 19700/- |
| Chowkidar | Class 8 or GD trade for Armed Forces. | PC Goalpara-1 | 16800/- |
| Female Attendant | Literate (Min 05 yrs experience in civil/Army health institution) | PC Guwahati -1<br>PC Goalpara-1 | 16800/- |
| Peon | Class 8 or GD trade for Armed Forces (Min 05 yrs experience). | PC Guwahati -1 | 16800/- |
| Safaiwala | Literate (Min 05 yrs experience). | PC Guwahati -1 | 16800/- |

2. **For Terms & Conditions, Application Form & Remuneration.** Kindly see our website www.echs.gov.in For additional details, please contact Stn Cell ECHS Guwahati at Telephone No 0361-2971198 Mobile No 8134033685 & email ID echsghystncell@yahoo.in Also approach concerned ECHS Polyclinic for details, Preference will be given to Ex-servicemen.

3. **Last date of receipt of applications as per format given at our website.** Application as per requisite format along with self attested photocopies of testimonials in support of Educational Qualifications and Work Experience will be submitted to OIC ECHS Cell Guwahati by 9 Mar 2022 in duplicate. Applications received after 9 Mar 2022 will not be accepted.

4. **Interview Date, Timing & Venue.** Candidate must reach Stn HQ 51 Sub Area at 09:00 am on 11 Mar 2022 for the interview to be held between 10:00 am to 13:00 pm. Candidate must bring all original certificates/mark sheets/degree of 10th / Matric/10+2 & Graduation/ diploma/ course, work experience, discharge book, PPO, service records and 04 PP size photographs at the time of interview. No TA/DA is admissible. Only candidates meeting the Qualitative Requirements may apply.

**ADDITIONAL ADVERTISEMENT-CUM-NOTICE**
22-02-2022

It is hereby notified that advertisement was published on 3rd of February, 2022 for filling up of one post of peon from the category of EWS & one post of peon from the category of ST(H), but due to sudden demise of Lt. Buddha Saikia, who was a peon in the CJM establishment, one more post of peon is to be filled up as per 100 Point Roster from EWS category as backlog vacancy. Hence through the same examination as advertisement earlier, having the same qualification & age from the candidates of EWS category, the additional post of peon will be filled up.

Inform all concerned accordingly.

**Sd/-**
**Chief Judicial Magistrate,**
**Kamrup (M), Guwahati.**
**-Cum-**
**Chairman, Recruitment Board.**

Janasanyog/D/16295/21

# ন ৰাণৰ অগ্ৰগতি ললে উত্তৰপ্ৰদেশে

## ৰঞ্জী ট্ৰফী ঃ পাঁচ ৰাণতে এক উইকেট হেৰুৱাই অস্বস্তিত আছে অসম

**নিউজ ব্যুৰ'**
**ৰোহটক, ২৫ ফেব্ৰুৱাৰী ঃ** বলিং বিভাগৰ দৰ্শনীয় প্ৰদৰ্শন সত্ত্বেও উত্তৰপ্ৰদেশৰ বিপক্ষে ৰঞ্জী ট্ৰফীৰ এলিট শাখাৰ 'জি' গ্ৰুপৰ মেচখনত অগ্ৰগতি অৰ্জন কৰিব নোৱাৰিলে অসমে। বিপৰীতে উত্তৰপ্ৰদেশে আজি দ্বিতীয় দিনাৰ খেলত প্ৰথম ইনিংছত ন ৰাণৰ অগ্ৰগতি অৰ্জন কৰিবলৈ সক্ষম হয়। দিনান্তলৈ দলীয় পাঁচ ৰাণতে অপেনাৰ শুভম মণ্ডল (০)ৰ উইকেট হেৰুৱাই কিছু অস্বস্তিত আছে অসম। অপেনাৰ ঋষভ দাসে কোনো ৰাণ নকৰাকৈ তথা পল্লৱকুমাৰ দাসে চাৰি ৰাণত অপৰাজিত হৈ আছে। উল্লেখ্য যে অসমে কালি ২৬৫ ৰাণত প্ৰথম ইনিংছ সামৰিছিল।

ইয়াৰ পূৰ্বে উত্তৰপ্ৰদেশৰ ইনিংছ আজি ২৭৪ ৰাণত সমাপ্ত হয়। সমৰ্থ সিং (৭০) আৰু প্ৰিয়ম গাৰ্গ (৪৬)ৰ মাজত দ্বিতীয় ইনিংছত ১২১ ৰাণ সংগৃহীত হোৱাত উত্তৰপ্ৰদেশে বিশাল স্ক'ৰ কৰাৰ সম্ভাৱনা উজ্জ্বল হৈছিল। অৱশ্যে অসমৰ বলাৰসকলে নিৰ্দিষ্ট ব্যৱধানত উইকেট দখল কৰাৰ বাবেই দলটোৱে নিৰাপদ স্ক'ৰ সংগ্ৰহ কৰাত ব্যৰ্থ হয়। ধ্ৰুৱ জুৰেলে ৫৫ ৰাণ কৰাৰ উপৰি শিৱম শৰ্মাই ৩৭ আৰু অধিনায়ক কৰণ শৰ্মাই ৩১ ৰাণৰ বৰঙণি যোগায়। অসমৰ পেচবলাৰ মুখতাৰ হুছেইনে তিনিটা, ৰঞ্জিৎ মালীয়ে দুটা, সিদ্ধাৰ্থ শৰ্মাই দুটা আৰু অভিষেককাৰী ৰিদিপ ডেকাই এটা উইকেট দখল কৰে। অসম এতিয়াও চাৰি ৰাণত পাছ পৰি আছে।

## কমনৱেল্‌থলৈ যোগ্যতা অৰ্জন মীৰাবাঈৰ



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰী ঃ** বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া আগন্তুক কমনৱেল্‌থ গেমছলৈ যোগ্যতা অৰ্জন কৰিলে তাৰকা ভাৰোত্তোলক মীৰাবাঈ চানুৱে। টকিঅ' অলিম্পিকত ৰূপ অৰ্জনকাৰী চানুৱে আজি ছিংগাপুৰ ইণ্টাৰনেচনেল কোৱালিফায়িং ইভেণ্টত স্বৰ্ণপদক জয় কৰিবলৈ সক্ষম হয়। এই সাফল্যৰ জৰিয়তেই তেওঁ কমনৱেল্‌থ গেমছলৈ যোগ্যতা অৰ্জন কৰে। যোৱা ডিচেম্বৰত তেওঁ ৱৰ্ল্ড চেম্পিয়নশ্বিপত অংশ লোৱা নাছিল। সাত মাহৰ পাছত খেললৈ উভতি আহিয়ে এই সাফল্য অৰ্জন কৰিলে মণিপুৰৰ ভাৰোত্তোলক চানুৱে।

## বাংলাদেশৰ জয়

**নিউজ ব্যুৰ'**
**চট্টগ্ৰাম, ২৫ ফেব্ৰুৱাৰী ঃ** আফগানিস্তানৰ বিপক্ষে এদিনীয়া মেচৰ শৃংখলাৰ দ্বিতীয় মেচত ৮৮ ৰাণত জয়লাভ কৰিলে বাংলাদেশে। আজিৰ দিবা-নৈশ মেচখনত প্ৰথমে বেটিং কৰি ঘৰুৱা দলটোৱে লিটন দাস (১৩৬)ৰ শতকৰ সহায়েৰে চাৰি উইকেটত ৩০৬ ৰাণ সংগ্ৰহ কৰে। লিটনে ১২৬টা বলত ১৬টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ মাৰে। মুছফিকুৰ ৰহিমে ৮৬ ৰাণ কৰে। প্ৰত্যুত্তৰত ৰহমত শ্বাহ (৫২) আৰু নজিবুল্লা জাদ্ৰান (৫৪)ৰ অৰ্ধশতৰাণ সত্ত্বেও আফগানিস্তানৰ ইনিংছ ২১৮ ৰাণত সমাপ্ত হয়।

## তামিলনাডুৰ বিপক্ষে ৰঞ্জীত সমস্যাত পৰিছে চত্তিছগড়

### বাবা অপৰাজিতৰ সংগ্ৰহ ১৬৬



**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীত চলি থকা ৰঞ্জী ট্ৰফীৰ এলিট শাখাৰ গ্ৰুপ 'এইছ'ৰ খেলত তামিলনাডুৰ বিপক্ষে সমস্যাত পৰিছে চত্তিছগড়। তামিলনাডুৰ বিশাল স্ক'ৰৰ প্ৰত্যুত্তৰত দ্বিতীয় দিনাৰ খেলত চত্তিছগড়ে ১০৫ ৰাণতে পাঁচ উইকেট হেৰুৱাইছে। হাতত মাত্ৰ পাঁচটা উইকেট বাকী থকা অৱস্থাত দলটো এতিয়াও ৩৬৫ ৰাণত পাছ পৰি আছে। ইয়াৰ পূৰ্বে তামিলনাডুৱে ন উইকেটত ৪৭০ ৰাণ সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে।

বিশাল স্ক'ৰ আগত লৈ চত্তিছগড়ে ৪০ ৰাণতে শীৰ্ষৰ তিনি বেটছমেনক হেৰুৱায়। অধিনায়ক হৰপ্ৰীত সিঙে কিছু নিৰ্ভৰতা প্ৰদান কৰিবলৈ সক্ষম হয়। তেওঁ দিনান্তত ৪৭ ৰাণত অপৰাজিত হৈ ৰয়। অমনদীপ খাৰেই ২৩ ৰাণ কৰে। তামিলনাডুৰ এম সিদ্ধাৰ্থ আৰু আৰ ছাই কিশোৰে দুটাকৈ উইকেট পায়। ইয়াৰ পূৰ্বে কালিৰ চাৰি উইকেটত ৩০৮ ৰাণৰ পৰা খেল আৰম্ভ কৰা তামিলনাডুৱে আজি ১৬২ ৰাণ যোগ দিয়ে। কালিৰ অপৰাজিত শতৰাণকাৰী বাবা অপৰাজিতে আজি ব্যক্তিগত ১৬৬ ৰাণত আউট হয়। তেওঁ ২৬৭টা বলত ১৫টা বাউণ্ডেৰী আৰু চাৰিটা ছিক্সাৰ মাৰে। আনহাতে, প্ৰতিভাৱান বেটাৰ শ্বাহৰুখ খানে ৬৯ ৰাণৰ ইনিংছ উপহাৰ দিয়ে। তেওঁ আঠটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ মাৰে। চত্তিছগড়ৰ সুমিত ৰুইকাৰে চাৰিটা আৰু অজয় মণ্ডলে তিনিটা উইকেট দখল কৰে।

## প্ৰথম একাদশত সালসলনিৰ সম্ভাৱনা ক্ষীণ

# আজি শ্ৰীলংকাৰ বিপক্ষে শৃংখলা জয়ৰ লক্ষ্যৰে নামিব ভাৰতে

**নিউজ ব্যুৰ'**
**ধৰমশালা, ২৫ ফেব্ৰুৱাৰী ঃ** শ্ৰীলংকাৰ বিপক্ষে চলিত টি-২০ শৃংখলাটো দখলৰ লক্ষ্যৰে কাইলৈ দ্বিতীয় মেচত অৱতীৰ্ণ হ'ব ভাৰতীয় দলে। ৰোহিত শৰ্মা নেতৃত্বাধীন দলটোৱে কাইলৈ ধৰমশালাত অনুষ্ঠিত হ'বলগীয়া মেচখনত জয়ী হ'লেই তিনিখনীয়া মেচৰ শৃংখলাত ২-০ৰ অগ্ৰগতি অৰ্জন কৰিব। টি-২০ত ভাৰতৰ একেৰাহে দশম বিজয় ৰোধ কৰিবলৈ তুলনামূলকভাৱে দুৰ্বল শ্ৰীলংকাই কাইলৈ আশা কৰাতকৈ উন্নত প্ৰদৰ্শন আগবঢ়াব লাগিব।

মণিবন্ধৰ আঘাতৰ বাবে প্ৰথম মেচত খেলিব পৰা নাছিল অপেনাৰ ৰুতুৰাজ গায়কোৱাড়ে। কাইলৈও তেওঁ খেলাৰ সম্ভাৱনা ক্ষীণ। ফলত ভাৰতীয় দলৰ প্ৰথম একাদশত সালসলনিৰ সম্ভাৱনা নাই বুলিয়ে ক'ব পাৰি। অৱশ্যে গায়কোৱাড় সুস্থ হ'লে তেওঁক প্ৰথম মেচৰ নায়ক ঈশান কিষাণৰ স'তে ইনিংছ মুকলি কৰিবলৈ দিয়া হ'ব পাৰে। সেই ক্ষেত্ৰত ৰোহিতে ৱেষ্টইণ্ডিজৰ বিপক্ষে তৃতীয় মেচৰ দৰে চাৰি নম্বৰ স্থানত বেটিং কৰিব। ফলত সঞ্জু ছেমছন আৰু দীপক হুডাৰ ভিতৰত কোনো এজনে ঠাই এৰিব লাগিব। অধিনায়ক ৰোহিতৰ ইংগিত অনুসৰি, কাইলৈও অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজাক ওপৰৰ ফালে বেটিং কৰিবলৈ নমোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ সাতজন বলাৰে বলিং কৰি নিজৰ ভূমিকা পালন কৰে। দলত বলিঙত অধিক বিকল্প ৰখাৰ লক্ষ্যৰেই একাধিক অলৰাউণ্ডাৰক সুযোগ দিয়া হৈছে।

ইপিনে, শ্ৰীলংকাই শৃংখলাৰ সম্ভাৱনা সজীৱ কৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাব লাগিব। এই ক্ষেত্ৰত দলৰ শীৰ্ষক্ৰমৰ বেটাৰে দায়িত্ব ল'ব লাগিব। প্ৰথম মেচত শীৰ্ষ বেটাৰৰ ব্যৰ্থতাৰ বাবেই দলটো সহজে পৰাজিত হয়। দলৰ আগশাৰীৰ স্পীনাৰদ্বয় মাহিশ থিকছানা আৰু ৱানিন্দু হাছাৰাংগাৰ আঘাতে শ্ৰীলংকাক কিছু চিন্তাত ৰাখিছে।



স্বদেশত ৰুছ আক্ৰমণৰ প্ৰতিবাদ জনালে ইউৰোপা লীগৰ খেলত দুটা গ'ল দিয়া আটলাণ্টা ক্লাবৰ ইউক্ৰেনিয়ান ফুটবলাৰ ৰাছলান মেলিন'ভস্কীয়ে।

## ডিমৌত দিব্যাংগ শিশুৰ বিশেষ ক্ৰীড়া প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২৫ ফেব্ৰুৱাৰী ঃ** শিক্ষাখণ্ড সৰ্বাত্মক শিক্ষাৰ উদ্যোগত আজি দিব্যাংগশিশুৰ বিশেষ ক্ৰীড়া প্ৰতিযাগিতা ৰাজমাও মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয়। ডিমৌ উচ্চ বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক উদয় দত্তই পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন কৰে ৰাজমাও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নম্ৰতা দেৱীয়ে। বৃক্ষ ৰোপণ কৰে ৰাজমাই সমল কেন্দ্ৰৰ সমন্বয়ক প্লাৱিতা দাসে। প্ৰতিযোগিতা উদ্বোধন কৰে খণ্ড অভিযান সমন্বয়ক অমৃত কোঁৱৰ আৰু জিলা আঁচনি বিষয়া দীপক বৰাই। দিব্যাংগ ছাত্ৰছাত্ৰীসকলৰ মাজত দৌৰ, ৰছী বল, হুীলে ৰেচ আৰু ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বঁটা বিতৰণী সভাৰ আঁত ধৰে সমল ব্যক্তি প্ৰশান্ত দিহিংগীয়া আৰু আকতাৰ উল্লাই।

## কাকজানত দিবা-নৈশ ভলীবল

**অগ্ৰদূত বাৰ্তা**
**কাকজান, ২৫ ফেব্ৰুৱাৰী ঃ** কাকজান বনগাঁৱত আৱাহন যুৱ সমাজ আৰু জাতীয় পুথিভঁৰালৰ উদ্যোগত যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট জিলাভিত্তিক দ্বিতীয় বাৰ্ষিক দিবা-নৈশ ট্ৰফী আৰু প্ৰাইজমানি ভলীবল প্ৰতিযোগিতা কাইলৈৰ পৰা আৰম্ভ হ'ব। কাকজান বনগাঁও খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ মুঠ প্ৰাইজমানি ২৫ হেজাৰ টকা। ইচ্ছুক দলে যোগদানৰ বাবে ৯৮৫৯৩-৭৬৩১১ আৰু ৭০৮৬৭-১৬৪৪৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## ব্ৰাজিলত ফুটবল ক্লাবৰ বাছত বোমা বিস্ফোৰণ

**নিউজ ব্যুৰ'**
**ছাও পাওল', ২৫ ফেব্ৰুৱাৰী ঃ** খেলুৱৈ কঢ়িয়াই নিয়া এখন বাছত বোমা বিস্ফোৰণ ঘটাত আহত হ'ল ব্ৰাজিলৰ ফুটবল ক্লাব বাহিয়াৰ তিনিজন ফুটবলাৰ। ইয়াৰ ভিতৰত এজন গ'লকীপাৰৰ আঘাত কিছু গুৰুতৰ। ডেনিল' ফাৰ্ণাণ্ডেজ নামৰ গ'লকীপাৰজনক ইতিমধ্যে হাস্পতালত ভৰ্তি কৰা হৈছে। তেওঁ মুখ আৰু ডিঙিত আঘাত পায়। আন দুজন খেলুৱৈ সামান্যৰূপে আহত হৈছে। বাহিয়া ক্লাবৰ তৰফৰ পৰা জনাইছে যে ছাম্পাইয়' কোৰিয়া ক্লাবৰ বিপক্ষে খেলাৰ বাবে দলটো গৈ থকা অৱস্থাতে বাছখনত বিস্ফোৰণ ঘটে। অৱশ্যে কিদৰে বোমা বিস্ফোৰণ ঘটিল সেয়া এতিয়া সদৰী কৰা নাই। বিস্ফোৰণৰ সময়ত বাছখনৰ কাষেৰে গাড়ী চলাই যোৱা এগৰাকী মহিলাও সামান্য আহত হৈছে। এই বিস্ফোৰণত বাছখনত এটা বৃহৎ গাঁতৰ সৃষ্টি হয়। লক্ষ্যণীয়ভাৱে এই ঘটনাৰ পাছতো দলটোৰ খেলুৱৈসকলে খেলত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লয় আৰু প্ৰতিপক্ষক ২-০ গ'লত পৰাজিত কৰে। ক্লাবৰ তৰফৰ পৰা এই কথা সদৰী কৰিছে।



মোহালিত উপস্থিত হ'ল শ্ৰীলংকাৰ টেষ্ট দলৰ খেলুৱৈ, শুকুৰবাৰে।

# মঙলদৈত আন্তঃজিলা ছিনিয়ৰ আৰ্চাৰী

## চাৰিটা পদকেৰে প্ৰথম দিনাই শীৰ্ষত মহানগৰ জিলা দল

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৫ ফেব্ৰুৱাৰী ঃ** মঙলদৈ মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে ১৭সংখ্যক সদৌ অসম আন্তঃজিলা ছিনিয়ৰ আৰ্চাৰী প্ৰতিযোগিতা। প্ৰথম দিনাই চাৰিটা পদক অৰ্জন কৰি শীৰ্ষস্থান অধিকাৰ কৰিছে কামৰূপ মহানগৰ জিলা দলে। অসম আৰ্চাৰী সন্থাৰ তত্ত্বাৱধানত দৰঙৰ নৱগঠিত জিলা আৰ্চাৰী সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ আজিৰ ইণ্ডিয়ান ৰাউণ্ডৰ ৫০ মিটাৰ দূৰত্বৰ পুৰুষৰ বিভাগত মহানগৰ জিলা দলৰ বিশাল দাস প্ৰথম, দৰঙৰ ৰাজেশ নাৰ্জাৰী দ্বিতীয় আৰু মহানগৰৰ দিপুল বড়োৱে তৃতীয় স্থান লাভ কৰে। একেটা শাখাৰ মহিলাৰ বিভাগত চিৰাঙৰ বুলি বসুমতাৰী প্ৰথম হোৱাৰ বিপৰীতে অসম পুলিচৰ ৰীতা বসুমতাৰী দ্বিতীয় আৰু মহানগৰৰ ৰুক্মিণী মুছাহাৰী তৃতীয় হয়। ৩০ মিটাৰ দূৰত্বৰ শাখাত পুৰুষৰ বিভাগত প্ৰথম তিনিটা স্থান লাভ কৰে ক্ৰমে তামুলপুৰৰ অঞ্জন বড়ো, অসম পুলিচৰ জৌচাৰাং বসুমতাৰী আৰু তামুলপুৰৰ মহেশ্বৰ বড়োৱে। উক্ত শাখাৰ মহিলাৰ বিভাগত প্ৰথম তিনিটা স্থান লাভ কৰে ক্ৰমে মহানগৰৰ ৰুক্মিণী মুছাহাৰী, চিৰাঙৰ বিনুমা বসুমতাৰী আৰু অসম পুলিচৰ ৰীতা বসুমতাৰীয়ে। উল্লেখ্য যে আজি প্ৰতিযোগিতা উদ্বোধন কৰে দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। ইয়াৰ পূৰ্বে অসম আৰ্চাৰী সন্থাৰ পতাকা সভাপতি দনেশ্বৰ গয়াৰীয়ে আৰু জিলা আৰ্চাৰী সন্থাৰ পতাকা সম্পাদক প্ৰতাপ বৰদলৈয়ে উত্তোলন কৰে। জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক বসন্ত দাস, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, মহিলা আয়োগৰ উপাধ্যক্ষা নীলিমা দেৱী, দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, দৰং জিলা ক্ৰীড়া বিষয়া লুটুৰাজ বসুমতাৰী আদি উপস্থিত থাকে।



# নিয়মত সালসলনি ঘটিল আইপিএলৰ


## দুটা গ্ৰুপত বিভক্ত কৰা হ'ল ১০টা দলক

**নিউজ ব্যুৰ'**
**মুম্বাই, ২৫ ফেব্ৰুৱাৰী ঃ** অহা ২৬ মাৰ্চৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)। এইবাৰ আঠৰ পৰিৱৰ্তে ১০টা দলে এই বিপুল অৰ্থসম্বলিত লীগখনত অংশগ্ৰহণ কৰিব। ইয়াৰ বাবে আইপিএলৰ নিয়মত কিছু সালসলনি ঘটালে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে।এইবাৰ ১০টা দলে মুঠ ৭৪খন মেচ খেলিব। ইয়াৰ ভিতৰত আছে ৭০খন লীগ মেচ। প্ৰতিটো দলে সাতখনকৈ 'হোম' আৰু 'এওৱে' মেচ খেলিব। একো একোটা দলে পাঁচটা দলৰ বিপক্ষে দুখনকৈ মেচ খেলিব। আন চাৰিটা দলৰ বিপক্ষে খেলিব এখনকৈ মেচ। এইবাৰ ১০টা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। 'এ' গ্ৰুপত আছে কলকাতা নাইট ৰাইডাৰ্ছ, মুম্বাই ইণ্ডিয়ান্‌ছ, ৰাজস্থান ৰয়েল্‌ছ, দিল্লী কেপিটেল্‌ছ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ। 'বি' গ্ৰুপত স্থান পাইছে চেন্নাই ছুপাৰকিংছ, ছানৰাইজাৰ্ছ হায়দৰাবাদ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু, পঞ্জাৱ কিংছ আৰু গুজৰাট টাইটান্‌ছ। অৰ্থাৎ প্ৰতিটো দলে নিজৰ গ্ৰুপৰ আন চাৰিটা দলৰ লগতে আনটো গ্ৰুপৰ এটা দলৰ বিপক্ষে দুখন মেচ খেলিব লাগিব। মুম্বাইৰ তিনিখন ষ্টেডিয়ামৰ উপৰি পুনেত অনুষ্ঠিত হ'ব মেচসমূহ। অহা ২৯ মে'ত ফাইনেল অনুষ্ঠিত হ'ব।

## আজি ডিমৌত প্ৰাইজমানি ফুটবল

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৫ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ডিমৌ অঞ্চলৰ প্ৰাক্তন ফুটবলাৰ গণেশ ডেকাৰ তত্ত্বাৱধানত তথা ডিমৌ ফুটবল কোচিং চেণ্টাৰৰ উদ্যোগত কাইলৈ এদিনীয়াকৈ কিনাৰাম হাজৰিকা সোঁৱৰণী প্ৰাইজমানি (ছেভেন-এ-ছাইড) আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নকআউট পদ্ধতিৰ প্ৰতিযোগিতাখনত চেম্পিয়ন দলক সমাজকৰ্মী ভূপেন হাজৰিকাই আগবঢ়োৱা ট্ৰফীসহ নগদ ধন আৰু ৰাণাৰ্ছআপ দলক গুৱাহাটীৰ মা ভাৰতী কোচিং চেণ্টাৰে আগবঢ়োৱা ট্ৰফীসহ নগদ ধন প্ৰদান কৰা হ'ব বুলি জনাইছে আয়োজক সমিতিৰ কৰ্মকৰ্তা যতীন ডেকা আৰু দিগন্ত পাটৰে।

## টি-২০ আন্তৰ্জাতিকৰ শীৰ্ষত ৰোহিত



**নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ২৫ ফেব্ৰুৱাৰী ঃ** যোৱা নিশা টি-২০ আন্তৰ্জাতিক ক্ৰিকেটত বিশ্ব অভিলেখ স্থাপন কৰিলে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই। টি-২০ আন্তৰ্জাতিকত সৰ্বাধিক ৰাণ সংগ্ৰকাৰী বেটাৰৰ তালিকাত শীৰ্ষস্থানলৈ উন্নীত হ'ল ৰোহিত। যোৱা নিশা শ্ৰীলংকাৰ বিপক্ষে ৪৬ ৰাণৰ ইনিংছটো খেলাৰ পথত তেওঁ ভাৰতৰ বিৰাট কোহলি আৰু নিউজিলেণ্ডৰ মাৰ্টিন গাপ্টিলক অতিক্ৰম কৰি যায়। এই পৰ্যন্ত ৰোহিতে ১২৩খন মেচত ৩,৩০৭ ৰাণ সংগ্ৰহ কৰিছে। এই ক্ষেত্ৰত কোহলিৰ সংগ্ৰহ ৩,২৯৬ আৰু গাপ্টিলৰ সংগ্ৰহ ৩,২৯৯ ৰাণ।

ইপিনে, এই শৃংখলাতে আন এক বিশ্ব অভিলেখ গঢ়িব পাৰে ভাৰতীয় অধিনায়কজনে। তেওঁ পৰিগণিত হ'ব পাৰে বিশ্বৰ সৰ্বাধিক টি-২০ আন্তৰ্জাতিক মেচ খেলা ক্ৰিকেটাৰত। এই পৰ্যন্ত ১২৩খন মেচ খেলিছে। এই ক্ষেত্ৰত ১২৪খন মেচ খেলি শীৰ্ষত আছে পাকিস্তানৰ ছোৱেইব মালিক। কাইলৈ শ্ৰীলংকাৰ বিপক্ষে দ্বিতীয়খন মেচতে ৰোহিতে পাক বেটাৰজনৰ অভিলেখ স্পৰ্শ কৰিব। আনহাতে, শৃংখলাৰ তৃতীয় মেচত যদি ৰোহিতে বিশ্ৰাম নলয়, তেন্তে শ্ৰীলংকাৰ বিপক্ষেই তেওঁ সৰ্বাধিক টি-২০ আন্তৰ্জাতিক মেচ খেলা ক্ৰিকেটাৰৰ অভিলেখৰ গৰাকী হ'ব।

## অসম ভিত্তিক কাবাদী বিলাসীপাৰাত

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৫ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা চহৰত কাইলৈৰ পৰা আৰম্ভ হ'ব সদৌ অসম ভিত্তিক পুৰুষ আৰু মহিলাৰ কাবাদী প্ৰতিযোগিতা। তিনিদিনীয়া প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব চহৰৰ ইন্দ্ৰ নাৰায়ণ একাডেমী মিনি ষ্টেডিয়ামত। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ছয় শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব বুলি আয়োজকে জনাইছে। কাইলৈৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব সদৌ অসম কাবাদী সন্থাৰ সভাপতি তথা সাংসদ ভুৱনেশ্বৰ কলিতা।

## ছাৰেলৰ শতকেৰে দৃঢ় আৰম্ভণি দক্ষিণ আফ্ৰিকাৰ



**নিউজ ব্যুৰ'**
**ক্ৰাইষ্টচাৰ্চ, ২৫ ফেব্ৰুৱাৰী ঃ** অপেনাৰ ছাৰেল এৰ্ৱিৰ দায়িত্বশীল শতকেৰে নিউজিলেণ্ডৰ বিপক্ষে দ্বিতীয় টেষ্টত দৃঢ় আৰম্ভণি ঘটাইছে দক্ষিণ আফ্ৰিকাই। প্ৰথম টেষ্টত ভ্ৰমণকাৰী দলটো শোচনীয়ভাৱে পৰাস্ত হৈছিল। অৱশ্যে আজিৰে পৰা আৰম্ভ হোৱা দ্বিতীয় টেষ্টৰ প্ৰথম দিনা দক্ষিণ আফ্ৰিকাই তিনি উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰিছে। ছাৰেলে ১০৮ ৰাণৰ বৰঙণি আগবঢ়ায়।

টছত জয়ী হৈ পোনতে বেটিং কৰা দক্ষিণ আফ্ৰিকাৰ আৰম্ভণি ভাল হয়। নিজৰ দ্বিতীয় টেষ্টত অৱতীৰ্ণ হোৱা ছাৰেলে অধিনায়ক ডীন এলগাৰ (৪১)ৰ স'তে প্ৰাৰম্ভিক উইকেটত ১১১ ৰাণ যোগ দিয়ে। ইয়াৰ পাছত তেওঁ এইডেন মাৰ্কৰাম (৪২)ৰ স'তে ৮৮ ৰাণৰ যুটি গঢ়ে। ছাৰেলে ২২১টা বলৰ সন্মুখীন হৈ ১৪টা বাউণ্ডেৰীৰে দায়িত্বশীল ইনিংছটো উপহাৰ দিয়ে। দিনান্তলৈ ৰেছী ভান ডাৰ ডুছেনে ১৩ আৰু টেম্বা বাভুমাই ২২ ৰাণত অপৰাজিত হৈ ৰয়।

## দিচাংমুখত আমন্ত্ৰণমূলক ফুটবল

**অগ্ৰদূত বাৰ্তা**
**দিচাংমুখ, ২৫ ফেব্ৰুৱাৰী ঃ** ভাৰতৰত্ন ড° বি আৰ আম্বেদকাৰৰ ১৩০সংখ্যক জন্মজয়ন্তী উপলক্ষে অ'এনজিচিৰ অসম সম্পদৰ সদৌ ভাৰত অনুসূচিত জাতি কৰ্মচাৰী কল্যাণ সন্থাৰ উদ্যোগত আৰু দিচাংমুখ উপ-ক্ৰীড়া সন্থাৰ সহযোগত শিৱসাগৰ আৰু চৰাইদেউ তৈল ক্ষেত্ৰ ভিত্তিক আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন কাইলৈৰ পৰা আৰম্ভ হ'ব। তিনি মাৰ্চত ফাইনেল হ'বলগীয়া এই প্ৰতিযোগিতাত আঠটা দলে যোগদান কৰিছে। দিচাংমুখ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখন কাইলৈ উদ্বোধন কৰিবঅ'এনজিচিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক ৰাকেশ কুমাৰ শৰ্মাই। বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে কাইলৈ দিনৰ এক বজাত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিৱসাগৰ জিলা ক্ৰীড়া সন্থাৰ নৱ নিৰ্বাচিত সভাপতি পোনাৰাম মিলিৰ লগতে সন্থাৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকিব।


## গাৰ্হস্থ্য হিংসাৰ গোচৰত দোষী সাব্যস্ত লিয়েণ্ডাৰ



**নিউজ ব্যুৰ'**
**মুম্বাই, ২৫ ফেব্ৰুৱাৰী ঃ** গাৰ্হস্থ্য হিংসাৰ গোচৰত দোষী সাব্যস্ত হ'ল কিংবদন্তি টেনিছ তাৰকা লিয়েণ্ডাৰ পেজ। লগতে তেওঁৰ বিৰুদ্ধে শাস্তিও ঘোষণা কৰিলে মুম্বাইৰ এখন ন্যায়িক দণ্ডাধীশৰ আদালতে। ২০১৪ত তেওঁৰ প্ৰাক্তন সংগী ৰিয়া পিল্লাইয়ে গাৰ্হস্থ্য হিংসাৰ অভিযোগত আদালতৰ দ্বাৰস্থ হৈছিল। ৰিয়াক প্ৰতি মাহত ৫০ হেজাৰ টকা আৰু ঘৰৰ চোৰাচিতাৰ বাবে লগতে এক লাখ টকা দিবলৈ আদালতে টেনিছ তাৰকাজনক নিৰ্দেশ দিছে। ইয়াৰ উপৰি আইনী খৰচৰ বাবদ লিয়েণ্ডাৰে অতিৰিক্ত এক লাখ টকা ৰিয়াক দিব লাগিব। লগতে লিয়েণ্ডাৰ আৰু ৰিয়াৰ সন্তান আয়নাৰ পঢ়া-শুনা আৰু লালন-পালনৰ খৰচো কিংবদন্তি টেনিছ তাৰকাজনে দিব লাগিব। উল্লেখ্য যে সঞ্জয় দত্তৰ প্ৰাক্তন পত্নী ৰিয়াৰ স'তে লিয়েণ্ডাৰৰ সম্পৰ্ক ২০০৫ত স্থাপন হয় আৰু মাত্ৰ এটা বছৰৰ ভিতৰতে তেওঁলোকৰ মাজত বিবাদৰ সৃষ্টি হৈছিল।

## দীৰ্ঘদিনৰ পাছত পুৰুষ টেনিছৰ শীৰ্ষস্থান হেৰুৱালে ডক'ভিচে


**নিউজ ব্যুৰ'**
**ডুবাই, ২৫ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিনৰ অন্তত পুৰুষ টেনিছৰ বিশ্বৰ এক নম্বৰ আসনখন হেৰুৱালে ন'ভাক ডক'ভিচে। যোৱা নিশা ডুবাইত চলি থকা ডিউটী ফ্ৰী টেনিছ চেম্পিয়নশ্বিপৰ খেলত পৰাজিত হোৱাত ছাৰ্বিয়ান তাৰকাজনে এক নম্বৰ ৰেংকিং হেৰুওৱাটো নিশ্চিত হয়। তেওঁৰ স্থান ল'ব ৰাছিয়াৰ ডানিল মেডভেডেভে।



উল্লেখ্য যে ২০টা গ্ৰেণ্ড শ্লামৰ অধিকাৰী ডক'ভিচে ২০২০ৰ ফেব্ৰুৱাৰীৰ একেৰাহে এক নম্বৰ ৰেংকিং ধৰি ৰাখিছিল। যোৱা নিশা ডুবাই চেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেলত চেক গণৰাজ্যৰ অখ্যাত খেলুৱৈ জিৰি ভেছেলীয়ে ছাৰ্বিয়ান তাৰকাজনক ৬-৪, ৭-৬ (৭/৪) ছেটত পৰাজিত কৰে। ইয়াৰ ফলতে তেওঁৰ অৱনমন নিশ্চিত হ'ল। অহা সোমবাৰে এটিপিয়ে প্ৰকাশ কৰিবলগীয়া নতুন ৰেংকিং তালিকাত ডক'ভিচ দুই নম্বৰত থাকিব। উল্লেখ্য যে তেওঁ একেৰাহে ১৩২ সপ্তাহ এক নম্বৰ স্থানত আছিল। ৩৪ বছৰীয়া তাৰকাজনে কেৰিয়াৰত মুঠ ৩৬১টা সপ্তাহ শীৰ্ষ ৰেংকিঙত থাকিও বিশ্ব অভিলেখ গঢ়িছিল।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
যোৰহাট, ২৬ ফেব্ৰুৱাৰী, ২০২২ শনিবাৰ পৃষ্ঠা ১৬

## বিলাসনন্দন চ'ৰা



# বিশ্বগুৰুৰ ৰণপ্ৰস্তুতি

**বিশ্বযুদ্ধ** হওঁ হওঁ যেন হৈছে! ছুপাৰ পাৱাৰবোৰে কঁকালত টঙালি বান্ধি পাৱাৰ দেখুৱাবলৈ খাড়া হৈ গৈছে। কোন কিমান ছুপাৰ পাৱাৰ, তাৰে এখন চাবলগীয়া আই পি এল হ'ব যেন লাগিছে। সৰু পৰ্দাত বোমাবৰ্ষণৰ পিকচাৰবোৰ চাই থাকিলে এনে লাগে যেন দুই-এদিনতে চৌদিশে নিউক্লিয়াৰ মাৰি গোটেই পৃথিৱীখনকে ক্লিয়াৰ কৰি পেলাব নেকি? ছুপাৰপাৱাৰবোৰৰ মাজতো টেনছন হৈছে—কোন কাৰ পক্ষত থাকিব। কাৰ লগত থাকিলে পাৱাৰফুল হৈ থাকিব পৰা যাব আৰু কাৰ লগত থাকিলে পাৱাৰলেছ হৈ এখন ফুলিছ কাণ্ট্ৰিত পৰিণত হ'ব, তাৰ হিচাপ-নিকাচ কৰাত ছুপাৰপাৱাৰবোৰ ব্যস্ত হৈ গৈছে। কিন্তু বিশ্বগুৰুৰ সেইবোৰ টেনছন নাই। তেওঁ হ'ল বিশ্বখনৰ গুৰু! গতিকে বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে তেওঁ চিধাই হিমালয়লৈ লৰ মাৰিব আৰু হিমালয়ৰ শিখৰত বহি বিশ্বযুদ্ধখন নিৰীক্ষণ কৰি চাই থাকিব ভাইয়ো অউৰ বেহেনোবোৰে কেনেকৈ যুদ্ধ কৰিছে! আৰু যদি যুদ্ধৰ অৱস্থা বৰ বেয়াৰ ফালে গতি কৰা যেন দেখে, লগালগ বিশ্বখন বেচি দিব। কাৰ ওচৰত বেচিব, সেয়া সেই সময়ত চিন্তা কৰিব। আজি-কালি ছ'চিয়েল মিডিয়াত এলিয়েন-চেলিয়েনৰ কথা বৰকৈ ওলাই থাকে। সিহঁতৰো কোনোবাই বিশ্বখন কিনিবলৈ আগ্ৰহী হ'ব পাৰে। তেওঁ যিহেতু গুৰু, গতিকে বিশ্বখন বেচি দিয়াৰ ক্ষমতা তেওঁৰ হাতত আছে। বিশ্বগুৰু এটা কথাত নিশ্চিত যে কোনেও তেওঁক যুদ্ধ কৰিবলৈ নামাতে। ৰাতিৰ আন্ধাৰত মনে মনে গৈ দুটামান বোমা যেনিয়ে-তেনিয়ে পেলাই থৈ কৰা ছাৰ্জিকেল ষ্ট্ৰাইকেৰে এইবোৰ যুদ্ধ নচলে। দিনৰ পোহৰত যুদ্ধ কৰিব লাগিব। অস্ত্ৰ বিচাৰি কোনেও বিশ্বগুৰুৰ ওচৰত নাহে। কাৰণ বিশ্বগুৰুৰ হাতত থকা অস্ত্ৰ-শস্ত্ৰবোৰ সেই ছুপাৰ পাৱাৰবোৰৰ পৰাই কিনা হৈছে। মিঠাইৰ দোকানীয়েতো আৰু বিয়া পাতিবলৈ বেলেগৰ ওচৰত মিঠাইৰ অৰ্ডাৰ দিবলৈ নাযায়। বিশ্বগুৰুৱে আৰু এটা কথা জানে যে তেওঁৰ ভাইয়ো অউৰ বেহেনোবোৰে যুদ্ধ কৰিবলৈ সহজতে নাযায়। কিয়নো সিহঁত এনে এখন দেছৰ মানুহ, য'ত সৰুকৈ শ্ল'গান এটা গালেও দেছদ্ৰোহী হৈ ৰঙাঘৰত সোমাব লগা হয়। লগৰ বন্ধু কেইটামানৰ লগত আন্দোলন কৰিলে গাড়ীৰে মহটিয়াই নিয়া হয়। গতিকে যুঁজাৰুৰ তেজবোৰ পানী হৈ দিল্লীৰ দৰবাৰৰ নৰ্দমাৰে বৈ গৈছে। এই পানী দেহত লৈ যুদ্ধ কৰিব যাব কেনেকৈ?



বিশ্বগুৰুৱে হেনো এই কথাটোক লৈ দুই-একৰ লগত আলাপ কৰিছে। সিহঁতক কোৱা হৈছে যে বিশ্বগুৰুক 'লিডাৰ অৱ ৱৰ্ল্ড' বা 'গড অৱ ৱৰ্ল্ড' বুলি স্বীকৃতি দিয়া হওক। আটায়ে বিশ্বযুদ্ধক লৈ ব্যস্ত। গতিকে কাৰোৱে বেলেগ কথাত মনোযোগ দিবলৈ সময় নাই। এই ছেগতে স্বীকৃতিটো আদায় কৰি ল'ব পাৰিলে বেয়া নাছিল। ইণ্ডিয়াততো 'বিশ্বগুৰু' থাকিলেই, দুই-এখন বেলেগ দেছেও যদি 'গড অৱ ৱৰ্ল্ড' বা 'লিডাৰ অৱ ৱৰ্ল্ড' বুলি কৈ দিয়ে, তেতিয়াতো আৰু কোনো কথাই নাই। পিছে দেছ দুখনমানে গড আৰু লিডাৰ শব্দ দুটা মিক্সাৰ কৰি যিটো শব্দ তৈয়াৰ কৰি বিশ্বগুৰুক স্বীকৃতি দিছে, সেয়া শুনি বিশ্বগুৰুৱে নিজেই কৈ দিছে নালাগে বুলি। বাকী দেছে গড আৰু লিডাৰ মিলাই বিশ্বগুৰুক 'গড্ডাৰ অৱ ৱৰ্ল্ড' বুলি স্বীকৃতি দিব খুজিছিল। বিশ্বগুৰুৱে কেনেকৈ সহ্য কৰিব বাৰু?

সেই বুলি বিশ্বযুদ্ধ হ'লে কোনেও যাতে ইণ্ডিয়াক লৈ হাঁহিব নোৱাৰে, তাৰ ব্যৱস্থা বিশ্বগুৰুৱে কৰি থৈছে। তেওঁ দুই-এজনক কৈছে—'আমি সাজু!'

ঃ কিহৰ কাৰণে?
ঃ যুদ্ধৰ কাৰণে?
ঃ বিশ্বযুদ্ধৰ কাৰণে?
ঃ অ' বিশ্বযুদ্ধ হ'লে আমি কি কৰিম, তাৰ বাবে পূৰ্ণ প্ৰস্তুতি আমি চলাই আছো।
ঃ কি প্ৰস্তুতি চলাইছে? সেনা বাহিনী সাজু কৰিছে?
ঃ নাই কৰা।
ঃ বায়ুসেনাক সাজু কৰিছে?
ঃ নাই কৰা।
ঃ নৌসেনাক সাজু কৰিছে?
ঃ নাই কৰা।
ঃ নিউক্লিয়াৰ বোমা সাজু কৰিছে?
ঃ নাই কৰা।
ঃ তেন্তে কি কৰিছে?
ঃ এখন বুলেট প্ৰুফ হেলিকপ্টাৰ সাজু কৰিছো।
ঃ এখনেদি কি হ'ব?

বিশ্বগুৰুৱে ক'লে—'এজন মানুহ পলাবলৈ এখনেই যথেষ্ট।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# ■ জামুগুৰিহাটৰ চৰ-চাপৰিত হিন্দু-মূছলমানৰ একতাৰ ভেটী ■ নিৰ্মাণ কৰিলে শিৱ মন্দিৰৰ ভেটী ■ সংখ্যালঘু ৰাইজে উদ্‌যাপন কৰিব শিৱ ৰাত্ৰি

## হিন্দু মন্দিৰ নিৰ্মাণৰ বাবে ওলাই আহিল জামুগুৰিহাটৰ সংখ্যালঘু ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৫ ফেব্ৰুৱাৰী ঃ** যি সময়ত হিন্দু-মূছলমানসকলৰ মাজত ধৰ্মীয় অসহিষ্ণুতাই তীব্ৰ ৰূপ ধাৰণ কৰিছে সেই সময়ত জামুগুৰিহাটৰ দুখনকৈ চৰ-চাপৰিৰ মুছলমান সম্প্ৰদায়ৰ ৰাইজ এইবাৰ ওলাই আহিছে শিৱ পূজা উদ্‌যাপনৰ বাবে। ইতিমধ্যে শিৱ পূজা উদ্‌যাপনৰ বাবে শুক্ৰবাৰে গটাইমাৰী আৰু ভৰলী চাপৰিৰৰ শতাধিক মুছলমান সম্প্ৰদায়ৰ লোক ওলাই আহি শিৱ মন্দিৰ নিৰ্মাণৰ বাবে সম্পাদন কৰে ৰাজহুৱা হজ। ভৰলী চাপৰিৰ জ্যেষ্ঠ সমাজকৰ্মী হাচমত আলী, যুৱ সমাজকৰ্মী আকবৰ আলী আৰু নৈমুদ্দিন আলীৰ নেতৃত্বত চাপৰি দুখনৰ শতাধিক লোকে দা-কোৰ লৈ শিৱ মন্দিৰৰ ভেটী প্ৰতিষ্ঠা কৰাৰ লগতে হিন্দু-মুছলমানৰ মাজৰ সম্প্ৰতিৰ



এনাজৰীডাল কটকটীয়া কৰাৰ প্ৰতিশ্ৰুতি আগবঢ়ায়। উল্লেখ্য যে প্ৰয়াত খৰ্গবাহাদুৰ ছেত্ৰীয়ে দানসূত্ৰে আগবঢ়োৱা এক কথা ভূমিত এই শিৱ মন্দিৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু গটাইমাৰী, ননকে গটাইমাৰী আৰু ভৰলী চাপৰিৰ অঞ্চলত সিচঁৰিত হৈ থকা ২০ টা হিন্দু পৰিয়ালে এই শিৱ মন্দিৰ নিৰ্মাণত আগভাগ লোৱা বিষয়ে জানিব পৰা গৈছে। এইক্ষেত্ৰত হাচমত আলীয়ে কয়, 'আমি বছৰ বছৰ ধৰি এই চাপৰি অঞ্চলত হিন্দু-মুছলমান একেলগে বাস কৰি আহিছো। অঞ্চলটোত হিন্দু লোকৰ সংখ্যা একেবাৰে কম হোৱাত কোনো ৰাজহুৱা উপসনা গৃহ নাছিল। ক'বলৈ গ'লে তেওঁলোক ধৰ্মীয় উপসনাৰ পৰা বঞ্চিত হৈ আছিল। এতিয়াৰে পৰা সেই সমস্যা দূৰ হ'ল। আমি সকলো এতিয়া সেই উপাসনা গৃহ নিৰ্মাণত লাগি পৰিছো আৰু এইবেলি আমি ৰাজহুৱাভাৱে শিৱ পূজা উদ্‌যাপন কৰিম বুলিও মন্তব্য কৰে হাচমত আলীয়ে। এতিয়াৰে পৰা চৰ চাপৰিৰ হিন্দু-মূছলমানসকলৰ সম্প্ৰতিৰ এনাজৰীডাল অধিক কটকটীয়া হোৱাৰ লগতে উঠি অহা চামৰবাৰে এয়া এক আদৰ্শৰ চানেকী হৈ পৰিব বুলি মন্তব্য কৰে চৰ-চাপৰিৰ যুৱ সমাজকৰ্মী আকবৰ আলী আৰু নৈমুদ্দিন আলিয়ে। মন্দিৰ নিৰ্মাণত আগভাগ লোৱা চেউনীচুকৰ যুৱ সমাজকৰ্মী ৰাতুল নাথে কয়, 'চৰ-চাপৰি অঞ্চলৰ বহুদিনীয়া এক সপোন পূৰণ হ'ল। চৰ- চাপৰিৰ অ'ত ত'ত সিচঁৰতি হৈ থকা হিন্দু তথা নেপালী, বিহাৰী সম্প্ৰদায়ৰ লোকসকলে এতিয়াৰে পৰা একত্ৰিত হৈ নিজ ধৰ্মীয় দেবতাক উপসনা কৰাৰ সুবিধা লাভ কৰিব। য'ত ধৰ্ম নাথাকে তাত সংস্কৃতিও নাথাকে। এতিয়াৰে পৰা এইসকল লোকে ধৰ্ম-সংস্কৃতি সমানে উদ্‌যাপন কৰাৰ সুবিধা লাভ কৰিব। জামুগুৰিহাটৰ অন্যতম সাংস্কৃতিক কৰ্মী শৈলেন বৰকটকীয়ে কয়, 'চৰ-চাপৰিত হিন্দু মন্দিৰ স্থাপনৰ ক্ষেত্ৰত মুছলমান ভাইসকলে যি পদক্ষেপ ল'লে এয়া ইতিহাসৰ পাতত সোণালী আখৰে জিলিকি থাকিব। অঞ্চলটোত শান্তি-সম্প্ৰতি ৰক্ষাৰ ক্ষেত্ৰত হাচমত আকবৰহঁতে যি পদক্ষেপ গ্ৰহণ কৰি আহিছে সেয়া সমাজৰ বাবে আদৰ্শ হৈ ৰওক বুলি মন্তব্য কৰে শৈলেন বৰকটকীয়ে।

## স্বচ্ছ ভাৰত মিছনৰ মৃত্যুঘণ্টা বাজিছে তিতাবৰত

**তিতাবৰ, ২৫ ফেব্ৰুৱাৰী ঃ** তিতাবৰৰ ৰাইজে আজিও এখন স্বাস্থ্যসন্মত আৰু নিৰাপদ বজাৰৰ সুবিধা লাভ কৰিবলৈ সক্ষম নহ'ল। অসম-নগালেণ্ড সীমান্তৰ দাঁতিকাষৰীয়া ১০০ নম্বৰ তিতাবৰ বিধানসভা সমষ্টিয়ে ২০০২ত মহকুমা পৰ্যায়লৈ উন্নীত হোৱাৰ পাছত ২০০৬ ত নগৰ সমিতিৰ মৰ্যাদাৰ লাভ কৰে। পৰিৱৰ্তনৰ লগত সামঞ্জস্য ৰাখি বৃত্তিৰ তাগিদাতে হওক অথবা নতুন কৰ্মসংস্থাপনৰ পাতনি মেলাৰ স্বাৰ্থতে হওক বিভিন্ন কাৰণত তিতাবৰলৈও প্ৰব্ৰজিত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। বৰ্ধিত জনগাঁথনিৰ চাহিদা পূৰণ কৰিবলৈ তিতাবৰৰ সামাজিক আৰু



অৰ্থনৈতিক ক্ষেত্ৰখনৰ পৰিৱৰ্তনতো নিগনিৰ দৌৰ আৰম্ভ হয়। মাত্ৰ দুটা দশকৰ ভিতৰতে তিতাবৰ নগৰৰ চৌদিশে বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বাণিজ্যিক ভিত্তিত বাসগৃহ নিৰ্মাণৰ জোৱাৰ উঠিছে। বৰ্তমানেও তিতাবৰৰ দুই লক্ষাধিক লোকৰ ৮০ শতাংশ লোকেই কৃষিকাৰ্যৰ ওপৰতে নিজৰ জীৱন উদ্‌যাপনৰ ৰূপৰেখা অংকন কৰে। তিতাবৰ পৌৰসভাই বজাৰখন পৰিচালনা কৰিবলৈ নিবিদাৰ জৰিয়তে লেচীক গতাই দিয়াৰ নামত প্ৰতিবছৰে ছয় লক্ষাধিকতকৈও অধিক কৰ সংগ্ৰহ কৰে। তৎসত্বেও বজাৰখনৰ ভিতৰ আৰু বাহিৰৰ চৌপাশৰ দুৰৱস্থাই আধুনিক জীৱন সভ্যতাকে উপলুঙা কৰে। সপ্তাহৰ প্ৰতিটো দেওবাৰে তিতাবৰৰ লগতে যোৰহাটৰ মেলেং, এলেংমৰা, নিমাতী, কাকজান, গোলাঘাটৰ বৰপথাৰ, সৰুপথাৰ, জামুগুৰি আদি বহু দূৰ-দূৰণিৰ পৰা কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে আহে যদিও সেইসকলক এটা নিৰাপদ আৰু স্বাস্থ্যসন্মত পৰিৱেশ দিবলৈ আজিও ৰাইজৰ দৃষ্টিত নপৰিল। বাৰিষাৰ বতৰত বজাৰখনত বোকায়ে-পানীয়ে সোমাব নোৱাৰা এটা পাণ্ডৱবৰ্জিত অঞ্চলৰ দৰে অৱস্থাৰ সৃষ্টি হয়। সমগ্ৰ দেশজুৰি স্বচ্ছ ভাৰত নিৰ্মাণৰ নামত প্ৰতিটো নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ আৰোপ কৰাৰ পাছতো

তিতাবৰ সাপ্তাহিক বজাৰখনৰ ভিতৰৰ অপৰিষ্কাৰ কদৰ্যময় পৰিৱেশে কেন্দ্ৰীয় চৰকাৰৰ বহু অভিলাষী স্বচ্ছ ভাৰত আঁচনিখনৰে মৃত্যুঘণ্টা বজালে। বিগত দবছৰত এই অৱস্থাটোৱে শোচনীয় ৰূপ ধাৰণ কৰিছে। ক'ভিডজনিত পৰিস্থিতিৰ বাবে পৌৰসভা নিৰ্বাচন দুবছৰ পলমকৈ অনুষ্ঠিত কৰাত পৌৰসভাৰ কাম-কাজ তিতাবৰ মহকুমাধিপতি কাৰ্যালয়ৰ দণ্ডাধীশ পৰ্যায়ৰ এগৰাকী বিভাগীয় কাৰ্যবাহী

### ■ কদৰ্যময় তিতাবৰৰ সাপ্তাহিক বজাৰ


বিষয়াৰ তত্বাৱধানত পৰিচালিত হৈ আছে। পৌৰসভাখনত নিৰ্দিষ্ট পৰিমাণৰ চাফাইকৰ্মী থকাৰ লগতে প্ৰতিদিনেই লেচীয়ে ব্যৱসায়ী তথা কৃষকসকলৰ পৰা নিৰ্দিষ্ট পৰিমাণত ধন সংগ্ৰহ কৰি থকাৰ পাছতো সপ্তাহৰ মাত্ৰ এদিনত তিতাবৰৰ ৰাইজক স্বাস্থ্যসন্মত পৰিৱেশ দিয়াত কিয় গাফিলতি আৰু উদাসীনতা প্ৰদৰ্শন কৰিছে সেইটোহে দুৰ্বোধ্য সাঁথৰ। বজাৰখনৰ ভিতৰত কৃষকসকলৰ বাবে নিৰাপদ আৰু সুবিধাজনক বজাৰগৃহ নিৰ্মাণ কৰি স্বাস্থ্যসন্মতভাৱে অত্যাধুনিক ৰূপ দিবলৈ বাৰম্বাৰ জনাই অহা দাবীয়ে নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ গা লৰাব পৰা নাই। তিতাবৰৰ সাপ্তাহিক বজাৰত বজাৰ কৰিবলৈ যোৱা আৰু নৰক যন্ত্ৰণাৰ ৰম্যভূমিত প্ৰৱেশ কৰা সমপৰ্যায়ৰ কথা। তদুপৰি পৌৰসভাৰ নিজা নিয়ন্ত্ৰণত থকা কিছু কমিছনভোগী এজেণ্টে কমিছনৰ লোভত চহৰখনৰ পদপথৰ ওপৰতেই ব্যৱসায়ীসকলক ব্যৱসায় মুকলি কৰিবলৈ দিয়াত পথচাৰীসকল বৃহৎ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। পদপথৰ ওপৰত চহৰখনৰ সদাব্যস্ত জনবহুল ঠাই যেনে তিতাবৰৰ ন-আলি, অসামৰিক চিকিৎসালয়ৰ সন্মুখৰ পদপথ, চাৰিআলিৰ পঞ্জাৱ নেছনেল বেংকৰ সমীপত মৎস্য ব্যৱসায়ীসকলে অস্থায়ীভাৱে মাছৰ বজাৰ খুলি অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। তৎসত্বেও স্থানীয় প্ৰশাসনে সেইসকল পদপথৰ বেপাৰীক নিৰ্দিষ্ট স্থানত স্বাস্থ্যকৰ পৰিৱেশত ব্যৱসায় কৰিবলৈ নিয়ন্ত্ৰণ কৰিব পৰা নাই। বজাৰত মুকলি অৱস্থাতে অতি অপৰিষ্কাৰ পৰিৱেশত মাছ-মাংস বিক্ৰী কৰাতো জনজীৱনৰ স্বাস্থ্যৰ প্ৰতি হানিকাৰক আৰু এই বিষয়তো স্বাস্থ্য বিভাগ, খাদ্য পৰিদৰ্শক আৰু পশুপালন বিভাগৰ বিশেষজ্ঞৰ দলে সময়ে সময়ে নিৰীক্ষণ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ সুৰাপ্ৰেমীৰো দুঃখবৰ


**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত ইউক্ৰেইন আক্ৰমণ কৰিলে ৰাছিয়াই। চৌদিশে আশংকাৰ ছাঁ। আনকি বিশ্বযুদ্ধৰ আশংকাতো ভুগিছে বহুতে। সেইদৰে এই যুদ্ধই বিশ্বৰ সুৰাপায়ীসকলৰ বাবেও কঢ়িয়াই আনিছে উদ্বেগৰ বাৰ্তা। কাৰণ যুদ্ধৰ প্ৰভাৱত ব্যাপক হাৰত দাম বাঢ়িব পাৰে বীয়েৰৰ। যুদ্ধৰ পৰিৱেশত বস্তু-বাহানিৰ দাম বঢ়াতো স্বাভাৱিক কথা। অথচ বীয়েৰৰ লগত যুদ্ধৰ কি সম্পৰ্ক?

আচলতে বীয়েৰ তৈয়াৰ কৰাৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান হৈছে গম। এই গমৰে অন্যতম উৎপাদক দেশ হৈছে ৰাছিয়া আৰু ইউক্ৰেইন। উৎপাদনৰ নিৰিখত ৰাছিয়া



### ব্যাপক হাৰত মূল্য বাঢ়িব পাৰে বীয়েৰৰ



বিশ্বত দ্বিতীয় স্থানত আছে। আনহাতে, ইউক্ৰেইন হৈছে চতুৰ্থ সৰ্বাধিক গম উৎপাদনকাৰী দেশ। আকৌ বীয়েৰ প্ৰস্তুত কৰাত বাৰ্লিও ব্যৱহাৰ হয়। সৰ্বাধিক বাৰ্লি ৰপ্তানি কৰা দেশসমূহৰ তালিকাতো প্ৰথম পাঁচখনৰ ভিতৰত আছে ৰাছিয়া আৰু ইউক্ৰেইন। এতিয়া দুই দেশৰ মাজত যুদ্ধ আৰম্ভ হোৱাত ইয়াৰ প্ৰভাৱ যে গম আৰু বাৰ্লিৰ উৎপাদন তথা ৰপ্তানিত পৰিব, সেয়াই নিশ্চিত। কেঁচামালৰ দাম বাঢ়িলে তাৰ প্ৰভাৱ পৰিব বীয়েৰৰ মূল্যত। এই প্ৰসংগতে এটা বীয়েৰ কোম্পানী মুখ্য কাৰ্যবাহী বিষয়া অংকুৰ জৈনে এক সৰ্বভাৰতীয় সংবাদ মাধ্যমক কয়, 'বাৰ্লিৰ দাম আগতেই বাঢ়িল। এতিয়া যুদ্ধৰ পৰিস্থিতিত বাৰ্লিৰ দাম পুনৰ বাঢ়িব। যাৰ ফলত উদ্যোগ মালিকসকলৰ লাভৰ পৰিমাণ কমিব। এতিয়া লক্ষ্যণীয় দিশটো হ'ব সেই লাভৰ পৰিমাণ অপৰিৱৰ্তিত ৰাখিবলৈ কোম্পানীসমূহে বীয়েৰৰ দাম বৃদ্ধি কৰে নে নাই।' অনুৰূপ ভাষ্য বীয়েৰ কেফেৰ সহ-প্ৰতিষ্ঠাপক ৰাহুল সিঙৰো। তেওঁ কয়, 'বিগত দুবছৰ ধৰি ব্যৱসায় মন্দা আছিল। এইবাৰ এই যুদ্ধয়ো বজাৰত প্ৰভাৱ পেলাইছে। গতিকে বীয়েৰৰ মূল্যবৃদ্ধি কোনো অস্বাভাৱিক নহয়।' বিভিন্ন মহলে মত প্ৰকাশ কৰিছে যুদ্ধৰ পৰিস্থিতিত কেঁচামালৰ ৰপ্তানিও বাধাপ্ৰাপ্ত হ'ব। ফলত বীয়েৰৰ মূল্যত ইয়াৰো প্ৰভাৱ পৰিব। অৱশ্যে মূল্যবৃদ্ধি এতিয়াই হ'ব নে নহয়, সেই বিষয়ত কোনেও মুখ খোলা নাই।

## আজি মুক্তি লাভ কৰিব হিমাংশু প্ৰসাদ দাসৰ 'হিৰো'

**গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী ঃ** ২০১০ত গুৱেৰ্ণিকাৰ বেনাৰত হিমাংশু প্ৰসাদ দাসৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ হৈছিল এখন নাটক 'মই শ্বাহৰুখ খান হ'ব খোজো'। অভূতপূৰ্ব সফলতা লাভ কৰা সেই নাটকখনৰ কাহিনীৰ আধাৰত চিত্ৰনাট্য ৰচনা কৰি নিৰ্মাণ কৰা হৈছে নতুন অসমীয়া ভাষাৰ চিনেমা 'হিৰো'।




চিনেমাখনৰ চিত্ৰনাট্য আৰু সংলাপ ৰচনা কৰিছে মহৰ্ষি তুহিন কাশ্যপ আৰু হিমাংশু প্ৰসাদ দাসে। ভাৰতৰ অন্যতম জনপ্ৰিয় ওটিটি প্লেটফৰ্ম ৰীলড্ৰামাৰ হৈ এই চিনেমাখন প্ৰযোজনা কৰিছে কুহেলী দাসগুপ্তা আৰু সুমিত দাসগুপ্তাই। কাইলৈ দৰ্শকৰ বাবে মুক্তি দিয়া হ'ব 'হিৰো' চিনেমাখন। ৰীলড্ৰামাযোগে প্ৰদৰ্শিত হোৱাৰ পূৰ্বে দিনৰ দুই বজাত, চাৰি বজাত আৰু ছয় বজাত তিনিটা দৰ্শনীৰে জ্যোতি চিত্ৰবনত মুক্তি দিয়া হ'ব চিনেমাখন। ইয়াৰ পাছত এই চিনেমাখন অসমৰ বিভিন্ন প্ৰান্তত প্ৰজেকছন ব্যৱস্থাৰে প্ৰদৰ্শণ কৰা হ'ব। অসমৰ অতি ভিতৰুৱা অঞ্চললৈয়ো এই চিনেমাখন লৈ যোৱা হ'ব। তদুপৰি অতি শীঘ্ৰেই চিনেমাখন ৰীলড্ৰামাযোগে সকলো দৰ্শকেই উপভোগ কৰিব পাৰিব। চিনেমাখনৰ চিত্ৰগ্ৰহণকাৰী হৈছে চন্দ্ৰ কুমাৰ দাস। সম্পাদক হাৰ্দিক কাশ্যপ। আৱহ সংগীত পল্লৱ তালুকদাৰৰ। শব্দ সংযোজন ৰুক্মজিত বৰুৱাৰ। মুখ্য সহকাৰী পৰিচালক জিতুল ৰাজবংশী আৰু প্ৰযোজনা নিয়ন্ত্ৰক কমল পৰান। চিনেমাখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে যুৱ প্ৰজন্মৰ প্ৰতিশ্ৰুতিসম্পন্ন অভিনেতা চন্দন দাস আৰু অভিনেত্ৰী সন্ধ্যা হাজৰিকাই। তদুপৰি অতি গুৰুত্বপূৰ্ণ কেঁৱাটাও চৰিত্ৰত অভিনয় কৰিছে অসমৰ অভিনয় জগতৰ খ্যাতনামা অভিনেতা অৰুণ হাজৰিকা, জ্যোতি নাৰায়ণ নাথ, অসীম কৃষ্ণ বৰুৱা, সিদ্ধাৰ্থ মুখাৰ্জী আৰু প্ৰণামী বৰা আদিয়ে। ইয়াৰ লগতে ফণীন্দ্ৰ ভট্ট, মন্মথ বৰুৱা, কবীন্দ্ৰ দাস, ৰূপমজ্যোতি দাস, প্ৰাঞ্জল এ. শৰ্মা, গৌতম দাস, বিদ্যুৎ বৰা, নিৰঞ্জন শৰ্মা, নিৰঞ্জন দাস, গৌৰৱ দাস আদিৰ লগতে এটা অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে পৰিচালক হিমাংশু প্ৰসাদ দাসে।

## কলিয়াবৰত অবৈজ্ঞানিক নলা হৈ পৰিছে মহ-ডাহ, প্ৰদূষণৰ বাহক

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৫ ফেব্ৰুৱাৰী ঃ** ভালুকৰ সাঙীলৈ পৰিণত হৈছে কলিয়াবৰৰ জলসিঞ্চন বিভাগ। বিভাগীয় উদ্ধৰ্তন কৰ্তৃপক্ষৰ সু-পৰিকল্পনাৰ অভাৱৰ বাবে কলিয়াবৰৰ এখন গাঁৱৰ ৰাইজে জীয়াতু ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। মৃত কলঙৰ পৰা কৃষিভূমিলৈ পানী বোঁৱাই নিয়াৰ পৰিকল্পনাৰে ২০১৫ বৰ্ষতে সম্পূৰ্ণ কৰা চতিয়াল উত্তোলিত জলসিঞ্চল আঁচনিখন আজিও কাৰ্যক্ষম হৈ নুঠিল। আঁচনিখনৰ পৰা কৃষিভূমিলৈ পানী বোঁৱাই নিবলৈ নিৰ্মাণ কৰা পকী নলাসমূহৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণো ৰাইজে নাপালে। ক্ষতিপূৰণৰ বিচাৰি যোৱা সাত বছৰে কলিয়াবৰ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ ভূমিৰ তথ্য জমা দি, উকা কাগজত ৰেভিনিউৰ ওপৰত চহী কৰি বাট-কুৰি বাই এই পৰ্যন্ত ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম নহ'ল বুলি গাঁওবাসীয়ে উত্থাপন অভিযোগ কৰিছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তৰ হস্তক্ষেপৰ দাবী জনাইছে ৰাইজে। আনহাতে, বৰষুণৰ জমা হোৱা পানী আসোঁৱাহপূৰ্ণ নলাটো এতিয়া ভৰি পৰিছে আৱৰ্জনাৰে, হাবি-বননিৰে। নলাটোৰ পৰা নিৰ্গত পুতিগন্ধময় পৰিৱেশত ক্ষুব্ধ হৈছে ৰাইজ। মহ-ডাহ তথা বিভিন্ন ৰোগৰ বীজাণুৰ স্থল হৈছে অকামিলা নলাটো ৰাইজৰ অভিযোগৰ বিপৰীতে কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে উল্লেখ কৰা মতে, কেন্দ্ৰটোৰ জৰিয়তে তিনিমাহ সক্ৰিয়ভাৱে জলসিঞ্চনৰ পানী চতিয়ালৰ খেতি-পথাৰলৈ বোঁৱাই নিয়া হৈছিল যদিও নলাটোৰ কিছু বিসংগতিৰ বাবে জলসিঞ্চন বন্ধ ৰখা হৈছিল। এতিয়া নলাটো সঠিকভাৱে নিৰ্মাণ কৰিবলৈ বিভাগে যাবতীয় কাম-কাজ আৰম্ভ কৰিছে। কিন্তু গএগ্ৰা ৰাইজে তিনিমাহ জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বিষয়টোত সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ কৰে। তাৰ বিপৰীতে নলাৰে যি তিনিঘণ্টা পানী দিছিল, সেই পানী নলাৰে বাগৰি গাঁৱৰ বহু লোকৰ ঘৰৰ মজিয়া বুৰাই পেলাইছিল। স্থানীয় ৰাইজে ঘৰৰ মজিয়াৰ পানী উলিয়াবলৈ লাহনী-চৰিয়াৰে পানী সিঁচাৰ



দৃশ্য এতিয়াও ম'বাইল ফোনত সযতনে সাচি ৰাখিছে বিভাগীয় বিষয়াক দেখুৱাবলৈ। তদুপৰি, ২০১৫ত নিৰ্মিত জলসিঞ্চন কেন্দ্ৰটোৰ যন্ত্ৰ বিকল হৈ পৰিছিল ২০১৭ৰ বানত, এতিয়াহে বিভাগে মেৰামতিৰ কামত হাত দিয়াৰ বিষয়টোতো আশ্চৰ্য প্ৰকাশ গাঁওবাসীৰ। যোৱা ২০১৭ৰ আগষ্টৰ কলঙৰ বানে প্ৰকল্পটোৰ যন্ত্ৰ-পাতি সমূলাংশে নষ্ট কৰাৰ পাছত এতিয়া পাঁচ বছৰৰ মূৰত মেৰামতি কৰিছে যদিও জলসিঞ্চনৰ নলাটো বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিবলৈ গাঁওবাসীয়ে দাবী জনাইছে।

## পুত্ৰৰ চৰ্দিয়ে ২০টা বছৰ কাঢ়িলে মাতৃৰ

### সামান্য সংক্ৰমণতে দুটা দশকৰ স্মৃতি লোপ পালে মহিলাৰ

**নিউজ ব্যুৰ'**

**লণ্ডন, ২৪ ফেব্ৰুৱাৰী ঃ** অসুস্থ হ'লে শিশু সন্তানে প্ৰথমে মাতৃকেই কাষত বিচাৰে। তেনে এক পুত্ৰ সন্তানৰ পৰা মাতৃগৰাকীও সংক্ৰমিত হৈছিল। সামান্য সংক্ৰমণ আছিল যদিও সেই ঘটনাই যে বিয়াগোম আকাৰ ধাৰণ কৰিব, সেই কথা কল্পনাও কৰিব পৰা নাছিল ব্ৰিটেইনৰ ক্লেয়াৰ মাফেৰিচ নামৰ মহিলাগৰাকীয়ে। ৪৩ বছৰীয়া মহিলাগৰাকীৰ মনৰ পৰা বিলুপ্ত হৈ পৰিছিল সুদীৰ্ঘ ২০ বছৰৰ স্মৃতি। সেই দুটা দশকৰ একো কথাই এতিয়া তেওঁৰ মনত নাই।

শুনিবলৈ অবাক লাগিলেও স্বয়ং ক্লেয়াৰেই সেই দাবী কৰিছে। মহিলাগৰাকীয়ে জনায় যে ২০২১ৰ এনিশা তেওঁ অসুস্থ পুত্ৰৰ সংস্পৰ্শত থাকি সংক্ৰমিত হৈছিল। পাছদিনা পুৱা টোপনিৰ পৰা সাৰ পোৱাৰ পাছতে একেবাৰে সলনি হৈ পৰে তেওঁৰ জীৱনটো। একোৱেই মনত পেলাব পৰা নাছিল ক্লেয়াৰে। বিগত ২০টা বছৰত তেওঁৰ জীৱনত কি কি ঘটিছিল, সেইবোৰ তেওঁৰ স্মৃতিৰ পৰা সম্পূৰ্ণৰূপে লোপ পাইছিল। মহিলাগৰাকীৰ এনে অৱস্থা দেখি পৰিয়ালৰ লোকসকলো হতবাক হৈ পৰে। অৱশ্যে বিস্ময়ৰ যেন ইয়াতেই শেষ নাছিল। ক্লেয়াৰৰ শাৰীৰিক অৱস্থাৰো দ্ৰুত অৱনতি ঘটে। আনকি ১৬ দিনৰ বাবে তেওঁ কমাতো আছিল।

পত্নী ক্লেয়াৰৰ জীৱনৰ সেই



অবিশ্বাস্য ঘটনাৰ কথা মনত পৰিলে আজিও গা শিয়ঁৰি উঠে স্বামী স্কট মাফেৰিচৰ। স্কটে জনায় যে পুত্ৰ মেক্সৰ পৰা ক্লেয়াৰৰ গালৈকো চৰ্দি বাগৰিছিল। প্ৰায় দুসপ্তাহ ভুগিছিল, কিন্তু তাৰ পাছত তেওঁৰ শাৰীৰিক অৱস্থা দ্ৰুতগতিৰে বেয়াৰ ফালে ঢাল খায়। হাস্পতালতো ভৰ্তি কৰা হৈছিল। এসপ্তাহ তেওঁক ভেণ্টিলেচনতো ৰখা হৈছিল। ইয়াৰ পাছত চিকিৎসকে অনেক পৰীক্ষা-নিৰীক্ষা কৰি জনায় যে ক্লেয়াৰৰ মস্তিষ্কত ৰক্তক্ষৰণ হৈছে। অৱশ্যে পাছত জনা গ'ল যে তেওঁ আচলতে এনকেফেলাইটিছত আক্ৰান্ত। ইয়াৰ পাছতে দেখা যায়, লাহে লাহে ধূসৰ হৈ আহিছে ক্লেয়াৰৰ স্মৃতিশক্তি। নিজৰ বিবাহৰ পৰা সন্তান জন্ম দিয়া আদি একো কথাই তেওঁ মনত পেলাব পৰা নাছিল। প্ৰেমিক তথা এতিয়াৰ স্বামী স্কটে তেওঁক কেনেদৰে প্ৰেমৰ প্ৰস্তাৱ দিছিল, সেই কথা ক্লেয়াৰে আজিও মনত পেলাবলৈ চেষ্টা কৰে। অথচ সকলো স্মৃতিয়েই এতিয়া লুপ্ত। সম্প্ৰতি ক্লেয়াৰে সাংবাদিকতা কৰে। মাজে-মধ্যে অতীতৰ স্মৃতি ৰোমন্থন কৰাৰ চেষ্টা কৰিলেও এই পৰ্যন্ত সফল হোৱা নাই। তেওঁৰ এই আচহুৱা ৰোগে চিকিৎসকসকলকো আচৰিত কৰি তুলিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com